● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

*চিকিৎসকে মানুহৰ সকলো দুৰ্বলতা, ৰোগ চিনাক্ত কৰে; সেইদৰে অধিবক্তাসকলে উলিয়াই লয় ধূৰ্তালি-বদমাছি, আৰু ধৰ্মতত্ত্ববিদে বুজি পায় সকলো প্ৰকাৰৰ মূৰ্খামি-কপটালি।*

আৰ্থাৰ শ্বপেনহাৱাৰ
*জাৰ্মান দাৰ্শনিক*



www.dainikagradoot.in

৭ এইবাৰ ৰেষ্টবেংকত ইজৰাইল-পেলেষ্টাইনৰ সংঘৰ্ষ
১১ আজি স্বৰ্ণ পদকৰ বাবে যুঁজত শিৱ থাপা
৪ অন্নদাতাৰ কথা ভাবোতা নাই

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৩০তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৬ জেঠ ১৪২৮ ভাস্কৰাব্দ ৩১ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 31 May 2021 মূল্য ঃ ৭.০০ টকা

■ পূৰ্বৰ আইন অনুসৰিয়েই পাঁচ ৰাজ্যৰ ১৩ জিলাত নাগৰিকত্ব প্ৰদানৰ নিৰ্দেশ ■ সংশোধিত নাগৰিকত্ব আইনৰ অধিনিয়ম প্ৰস্তুতেই হোৱা নাই ■ স্পষ্ট কৰিলে গৃহ দপ্তৰে

# 'কা' বলৱৎ কৰা হোৱা নাই ঃ কেন্দ্ৰ

■ নিউজ বুৰ'
**নতুন দিল্লী, ৩০ মে' ঃ** দেশৰ পাঁচখন ৰাজ্যৰ ১৩খন জিলাত ধৰ্মীয় নিৰ্যাতনৰ বলি হৈ চুবুৰীয়া দেশৰ পৰা পলাই অহা অমুছলমান শৰণাৰ্থীক নাগৰিকত্ব দিবলৈ কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা নিৰ্দেশে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দেশৰ বহু দল-সংগঠনৰ বিৰোধক উপেক্ষা কৰি কেন্দ্ৰীয় চৰকাৰে কৌশলেৰে সংশোধিত নাগৰিকত্ব আইনখন কাৰ্যকৰী কৰাৰ এয়া কৌশল




বুলি বিৰোধী দল আৰু বিশিষ্ট বহু ব্যক্তি সৰৱ হৈ উঠিছে। ইয়াৰ পৰিপ্ৰেক্ষিতে আজি কেন্দ্ৰীয় চৰকাৰ তথা গৃহ মন্ত্ৰণালয়ে স্পষ্ট কৰি দিয়ে যে সংশোধিত আইনখনৰ অধীনত নাগৰিকত্ব দিবলৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। নাগৰিকত্ব আইন ১৯৫৫ আৰু ২০০৯ অনুসৰি, বিগত দিনবোৰত যিদৰে নিৰ্বাচিত লোকক ভাৰতৰ নাগৰিকত্ব প্ৰদান কৰা হৈছিল এয়া তাৰেই অংশ। ছয় পৃষ্ঠাত চাওক

## ড্ৰাগছৰ বেহাই সৰ্বনাশী ৰূপ পালে কেনেকৈ?

■ প্ৰাঞ্জলসেন ডেকা

**নৱগঠিত** ৰাজ্য চৰকাৰে আৰক্ষী অধীক্ষক পৰ্যায়ত সম্পন্ন কৰা ব্যাপক ৰদ-বদলৰ পাছতে প্ৰায় প্ৰতিখন জিলাতে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে অভিযান চলিছে। বিগত এপষেকত প্ৰায় প্ৰতিদিনেই ৰাজ্যৰ বিভিন্ন প্ৰান্তত ড্ৰাগছৰ বিক্ৰেতা আৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে বৃহৎ পৰিমাণৰ নিষিদ্ধ নিচাযুক্ত সামগ্ৰী, নগদ ধন, বাহন আদি জব্দ কৰা হৈছে। ৰাজ্যখনক ছানি ধৰা এই বৰ বিহৰ বিৰুদ্ধে আৰম্ভ কৰা আঠ পৃষ্ঠাত চাওক



*প্ৰচণ্ড গৰমৰ পৰা হাত সাৰিবলৈ হাতীৰ জলকেলি, পবিতৰা অভয়াৰণ্যত দেওবাৰে।*

## পুনৰ ৪.১ প্ৰাবল্যৰ ভূমিকম্পত কঁপিল অসম

উৎপত্তিস্থল ঢেকিয়াজুলি শোণিতপুৰ অন্যতম অভিকেন্দ্ৰৰূপে চিহ্নিত

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩০ মে' ঃ** গুৱাহাটীকে ধৰি ৰাজ্যৰ উত্তৰ, মধ্য আৰু নামনি অসমৰ বৃহৎ অঞ্চলক আজি দুপৰীয়া পুনৰ এটা মৃদু ভূঁইকপে জোঁকাৰি যায়। নেচনেল চেন্টাৰ ফৰ ছিছম'লজী (এনচিএছ)ৰ তথ্য অনুসৰি দুপৰীয়া দুই বাজি ২৩ মিনিট ছয় ছেকেণ্ডত অহা কম্পনটোৰ ৰিখটাৰ স্কেলত প্ৰাবল্য আছিল ৪.১। ইয়াৰ উৎপত্তিস্থল শোণিতপুৰৰ ঢেকিয়াজুলিৰ পৰা আঠ-ন কিলোমিটাৰ পশ্চিমত। ভুগৰ্ভৰ ১৬ কিলোমিটাৰ গভীৰত ভূমিকম্পটোৰ ছয় পৃষ্ঠাত চাওক

■ শিলচৰ মেডিকেলত চিকিৎসাধীন ৰোগীৰ শৰীৰত ধৰা পৰিল

## শংকাৰ মাজতে অসমত দ্বিতীয়জন 'ব্লেক ফাংগাছ'ত আক্ৰান্তৰ সন্ধান

**বিশেষ সংবাদদাতা**
**শিলচৰ, ৩০ মে' ঃ** কৰ'না পৰিস্থিতিত অসমত সন্ধান ওলাল দ্বিতীয়জন 'ব্লেক ফাংগাছ' বা ক'লা ভেঁকুৰত আক্ৰান্তৰ। সম্প্ৰতি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন এজন ক'ভিড ৰোগীৰ শৰীৰত ক'লা ভেঁকুৰৰ সংক্ৰমণ ধৰা পৰিছে। ৰোগীজনৰ প্ৰাথমিক পৰীক্ষাৰ ফলাফল পজিটিভ



অহা বুলি আজি ঘোষণা কৰিলে চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ বাবুল কুমাৰ বেজবৰুৱাই। শিলচৰৰ সাংসদ ডাঃ ৰাজদীপ ৰয় আৰু উপায়ুক্ত কীৰ্তি জল্লিৰ উপস্থিতিত আয়োজিত সংবাদমেলত ডাঃ বেজবৰুৱাই লগতে কয় যে ৰোগীৰ পৰীক্ষাৰ চূড়ান্ত প্ৰতিবেদনৰ বাবে অপেক্ষা কৰা হৈছে। দুই-তিনিদিনৰ ভিতৰতে লেলাউটি আঠ পৃষ্ঠাত চাওক

## দায়িত্ব গ্ৰহণৰ পাছত প্ৰথম দিল্লী যাত্ৰা মুখ্যমন্ত্ৰী শৰ্মাৰ

ৰাজ্যৰ পৰিস্থিতি অৱগত কৰিব প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰীক

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩০ মে' ঃ** মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণৰ পাছত আজি প্ৰথমবাৰলৈ দিল্লী যাত্ৰা কৰিলে ড° হিমন্ত বিশ্ব শৰ্মাই। দায়িত্ব গ্ৰহণৰ ২০ দিনৰ মূৰত কৰা এই যাত্ৰা সম্পূৰ্ণ সৌজন্যমূলক বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। ড° শৰ্মাই কয় যে মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণৰ পাছত সৌজন্যমূলকভাৱে ৰাষ্ট্ৰপতি, ছয় পৃষ্ঠাত চাওক

■ ১৫ জুনৰ পাছত চৰকাৰী নিৰ্দেশনা শিথিলৰ ইংগিত মুখ্যমন্ত্ৰীৰ ■ জুনৰ প্ৰথম সপ্তাহলৈ প্ৰতিষেধক নাথাকে ১৮-৪৪ বছৰৰ লোকৰ

## ১৫ আগষ্টৰ ভিতৰত এক কোটি লোকক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য

জিএমচিএইছত ক'ভিডৰ চিকিৎসাৰ নতুন পৰীক্ষা-নিৰীক্ষা অব্যাহত

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩০ মে' ঃ** অহা আঢ়ৈমাহৰ ভিতৰত অসমৰ কমেও ৩০ শতাংশ লোকক ক'ভিডৰ প্ৰতিষেধক প্ৰদানৰ লক্ষ্য গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। অৱশ্যে কোম্পানীবোৰৰ প্ৰতিষেধক যোগানৰ ওপৰতহে এই লক্ষ্য পূৰণৰ বিষয়টো নিৰ্ভৰ কৰিব আঠ পৃষ্ঠাত চাওক



■ মোদী চৰকাৰৰ সপ্তম বৰ্ষপূৰ্তিত ৰাজ্যজুৰি বিজেপিৰ 'সেৱাই সংগঠন' কাৰ্যসূচী ৰূপায়ণ

বিজেপিৰ দাবী ঃ সফলতাৰ সাত বছৰ, কংগ্ৰেছৰ প্ৰশ্ন ঃ কিহৰ সফলতা

## বৃদ্ধাশ্ৰমত উপহাৰ বিতৰণ ড° শৰ্মাৰ



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩০ মে' ঃ** নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এনডিএ চৰকাৰৰ সপ্তম বৰ্ষপূৰ্তি উপলক্ষে আজি ৰাজ্যিক বিজেপিয়ে 'সেৱাই সংগঠন' কাৰ্যসূচী ৰূপায়ণ কৰে। এই বিশেষ দিনটোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পাঞ্জাবাৰীস্থিত মা কামাখ্যা বৃদ্ধাশ্ৰমত উপস্থিত হৈ আৱাসীসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে তেওঁলোকৰ মাজত খাদ্য-সামগ্ৰী, ফল-মূল, মাস্ক আৰু চেনিটাইজাৰ বিতৰণ কৰে। সমান্তৰালভাৱে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ৰ হাতীমৰা আৰু ৰজাভেটাত ৰাইজৰ মাজত মাস্ক আৰু চেনিটাইজাৰ বিতৰণ কৰি এই কাৰ্যসূচীত অংশ লয়। একেদৰে ছয় পৃষ্ঠাত চাওক

■ নিজৰ ভূমি কাঢ়ি নিয়াৰ ভয়তহে গুলিচালনা ঃ বিধায়ক কুৰ্মীক আক্ৰমণৰ ঘটনাৰ সম্পৰ্কত মুখ্যমন্ত্ৰী ৰিঅ'ৰ পত্ৰত উল্লেখ ■ অত্যাধুনিক অস্ত্ৰ ব্যৱহাৰ কৰা হোৱা নাছিল বুলিও দাবী

## দিচৈ ভেলী নগালেণ্ডৰ বুলিয়েই দাবী



■ প্ৰশাসনৰ প্ৰতিশ্ৰুতিত সাময়িকভাৱে অনশন প্ৰত্যাহাৰ ৰূপজ্যোতিৰ ■ দুই জুনৰ ভিতৰত বেদখল উচ্ছেদ নকৰিলে পুনৰ অনশন ■ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ সংগঠনৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩০ মে' ঃ** মৰিয়নিৰ অসম নগালেণ্ড সীমান্তৰ দিচৈ ভেলী সংৰক্ষিত বনাঞ্চলত নগালোকে নিজৰ ভূমি ৰক্ষাৰ বাবে অঞ্চলটো পৰিদৰ্শনৰ বাবে যোৱা বিধায়ক ৰূপজ্যোতি কুৰ্মীসহ আৰক্ষী, সাংবাদিক আৰু অন্যান্য লোকক লক্ষ্য কৰি গুলিচালনা কৰিছিল। এই দাবী নগালেণ্ড চৰকাৰৰ। যোৱা ২৭ মে'ত সংঘটিত হোৱা উক্ত ঘটনাৰ পাছত দুয়োখন ৰাজ্যৰ মাজত মুখ্যমন্ত্ৰী পৰ্যায়ত বাৰ্তা বিনিময় অব্যাহত আছে। নগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ৱে এখন পত্ৰ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰিছে। তাত ৰিঅ'ৱে বিতৰ্কিত ভূমিখিনি নগালেণ্ডৰ বুলি দাবী কৰিছে। লগতে পত্ৰখনত উল্লেখ কৰা হৈছে যে উক্ত ভূমিত দীৰ্ঘদিন নগালোকে কৃষি কাৰ্য কৰি আহিছে। তেনে ক্ষেত্ৰত অসমৰ পৰা দলে-বলে সেই ভূমি পৰিদৰ্শন কৰিবলৈ যাওঁতে পথাৰত কৃষি কাৰ্যত ব্যস্ত থকা নগালোকৰ কোনোৱে মাটি কাঢ়ি নিবলৈ অহা বুলি ভাবিহে গুলিচালনা কৰিছিল। আঠ পৃষ্ঠাত চাওক

## সঠিক পথেৰে আগবাঢ়িছো, সাত বছৰৰ কৃতিত্বৰ গৌৰৱ দেশৰ ঃ মোদী

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৩০ মে' ঃ** 'আমি শুদ্ধ পথত আছো।' প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ 'মন কি বাত' অনুষ্ঠানত এইদৰে কয়। কেন্দ্ৰত তেওঁৰ চৰকাৰৰ সাত বছৰীয়া কাৰ্যকালৰ বৰ্ষপূৰ্তি উপলক্ষে প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে দেশৰ বিভিন্ন প্ৰান্তৰ লোকে স্বাধীনতাৰ ৭০ বছৰ পাছত ছয় পৃষ্ঠাত চাওক

তিনিচুকীয়া-ডিব্ৰুগড়-কাছাৰ-নগাঁৱৰ পৰিস্থিতি এতিয়াও উদ্বেগজনক ■ মহানগৰীত চাৰিশলৈ হ্ৰাস পালে নতুনকৈ সংক্ৰমিতৰ সংখ্যা

## ৰাজ্যত ক'ভিডত মৃত্যু ৫৫জনলৈ, আক্ৰান্ত তিনি হেজাৰলৈ হ্ৰাস পালে

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩০ মে' ঃ** দীৰ্ঘদিনৰ পাছত কিছু আশাৰ ৰেঙণি দেখা হ'ল অসমৰ ক'ভিড পৰিস্থিতিত। বিগত প্ৰায় এটা মাহৰ ভিতৰত প্ৰথমবাৰলৈ একেলগে হ্ৰাস পালে দৈনিক আক্ৰান্ত, সংক্ৰমণৰ হাৰ আৰু মৃত্যুৰ সংখ্যা। আজি ৰাজ্যত ৫৫ জন ক'ভিড ৰোগীৰ মৃত্যু হয়। দীৰ্ঘদিনৰ পাছত ৰাজ্যত এদিনত



মৃত্যু হোৱা ৰোগীৰ সংখ্যা ৬০ৰ তললৈ নামিল। আজি এই তথ্য টুইটযোগে সদৰী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে লগতে জনায় যে আজিৰ দিনটোত অসমত তিনি হেজাৰ ২৪৫ জন লোক আক্ৰান্ত হয় আৰু সংক্ৰমণৰ হাৰ হৈছে ৪.৫৩ শতাংশ। আনহাতে, সুস্থতাৰ হাৰ ৮৫.৯৭ শতাংশ। ন পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৫° |
| ডিব্ৰুগড় | ৩২° | ২৪° |
| দিল্লী | ৩৮° | ২৯° |
| কলকাতা | ৩৫° | ২৮° |
| মুম্বাই | ৩৩° | ২৮° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ৩০° | ২১° |
| শ্বিলং | ২৩° | ১৭° |

*৩০ মে', ২০২১*

মৰণোত্তৰভাৱে প্ৰদান কৰিব 'গণ-সুহৃদ' উপাধি

## অসম আন্দোলনৰ অগ্ৰণী ছাত্ৰনেতা-জনপ্ৰিয় সংগঠক সমীৰণ বৰদলৈৰ বিয়োগ



**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ৩০ মে' ঃ** বিদেশী বহিষ্কাৰ আন্দোলনৰ অন্যতম হোতা, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন নেতা, অগ্ৰণী ক্ৰীড়া-সাংস্কৃতিক আৰু সমাজ সংগঠক তথা অসম সাহিত্য প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক সমীৰণ বৰদলৈ আৰু নাই। যোৰহাটবাসীৰ অতিকৈ আপোন ৬৩ বছৰীয়া বৰদলৈয়ে আজি পুৱা ৭-১৩ বজাত যোৰহাটৰ আঠ পৃষ্ঠাত চাওক

## ক'ভিড আতংকৰ মাজতে ৰোগীক গিনিপিগ সজাইছে লেব'ৰেটৰীয়ে

■ কোকৰাঝাৰত মানুহৰ জীৱনক লৈ হেতালি

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ৩০ মে' ঃ** কৰ'নাৰ সংহাৰী ৰূপৰ মাজতে স্বাস্থ্য বিভাগৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ একাংশ অৰ্হতাহীন লোকে কোকৰাঝাৰ জিলাত লেব'ৰেটৰী খুলি মানুহৰ জীৱনক লৈ হেতালি খেলাৰ গুৰুতৰ অভিযোগ উঠিছে। জিলা স্বাস্থ্য বিভাগৰ উদাসীনতাৰ সুযোগ লৈ এনেদৰে ৰাইজক গিনিপিগ সজোৱা হৈছে বুলিও বিভিন্নজনে অভিযোগ কৰিছে। আনকি জিলাৰ সদৰত থকা কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ৰ মাত্ৰ দুশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰতে ১৫ৰ পৰা ২০খনকৈ গঢ়ি উঠিছে লেব'ৰেটৰী-ফাৰ্মাচী। একাংশই চিকিৎসকৰ স'তে ছয় পৃষ্ঠাত চাওক

একাধিক ৰাজ্যত তলাবন্ধ শিথিলকৰণ আৰম্ভ

■ আজিৰে পৰা কাৰখানা সক্ৰিয় হ'ব দিল্লীত

## দেশত দৈনিক সংক্ৰমণ ছসপ্তাহৰ সৰ্বনিম্ন, ২৪ ঘণ্টাত মৃত্যু ৩,৪৬০লৈ হ্ৰাস

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৩০ মে' ঃ** ভাৰতত বিগত কে'বাদিন ধৰি ধাৰাবাহিকভাৱে কৰ'নাৰ দৈনিক সংক্ৰমণ হ্ৰাস পাইছে। যোৱা শনিবাৰে দেশত দৈনিক ক'ভিড আক্ৰান্ত সংখ্যা এক লাখ ৭৩ হেজাৰলৈ অৱনমিত হৈছিল। আজি এই সংখ্যা পুনৰ কিছু হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ এক লাখ ৬৫ হেজাৰ ৫৫৩ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বিগত ছসপ্তাহৰ পাছত দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা সৰ্বনিম্ন হ'ল। একে সময়তে ভাৰতত কৰ'নাত দৈনিক মৃত্যুৰ সংখ্যাও বিগত আঠ পৃষ্ঠাত চাওক



## মহানগৰীত এনএলএফবিৰ যুটীয়া সম্পাদকক গ্ৰেপ্তাৰ

ৰেপিড' চালকৰ বেশ ধৰি অব্যাহত ৰাখিছিল সাংগঠনিক কাম-কাজ



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩০ মে' ঃ** প্ৰাক্তন এনডিএফবি নেতা এম বাথাৰ নেতৃত্বত শেহতীয়াকৈ আত্মপ্ৰকাশ ঘটা ৰাষ্ট্ৰীয় সংযুক্ত মুক্তি বাহিনী, বড়োলেণ্ড (এন এল এফ বি) নামৰ আঠ পৃষ্ঠাত চাওক

**চেঙা তেল**



*ছাৰে বিচৰা মতে ভাল ঠাইত প'ষ্টিং পাই গ'ল, সেই কাৰণে আজি এই পাৰ্টি!*

নিজেই গ্ৰাহকৰ ঘৰত মাংস যোগান ধৰে জনপ্ৰিয় অভিনেতা গুঞ্জনে

## মাংস বিক্ৰীৰে জীৱন সংগ্ৰামত ব্ৰতী বহু প্ৰতিষ্ঠিত শিল্পী-কলা-কুশলী

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩০ মে' ঃ** সমগ্ৰ বিশ্বতে ৰাক্ষস মূৰ্তি ধাৰণ কৰি মানৱ সমাজক ত্ৰস্তমান কৰি তোলা ক'ভিড-১৯ ভাইৰাছে সৃষ্টি কৰা পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ সকলোৱে অব্যাহত ৰাখিছে অক্লান্ত যুঁজ। মানৱ সমাজলৈ অপ্ৰত্যাশিতভাৱে নামি এই চৰম দুৰ্যোগে বহুতকে কৰি তুলিছে হতাশাগ্ৰস্ত। অধিকাংশৰ জীৱনলৈ নামি অহা উপাৰ্জনহীনতাৰ পৰা পৰিত্ৰাণ পাবলৈ উপাৰ্জনৰ নতুন পথৰ সন্ধান অব্যাহত ৰাখিছে আৰু ইয়াৰ ব্যতিক্ৰম নহয় অসম। এই ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰিবলৈ সময়ে সময়ে বলৱৎ হৈ অহা নীতি-নিৰ্দেশনাই দৈনিক সংগ্ৰাম নাইবা ব্যক্তিগত কোম্পানী, নিজৰ শিল্পী সত্তাৰে জীৱিকা উপাৰ্জন কৰি অহাসকল কিদৰে ক্ষতিগ্ৰস্ত আঠ পৃষ্ঠাত চাওক

**মহামাৰীতো স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰি বহুতৰে বাবে আদৰ্শ হৈ পৰিছে**



# ওদালগুৰি জিলাত হাতী-মানুহৰ তীব্ৰ সংঘাত

## ডিমাকুছিৰ বগৰীতলত ৬০ বছৰীয়া মাইকী বন্যহস্তীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**টংলা, ৩০ মে’ ঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত হাতী আৰু মানুহৰ তীব্ৰ সংঘাতে জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। জিলাখনত বন্যহস্তীয়ে খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ আহি চাহ বাগিচা, বস্তি, গ্ৰামাঞ্চলত অবাধ বিচৰণ কৰি জনগণৰ সমস্যাৰ সৃষ্টি কৰিছে। ভূটান পাহাৰৰ পৰা খাদ্যৰ সন্ধানত শ শ হাতীৰ জাকে সৰু সৰু ভাগত বিভক্ত হৈ দিনে-নিশাই জনাঞ্চলত বিচৰণ কৰাত ভয়ত পেঁপুৱা লাগি সীমান্তৱৰ্তী অঞ্চলৰ ৰাইজে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। জীৱশ্ৰেষ্ঠ মানুহে জীৱন ধাৰণৰ প্ৰণালী উন্নত কৰিবলৈ গৈ বন ধ্বংস কৰাৰ ফলশ্ৰুতিত বনাঞ্চল সংকুচিত হৈছে। যাৰ পৰিণতি নিজে নিজেই দুৰ্ভোগ ভুগিবলগীয়া হৈছে। গছ-গছনি তহিলং কৰাৰ ফলত বন্যহস্তীৰ প্ৰয়োজনীয় খাদ্য নাটনি আৰু বিচৰণস্থলীৰ অভাৱ হোৱাত জনাৰণ্যলৈ আহি সন্ত্ৰাসৰ সৃষ্টি কৰে। হাতীৰ অবাধ বিচৰণ প্ৰতিৰোধ কৰিবলৈ সীমান্তৱৰ্তী ৰাইজে বিদ্যুৎ পৰিবাহী তাঁৰ, কটা তাঁৰৰ বেৰ, বিষ জাতীয় ঔষধ খাদ্যৰ স’তে মিহলাই দিয়াৰ লগতে বিদ্যুৎস্পৃষ্ট নতুবা খাদ্যত বিষক্ৰিয়া হৈ বন্যহস্তীৰ মৃত্যু হোৱাৰ সমান্তৰালভাৱে বনৰীয়া হাতীৰ আক্ৰমণত বহু ব্যক্তিৰ কৰুণ মৃত্যু হৈছে। টঙী ঘৰ বা চাং ঘৰত ৰাইজে পহৰা দিবলগীয়া হৈছে। উল্লেখ্য যে আজি পুৱতি নিশা জিলাখনৰ ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত বগৰীতল গাঁৱত এটি প্ৰায় ৬০ বছৰীয়া মাইকী মৃত বনৰীয়া হাতী স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়াত ঘটনাস্থলীত বন বিভাগৰ লোক উপস্থিত হৈ মৃত হাতীটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা কৰে। বনৰীয়া হাতীটো খাদ্যত বিষক্ৰিয়া হোৱাৰ ফলত মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে বন বিভাগে। ওদালগুৰি জিলাৰ বন সংমণ্ডল বিষয়া সম্পূৰ্ণ বিফল বুলিও ৰাইজে গুৰুতৰ অভিযোগ উত্থাপনৰ লগতে ওদালগুৰি জিলা বন সংমণ্ডল বিষয়াৰ নিৰ্লিপ্ত ভূমিকাত ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। জিলাখনত হাতী আৰু মানুহৰ সংঘাত ৰোধ কৰিবলৈ বন বিভাগে কোনো বিশেষ পদক্ষেপ গ্ৰহণ নকৰাত ৰাইজ ক্ষোভিত হৈছে। পানেৰী বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক দীৰ্ঘদিনীয়া হাতী-মানুহৰ সংঘাতৰ সমস্যাটো আশু সমাধানৰ বাবে বৃহত্তৰ পানেৰী সমষ্টিৰ বিভিন্ন দল-সংগঠন, ব্যক্তি বিশেষে দাবী জনাইছে।

## সমাজকৰ্মী চক্ৰধৰ ঠাকুৰীয়াৰ মৃত্যুত শোক

**বৰমা, ৩০ মে’ ঃ** বৰমাৰ ওচৰৰ নমাটি গাঁও নিবাসী, সমাজকৰ্মী চক্ৰধৰ ঠাকুৰীয়া (৫৭)ৰ যোৱা নিশা আকস্মিক মৃত্যু হোৱাত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰিছে। কে’বামাহ পূৰ্বৰে পৰা তেওঁ মধুমেহ ৰোগত আক্ৰান্ত হৈ আছিল। নিশা হঠাৎ তেওঁৰ শৰীৰ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়ে যদিও আদবাটতে মৃত্যু হয়। সমাজ কল্যাণ বিভাগত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰূপে চাকৰি জীৱন আৰম্ভ কৰি পাছলৈ তেওঁ জালাহ আই চি ডি এছত একাউনটেণ্টৰূপে কৰ্মৰত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ জী-জোঁৱাইক এৰি যায়।

### ওদালগুৰি জিলা কাৰাগাৰ পৰিদৰ্শন মুখ্য সচিব বৰুৱাৰ

# ক’ভিড পৰিস্থিতিত জিলা প্ৰশাসনক নিৰ্দেশনা

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৩০ মে’ ঃ** ওদালগুৰি জিলা কাৰাগাৰখনত ক্ৰমাৎ ক’ভিড আক্ৰান্ত কাৰাবন্দীৰ সংখ্যা বৃদ্ধি হৈ থকা বিষয়টো গুৰুত্ব সৰকাৰে লৈছে ৰাজ্য চৰকাৰে। আজি জিলা কাৰাগাৰখনত উপস্থিত হয় ৰাজ্য চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা। মুখ্য সচিব বৰুৱাই কাৰাগাৰখনত উপস্থিত হৈ ক’ভিড আক্ৰান্ত কাৰাবন্দীৰ বিষয়ে বুজ লোৱাৰ লগতে ক’ভিড আক্ৰান্ত কাৰাবন্দীসকলৰ বাবে কাৰাগাৰ চৌহদৰ ভিতৰতে স্থাপন কৰা ক’ভিড কেয়াৰ কেন্দ্ৰ পৰিদৰ্শন কৰে। উল্লেখ্য যে জিলা কাৰাগাৰখনত দুটাকৈ দিনত স্বাস্থ্য বিভাগে কৰা ক’ভিড পৰীক্ষাত বৰ্তমান পৰ্যন্ত ৫৮গৰাকীকৈ কাৰাবন্দী ক’ভিড-১৯ত আক্ৰান্ত হৈছে। আক্ৰান্তসকল কাৰাগাৰখনৰ ভিতৰত থকা ক’ভিড কেয়াৰ কেন্দ্ৰত চিকিৎসাধীন হৈ আছে। ইয়াৰ সমান্তৰালভাৱে মুখ্য সচিব বৰুৱাই আজি ওদালগুৰি অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ চিকিৎসালয়খন পৰিদৰ্শন কৰাৰ লগতে কৰ্তৃপক্ষৰ পৰা ক’ভিড চিকিৎসা প্ৰদান সম্পৰ্কে সকলো পৰিস্থিতিৰ বুজ লয়। মুখ্য সচিব বৰুৱাই দুয়োটা স্থানৰ ভ্ৰমণসূচীত সংগ দিয়ে জিলা উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণৰ লগতে জিলা আৰক্ষী অধীক্ষক হিৰণ্য বৰ্মনে। ইয়াৰ পূৰ্বে আজি পুৱা ন বজাত উপায়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ লগত ক’ভিড-১৯ৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ প্ৰস্তুতি আৰু বৰ্তমান অৱস্থা সম্পৰ্কে বুজ লোৱাৰ লগতে জিলাখনৰ বান পৰিস্থিতি তথা ইয়াৰ প্ৰস্তুতিৰ বিষয়ে জানিবলৈ এক আলোচনাত মিলিত হয় মুখ্য সচিব। উক্ত আলোচনাত মুখ্য সচিবজনে জিলাখনৰ ক’ভিড টিকাকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ‘১০৪’ সেৱাৰ বিষয়ে ব্যাপক প্ৰচাৰ কৰিবলৈ, ৰাজহুৱা স্থানত জনসমাগম ৰোধ কৰিবলৈ ক’ভিড পৰীক্ষা ব্যাপকৰূপে কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। তদুপৰি ক’ভিডৰ কণ্টেইনমেণ্ট জ’ন আৰু তলাবন্ধৰ নিয়ম কঠোৰভাৱে বলৱৎ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। ‘ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন’ আৰু ‘প্ৰধানমন্ত্ৰী গৰিব কল্যাণ যোজনা’ৰ অন্তৰ্গত চাউল চলিত মাহত গুদামৰ পৰা উলিয়াই হিতাধিকাৰীক বিতৰণ কৰা হ’ব নে নাই এই বিষয়েও তেওঁ জিলা প্ৰশাসনৰ পৰা বুজ লয়। মুখ্য সচিবজনে শিশু আৰু গৰ্ভৱতী মহিলাৰ স্বাস্থ্য আৰু পুষ্টিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। লগতে চাহ বাগিচা আৰু ভিতৰুৱা গ্ৰামাঞ্চলত এই ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদানৰ বাবে তেওঁ নিৰ্দেশ দিয়ে। সভাৰ শেষত জিলা উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণে মুখ্য সচিব আৰু উপস্থিত বিষয়াসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। উক্ত আলোচনা সভাত জিলা আৰক্ষী অধীক্ষক হিৰণ্য বৰ্মন, জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ তৈয়িবুৰ ৰহমানৰ লগতে অন্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

### ভেৰগাঁৱত বিভাগীয় বিষয়াৰে মতবিনিময় অধ্যক্ষ দৈমাৰীৰ

# খালী পদ পূৰণৰ ব্যৱস্থা লোৱাৰ আশ্বাস

**অগ্ৰদূত বাৰ্তা**
**টংলা, ৩০ মে’ ঃ** অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা ভেৰগাঁও মহকুমাধীন বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰে আজি মতবিনিময় কৰে। পানেৰী বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দৈমাৰীয়ে অসম বিধানসভাৰ অধ্যক্ষৰ দৰে সন্মানজনক গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ পোনপ্ৰথমবাৰৰ বাবে ভেৰগাঁও মহকুমাৰ সদৰ স্থানত উপস্থিত হৈ মহকুমাধিপতি গকুল চন্দ্ৰ ব্ৰহ্ম, স্বাস্থ্য, জলসিঞ্চন, জনস্বাস্থ্য কাৰিকৰী, ভূমি সংৰক্ষণ, খাদ্য-অসামৰিক যোগান বিভাগ, সমাজকল্যাণ, বিদ্যুৎ বিভাগ, গৃহ নিৰ্মাণ, গড়কাপ্তানী, কৃষি, হস্ত-তাঁত আৰু বস্ত্ৰ বিভাগ, আইটিআই আদিৰ উপৰি বিভিন্ন বিভাগৰ মুৰব্বীৰ স’তে ভেৰগাঁও মহকুমা সদৰ স্থানৰ লগতে সমষ্টি উন্নয়নৰ বাবে ল’বলগীয়া বিষয় সন্দৰ্ভত মত বিনিময় কৰে। অনুষ্ঠানৰ অন্তত সাংবাদিকক তেওঁ কয় যে বৰ্তমান সময় ক’ভিড-১৯ মহামাৰী অতি ভয়াৱহভাৱে সংক্ৰমণ হ’বলৈ ধৰিছে। সেয়ে ইয়াৰ পৰা বাচি থাকিবলৈ হ’লে সকলোৱে সাৱধান হ’ব লাগে আৰু চৰকাৰে বিনামূলীয়াকৈ প্ৰদান কৰা প্ৰতিষেধক সকলোকে গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। অনুষ্ঠানত উপস্থিত থাকে বিটিচিৰ এম চি এল এ ভবেন্দ্ৰ বড়ো। উল্লেখ্য যে অধ্যক্ষ দৈমাৰীয়ে বিজয় হোৱাৰ পাছত প্ৰথমবাৰ পুৱাৰ ভাগত ডিমাকুছিস্থিত আইবি বঙলাত সমষ্টিৰ ৰাইজৰ লগত সাক্ষাৎ কৰি বিভিন্ন সমস্যা আৰু অভিযোগসমূহ অতি মনোযোগেৰে শুনে আৰু পাৰ্যমানে একাদিক্ৰমে সমাধান কৰাৰ আশ্বাস দিয়ে।

**ASTROLOGY/জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৰ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ১৬ জেঠ সোমবাৰ ৩১ মে’

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪১।২৩, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫৯।১৪। **তিথি ঃ** কৃষ্ণা পঞ্চমী, দং ৫।৩১।৫ ঘঃ ৬।৫৩।৪৯। **নক্ষত্ৰ ঃ** শ্ৰৱনা, দং ৪০।১৪।২৬ ৰাঘঃ ৮।৪৭।৯। **যোগ ঃ** ব্ৰহ্ম, দং ১৫।২৭।৯ ঘঃ ১০।৫২।১৫। **কৰণ ঃ** তৈতিল। **জন্মত ঃ** মকৰৰাশি, শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, দেৱগণ কুম্ভীৰৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী বৃহস্পতি, বিংশোত্তৰী চন্দ্ৰৰ দশা, ৰাঘঃ ৮।৪৭।৯ যোৱাত দেৱাৰিগণ অষ্টোত্তৰী ৰাহু বিংশোত্তৰী মঙ্গলৰ দশা। **আদ্যঋতু হ’লে ঃ** সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** দক্ষিণত, ঘঃ ৬।৫৩।৪৯ যোৱাত পশ্চিমত। **যাত্ৰা ঃ** শুভ, অমৃতযোগ, পূৱত নাই, ঘঃ ৬।৫৩।৪৯ যোৱাত শুভ নক্ষত্ৰামৃত যোগ। **শুভকৰ্ম ঃ** বিবাদ (ৰাঘঃ ১১।৮ৰ পৰা ২।১২ৰ ভিতৰত কুম্ভ আৰু মীন লগ্নত সুতহিবুক যোগত), জাতকৰ্ম, নামকৰণ, নতুন কাপোৰ লোৱা, ৰত্নাদিধাৰণ, জলাশয়াৰম্ভ, নৌকাযাত্ৰা, গ্ৰহপূজা, শান্তিস্বস্ত্যয়ন, হালযাত্ৰা, গুটিসিঁচা,গছৰোৱা, ধানৰোৱা, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয়, ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** বেল ঘঃ ৬।৫৩।৪৯ যোৱাত নিমতিতা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** কৰ্ম তৎপৰতাৰ থাকিব। কিন্তু শৰীৰ ভালে নাযাব পাৰে। ব্যৱসায়ীসকল কোনো সম্ভাব্য যোগাযোগৰ বাবে চেষ্টা কৰি চাব পাৰে। প্ৰেমত মতবিৰোধ। বিদ্যাত উৎসাহ।

**বৃষ ঃ** উদ্বেগৰ মাজেৰে আপুনি কৰ্ম আৰু যোগাযোগ ৰক্ষা কৰিব পাৰিব। বিদ্যাৰ্থীৰ বাবে শুভাশুভ। কৰ্মসমন্ধীয় কামত কষ্টেৰে প্ৰগতি কৰিব।

**মিথুন ঃ** কোনো কাৰণত বৃদ্ধিদীপ্ত চুক্তি সম্পাদন কৰি উপকৃত হ’ব। বিদ্যাতো বেয়া নহ’ব। ব্যৱসায় বাণিজ্যত আয় বৃদ্ধিৰ কাৰকতা। শৰীৰ বিশেষ ভাল বুলি ক’ব নোৱাৰি। শুভ ৰং নীলা।

**কৰ্কট ঃ** আৰ্থিকত বাধা কম পাব। কিন্তু কোনোৱে কৰ্মস্থানত কেইটিমান দিশত চিন্তিত হ’ব পাৰে। বিদ্যাত শুভাশুভ ফল পাব। শৰীৰো মধ্যম।

**সিংহ ঃ** মাজে মাজে গভীৰ চিন্তাই জুমুৰি দি ধৰিব। কৰ্মস্থানত সচ্ছলতা নাথাকিব। শৰীৰ মধ্যম। দাম্পত্যত মজলীয়া প্ৰভাৱ পৰিব। কাকো কক্ষ ব্যৱহাৰ নকৰিব।

**কন্যা ঃ** আৰ্থিক দিশত ধনাত্মক হ’ব পাৰে। কৰ্মক্ষেত্ৰত দক্ষতা বৃদ্ধি পাব। ব্যৱসায়ত শুভ ফল পাব। বিদ্যাৰ্থীৰ কিছু বেমাজালি আহিব পাৰে।

**তুলা ঃ** আৰ্থিক দিশত প্ৰয়োজনীয় সম্পদাদিৰ বাবে খৰচৰ বাট ওলাব। ব্যৱসায়ীসকলৰ বাবে দিনটো বিশেষ শুভ নহ’ব। শত্ৰুৰ পৰা মিত্ৰ যোগাৰ আশা। বিয়া-বাৰুৰ সংযোগ।

**বৃশ্চিক ঃ** নিৰাশ কৰ্মচিন্তা, ভ্ৰমণাদিৰ যোগ থাকিব। কোনো অপৰাধীৰ কথাত মত অস্থিৰতা থাকিব। ব্যৱসায়ত প্ৰাপ্য ধন আদায়ৰ সুযোগ পাব।

**ধনু ঃ** অস্থিৰ চিন্তা বাদ দিয়াটো ভাল। চকুৰ আমনি দেখা যায়। কৰ্ম আৰু পাৰিবাৰিক ক্ষেত্ৰত শুভ ফল পাব। দাম্পত্যত সিমান আনন্দ নাথাকিব।

**মকৰ ঃ** কৰ্মস্থানত গতানুগতিক পৰিৱেশ বিৰাজ কৰিব। প্ৰাপ্য সুযোগ ব্যৱহাৰ কৰাত সাৱধান থকাটো ভাল। ভ্ৰমণত লাভজনক ফল কম।

**কুম্ভ ঃ** শিল্প কলাত পাৰদৰ্শিতা থাকিব। আৰ্থিক দিশত খৰচৰ পথ মুক্ত থাকিব। অংশীদাৰী ব্যৱসায়ত লাভৰ কবিতা।

**মীন ঃ** হাতত লোৱা কাৰ্যসূচীৰ সুস্থ সমাধান পাব। সুচিন্তা আৰু আপোনাৰ ভদ্ৰতাৰ বাবে অনুকূলতাৰ প্ৰভাৱ পেলাব। নতুন কোনো আশা পূৰণ হ’ব।

## শব্দ-বেহু ঃ ৩১ মে’ ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**
২। মন মাৰি থকা, বিমৰ্ষ, দুখ কৰি থকা (৬)
৭। উভৈনদী, পৰ্য্যাপ্ত পৰিমাণৰ (৬)
৯। অনিশ্চিত কিবা এটা, কোনো অজান বস্তু (৩)
১০। বুকুৰে চুঁচৰি গতি কৰা প্ৰাণী, সৰীসৃপ (৩)
১৩। বজাৰত পণ্যৰ চাহিদা আৰু মূল্য নিম্নগামী হোৱা, বেয়া (২)
১৪। ঠেক পথ, মূল পথৰ সংলগ্ন সৰু আলি (২)
১৬। উদ্বৃত্ত, খৰচ বা ব্যৱহাৰৰ পাছত ৰৈ যোৱা অংশ (২)
১৭। গড়, কোনো বস্তু কাটিবলৈ তলত পাৰি লোৱা কাঠ বা বাঁহৰ টুকুৰা (২)
১৮। অনাটন, দুৰ্লভ, পাবলৈ কঠিন (৩)
২২। ৰুচি জন্মাব পৰা, মুখত সোৱাদ দিয়ে যি (৩)
২৪। লোৱা আৰু দিয়া কাৰ্য্য, বিনিময়, অহা-যোৱা (৬)
২৭। ভাওনা আদিত বাদ্য বজোৱা আৰু গীত-পদ লগাই দিয়া লোকৰ দল (৬)

**থিয়কৈ ঃ**
১। কোনো বস্তুৰ জোখ, সন্মান (২)
২। আধা, সম্পূৰ্ণ হবলৈ বাকী (২)
৩। অনুভূতি, হৃদয়, মানুহৰ চিন্তা (২)
৪। আজান ফকীৰৰ দ্বাৰা ৰচিত দেহবিচাৰ মূলক অসমীয়া গীত (৩)
৫। মশক, তেজ খোৱা এবিধ সৰু পতংগ (২)
৬। মহাৰজা, সেনাদল আৰু ভূখণ্ডৰ অধিপতি (৩)
৮। নিয়ম,বিধি, কাম কৰাৰ ধৰণ (৩)
১০। পিছপিনৰ অত্যাধিক ভৰত আগফাল দাং খোৱা (৩)
১১। ৰাজহুৱা কামৰ বাবে ৰাইজে দিয়া ধন, বৰঙনি (২)
১২। অপৰাধ, দায় (৩)
১৩। নাৰী, তিৰোতা, মাইকী মানুহ (৩)
১৫। ৰদ, যিটো অগ্ৰাহ্য কৰা হৈছে (৩)
১৭। গোটা তামোলৰ চাৰিটাৰ সমষ্টি (২)
১৯। কিটিপ, কৌশল, সমাধা কৰা বুদ্ধি (৩)
২০। থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া (৩)
২১। ঢাকোন, সাঁফৰ, যিহেৰে ঢকা হয় (৩)
২৩। স্বামী-স্ত্ৰীৰ পৰস্পৰৰ মাজত উপজা সন্দেহ (২)
২৪। উপাৰ্জন, আৰ্জন, লাভালাভ (২)
২৫। প্ৰতিদান আশা নকৰাকৈ কাৰোবাক কিবা এটা দিয়া কাৰ্য্য (২)
২৬। শিৱৰ এজন অনুচৰ বা পাৰিষদ, ভৃংগীৰ পৰিপূৰক (২)

**উত্তৰ অহা সংখ্যাত**

**৩০ মে সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ১। হস্তশিল্প ৫। কচাই ৬। নষ্ট ৭। কলং ৮। মন্দিৰ ৯। কনকলতা ১০। মস্ত ১২। পাষাণ ১৫। পদক ১৬। খাৰ ১৮। পৰমপদ ১৯। মৰদ ২০। লেহুকা ২২। বাণ ২৩। গ্ৰহণ ২৪। ধনবল
**থিয়কৈ ঃ** ১ । হৰেক ২। শিলাংকণ ৩। মইমতালি ৪। অষ্ট ৫। কথাকলি ৬। নৰম ১১। স্তৱক ১২। পাংখা ১৩। আপদগ্ৰস্ত ১৪। আমৰণ ১৫। পদলেহন ১৭। ৰমণ ২১। কাবিল ২২। বাজি

অসম চৰকাৰ

## কৃতজ্ঞতা

**ক’ভিড-১৯ৰ টীকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।**

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি | ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|---|---|
| লক্ষ্মণ প্ৰসাদ | ৫০০০ টকা | চন্দন শৰ্মা | ১৫,০০০ টকা |
| পুতুল গগৈ | ৩০০০ টকা | যতীন্দ্ৰ নাথ কলিতা | ৫০,০০০ টকা |
| দেবেন্দ্ৰ নাথ বসুমতাৰী | ৫৫,৫৫৫ টকা | বি.আৰ. ট্ৰেঞ্চকন লিঃ | ৫,০০,০০০ টকা |
| ভূপেন পাটোৱাৰী | ১০০০ টকা | দেৱজিৎ সৌম | ২৫,০০০ টকা |
| সুশীল ভূষণ | ২৫০০ টকা | মল্লিকা মেধি | ৩০,০০০ টকা |
| তপন কলিতা | ৮০২ টকা | চৌধুৰী হাবিব মহম্মদ | ৫,০০,০০০ টকা |
| তৰুলতা দাস | ৫০০০ টকা | বাপন কলিতা | ৫০,০০০ টকা |
| কনক দাস | ৫০০০ টকা | এন.ই. ইলেক্ট্ৰিক মাৰ্চেণ্ট এছচিয়েছন | ১,১১,১১১ টকা |
| সুৰেশ ট্ৰেডিং কোঃ | ১০০০ টকা | হিৰণময় ৰাভা | ২০০০ টকা |
| ধনপালি মালী | ৫০১ টকা | পেৰাডাইছ বণ্ডেড ওৱেৰহাউছ প্ৰাঃলিঃ | ৫,০০,০০০ টকা |
| অঞ্জলি সেনগুপ্তা | ১০০০ টকা | এ ৰে অব হো’প ছচাইটি | ৫০,০০০ টকা |
| পংকজ শ্যাম | ৫০০ টকা | শেৱালি বৰদলৈ ফুকন | ১,০০,০০০ টকা |
| ৰুহুল আমিন | ১০০১ টকা | সত্যবানেন্দু ৰয় | ৫০০০ টকা |
| গোবিন্দ কুমাৰ | ৪০০০ টকা | অল্পনা ৰয় | ৫০০০ টকা |
| অৰ্পন শৰ্মা | ৮০০০ টকা | টেক্স বাৰ এচোছিয়েছন | ২,০১,০০০ টকা |
| দীন কুমাৰ নাথ | ৬০০ টকা | অবিনাশ জৈন আৰু অন্যান্য | ২,৫০,০০০ টকা |
| অনিমা দেৱী | ৫০০০ টকা | বিনোদ কুমাৰ জৈন | ২,৫০,০০০ টকা |
| বলেন্দ্ৰ কুমাৰ দেৱচৌধুৰী | ৫০০০ টকা | বুবুল বৰা | ১৫,০০০ টকা |
| অজিত মোহন দাস | ১০০১ টকা | জয়ন্ত ভাগৱতী | ১১,০০০ টকা |
| দেবজিৎ নাথ | ১২০০ টকা | ভূপতি ডেকা | ১১,০০০ টকা |
| অমৰলাল দাস | ৫০১১ টকা | বাইহাটা চাৰিআলি বি এড কলেজ | ৫১,০০০ টকা |
| বিশ্বজিৎ ভূঞা | ১২০১ টকা | কমলা কান্ত বৰা | ৫০,০০০ টকা |
| লক্ষ্মী নাৰায়ণ | ১০০১ টকা | ভবেন বৰ্মন | ৫০,০০১ টকা |
| অতুল বৰঠাকুৰ | ২৪০০ টকা | মুকুট শৰ্মা | ৫০০০ টকা |
| পৱন কুমাৰ চন্দা | ২০০০ টকা | চিএচ ইনফ্ৰা | ১,০০,১০০ টকা |
| মুকুট ৰাভা | ৯৯ টকা | হিমাংশু তালুকদাৰ | ৫০,০০১ টকা |
| সীতুসিং হাজং | ১০,০০০ টকা | সৰ্বানন্দ বৈশ্য | ১০,০০০ টকা |
| দীপক কুমাৰ শৰ্মা | ২০০০ টকা | শ্ৰী বজৰং ইনফ্ৰাকন প্ৰাঃলিঃ | ৫১,০০০ টকা |
| ওৰনা কান্তা কান্তা | ৫০০০ টকা | ধ্ৰুৱজ্যোতি কাকতি এণ্ড শৰণ্য স্নেহম কাকতি | ১,০০,০০০ টকা |
| নৱদীপ দাস | ২০০০ টকা | প্ৰদীপ কলিতা | ১,৫১,০০০ টকা |
| মনোতোষ দেৱ | ৫০০০ টকা | গংগাধৰ দাস | ১০,০০০ টকা |
| সঞ্জীৱ কুমাৰ দাস | ৯৯৯ টকা | নিৰ্মল কুমাৰ গাৰদিয়া | ২১,০০০ টকা |
| নন্দনবন ৰিজৰ্ট | ৩০০০ টকা | প্ৰাণেশ্বৰ শৰ্মা | ১১,০০০ টকা |
| সুব্ৰত কুমাৰ দে | ১০০১ টকা | পীতৰাম কেদিয়া | ৫১,০০০ টকা |
| আবুবক্কৰ ছিদ্দিকী | ১০,০০০ টকা | মুকুতা ডেকা | ৩০,০০০ টকা |
| জাদিদ হুছেইন | ১০০০ টকা | অজয় কুমাৰ গুপ্তা | ২,৫০,০০০ টকা |
| নকুল চন্দ্ৰ বৰুৱা | ৩০,০০০ টকা | প্ৰদীপ কুমাৰ দাস | ১৫,০০০ টকা |
| সুশীল চন্দ্ৰ বৰঠাকুৰ | ৫০০০ টকা | মোহন চন্দ্ৰ দাস | ১৫,০০০ টকা |
| গায়ত্ৰী বৰঠাকুৰ | ৫০০০ টকা | উপ-সভাপতি/সাধাৰণ সম্পাদক কোষাধ্যক্ষ, বি.ইউ.এছ.চি.ইউ. এফ.টি.এ. | ২৫,০০০ টকা |
| মানস তালুকদাৰ | ১০০০ টকা | ওম প্ৰকাশ খাণ্ডেৱাল | ৩,০০,০০০ টকা |
| সুজিত কুমাৰ পাল | ১০০০ টকা | মধুৰাম ডেকা | ৫০,০০০ টকা |
| শশাংক শেখৰ | ১০০১ টকা | ব্ৰজেন দাস | ১,০০,০০০ টকা |
| দক্ষিণ কামৰূপ ক্ৰীড়া সন্থা | ১০,০০০ টকা | লতিফ আহমেদ | ৫০,০০০ টকা |
| প্ৰদীপ কুমাৰ শৰ্মা | ১১১১ টকা | চাইদুল ইছলাম | ৫০,০০০ টকা |
| মধুসুদন ভট্টাচাৰ্য | ৬০০ টকা | দীপক কুমাৰ, আসাম চিল্ক হাউচ্ | ২,০০,০০০ টকা |
| সৌভিক দাস | ১০০০ টকা | কৃষ্ণ কান্ত দাস | ৫০,০০০ টকা |
| অনিল কুমাৰ শইকীয়া | ২০০০ টকা | প্ৰবীৰ পাল | ৫০,০০০ টকা |
| সুপ্ৰতীম দাসগুপ্তা | ১০০০ টকা | মৌচুমী বৰুৱা | ১০,০০০ টকা |
| মঞ্জুলা শইকীয়া | ২০০০ টকা | খলিল উদ্দিন মজুমদাৰ | ১,০০,০০০ টকা |
| বিভাস কুমাৰ নাথ | ২০০০ টকা | মুৰলিধৰ জালান ফাউণ্ডেশ্বন | ৫,০০,০০০ টকা |
| বিৰিঞ্চি কুমাৰ নাথ | ৫০০০ টকা | মেচাৰ্চ এফএম ব্ৰিকচ্ ইণ্ডাষ্ট্ৰী | ১,০৫,০০০ টকা |
| অপৰ্ণা তালুকদাৰ | ৫০০০ টকা | বীৰেন্দ্ৰ চৌধুৰী,মেৰিডিয়ান কিয়া (কেবিএছচি অ’টো প্ৰাঃলিঃ) | ৯,০০,০০০ টকা |
| ৰামধেনু কষ্ট্ৰাকছনছ | ২১,০০০ টকা | জেকেএম ইনফ্ৰা ওৱাৰ্ক এলএলপি | ১২,০০,০০০ টকা |
| আনন্দ চৰণ ভূঞা | ১০,০০০ টকা | বীৰ কুমাৰ চেত্ৰী | ২০০০ টকা |
| অনিতা দে | ৫০০০ টকা | অনন্ত কালৱাৰ | ১০,০০০ টকা |
| দেৱজ্যোতি দত্ত | ১০০ টকা | অসম টি এমপ্লইজ প্ৰভিডেণ্ট ফাণ্ড অৰ্গেনাইজেশ্বন | ২,৫০,৫০১ টকা |
| দক্ষিণ বৰসজাই মৈদাম দূৰ্গা মন্দিৰ পৰিচালনা সমিতি | ৫০,০০০ টকা | দা চামংগ টি কোঃলিঃ | ১,০০,০০০ টকা |
| হেমন্ত কুমাৰ ৰাভা | ২০,০০০ টকা | দিলীপ কুমাৰ কলিতা | ২০,০০১ টকা |
| মিতালী মাগাৰ | ২০,০০০ টকা | নীলিম ডেকা | ২,৫০,০০০ টকা |
| গৌতম দাস | ৫০,০০০ টকা | চি.ই.এম. এনচি হিলচ্ অটোন’মাছ কাউন্সিল | ৬,০০,০০০ টকা |
| দিলীপ শইকীয়া | ১,৩২,০০০ টকা | ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিঃ | ১০০০০০০০ টকা |
| সুজিত বাগলাৰী | ২০,০০০ টকা | | |
| কৌশিক শৰ্মা | ১৫,০০০ টকা | | |
| গৌৰৱ শৰ্মা | ১৫,০০০ টকা | | |
| ৰিজু শৰ্মা | ৫০০০ টকা | | |

জনসংযোগ/ডি/৬৪১/২১

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
35969660230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Follow Us /@diprassam | https://dipr.assam.gov.in/

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৩১ মে’, ২০২১ সোমবাৰ পৃষ্ঠা তিনি

## গোলাঘাট অসামৰিক চিকিৎসালয় কৰ্তৃপক্ষৰ চূড়ান্ত হেমাহিৰ অভিযোগ বিধায়ক শইকীয়াৰ

### মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰীৰ তদন্তৰ নিৰ্দেশ

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ৩০ মে’ ঃ** গোলাঘাট ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসাৰ ক’ভিড চিকিৎসালয়ত সৰ্বসাধাৰণ ৰাইজৰ চিকিৎসা সেৱাৰ ক্ষেত্ৰত হেমাহি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই অভিযোগ উত্থাপন কৰিছে স্বয়ং খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই। উল্লেখ্য যে খুমটাই সমষ্টিৰ বৰকাঠনি ক’ভিড পৰীক্ষা কেন্দ্ৰত ৰূপেশ্বৰী লাহন নামৰ এগৰাকী ৭১ বছৰীয়া বৃদ্ধা আৰু পুত্ৰৰ দেহত ক’ভিড বীজাণু ধৰা পৰাত ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



## একাংশ লোকৰ মাজতহে সামগ্ৰী বিতৰণ কৰিলে বিধায়কে

# কণ্টেইনমেণ্ট জ’নত লাভ কৰা নাই খাদ্য সামগ্ৰী



কাজলগাঁৱত ‘হেণ্ডগ্ৰেণেড’ বুলি লিখা পেকেটক লৈ আতংক, দেওবাৰে।

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৩০ মে’ ঃ** কোৱাৰেণ্টাইন জ’নত খাদ্য সামগ্ৰী যোগান নধৰাৰ অভিযোগ উত্থাপিত হৈছে ডিব্ৰুগড়ৰ বিভিন্ন প্ৰান্তত। ডিব্ৰুগড় জিলাৰ মৰাণ বিধানসভা সমষ্টিৰ অন্তৰ্গত লেজাই অঞ্চলৰ গাতে লাগি থকা দুখন গাঁও ক্ৰমে জগোবন গাঁও আৰু লেজাই বৰুৱা গাঁৱৰ বহুকেইটা পৰিয়ালৰ ঘৰত কৰ’না পজিটিভ ধৰা পৰাত যোৱা ২৮ মে’ত দুয়োখন গাঁও কণ্টেইনমেণ্ট জ’নৰূপে ঘোষণা কৰিলে প্ৰশাসনে। জগোবন গাঁৱত ৮৫ আৰু লেজাই বৰুৱা গাঁৱত ১১৪ টা পৰিয়াল আছে। যিহেতু এইসকলে কেনিও ওলোৱা সোমোৱা কৰিব নোৱাৰে, সেয়েহে তেনে বাসিন্দাক দুহেজাৰ টকাৰ মূল্যৰ সাহায্য সামগ্ৰী দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰি তাক চৰকাৰে কাৰ্যকৰীও কৰিছে। কিন্তু এই গাঁও দুখনৰ ১৯৯ টা পৰিয়াল যোৱা ২৮ মে’ৰ পৰাই কণ্টেইনমেণ্ট জ’নত আবদ্ধ হৈ আছে, তেওঁলোকক কিন্তু আজি তিনিদিন ধৰি কোনো সাহায্য সামগ্ৰীৰ যোগান প্ৰশাসনে ধৰিব পৰা নাই। ঘটনাৰ সবিশেষ জানিবলৈ গাঁওখনলৈ যোৱা জ্যেষ্ঠ সাংবাদিক শৰৎ চন্দ্ৰ নেওগে লগে লগে দায়িত্বৰত মৰাণ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া লুকুমণি বৰাৰ লগত যোগাযোগ কৰাত তেওঁ কয় যে সামগ্ৰী কঢ়িওৱা গাড়ী স্থানীয় বিধায়কৰ লগত গাঁওখনলৈ গৈ আছে। ছয় পৃষ্ঠাত চাওক

## নগাঁৱত নিৰ্মীয়মান চিকিৎসা মহাবিদ্যালয়ত বিদ্যুৎস্পৃষ্ট হৈ শ্ৰমিকৰ মৃত্যু

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩০ মে’ ঃ** নগাঁও চহৰৰ সমীপৰ ম’হখুলিত নিৰ্মীয়মান নগাঁও চিকিৎসা মহাবিদ্যালয়ত আজি পুৱা কৰ্মৰত অৱস্থাত বিদ্যুৎস্পৃষ্ট হৈ এজন শ্ৰমিকৰ মৃত্যু হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত শ্ৰমিকজন নগাঁও জিলাৰ আমনিৰ বিজয় ওৰাং। ঘটনাৰ বিৱৰণী অনুসৰি বিজয় ওৰাঙে নিৰ্মাণকাৰ্য চলি থকা চিকিৎসা মহাবিদ্যালয়খনৰ চৌহদত পূৰ্বৰ দৰে আজিও কাম কৰি থকা অৱস্থাত হঠাৎ বিদ্যুতৰ তাঁৰত লাগি ধৰে। লগে লগে বিদ্যুৎস্পৃষ্ট হৈ শ্ৰমিকজনৰ মৃত্যু হয়। উক্ত ঘটনা সম্পৰ্কে চিকিৎসা মহাবিদ্যালয় কৰ্মৰত আন শ্ৰমিকসকলে নিৰ্মাণৰ কামত নিয়োজিত ঠিকাদাৰ কোম্পানীক খবৰ দিয়ে যদিও কোম্পানীৰ লোক কে’বা ঘন্টা পাৰ হৈ যোৱাৰ পাছতো ঘটনস্থলীত উপস্থিত নোহোৱাত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ক্ষোভিত শ্ৰমিকসকলে নিৰ্মাণকাৰ্য বন্ধ ৰখাৰ লগতে নিৰ্মাণকাৰ্য চলি থকা স্থানত অতি বিপদসংকূলভাৱে বিদ্যুতৰ তাঁৰ সংস্থাপন কৰাৰ অভিযোগ কৰে ঠিকাদাৰ কোম্পানীৰ বিৰুদ্ধে। পাছত ঘটনাৰ খবৰ পাই ইটাচালি টাউন আৰক্ষী চকীৰ এটা আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। আৰক্ষীয়ে প্ৰভাৱশালী ঠিকাদাৰ প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ’ব।

### বাৰ্মিজ চুপাৰিৰ সন্দৰ্ভত অব্যাহত আৰক্ষীৰ অভিযান

## বঙাইগাঁৱত ৫১ বস্তা চুপাৰি জব্দ জব্দকৃত চুপাৰি দেশীয় বুলি দাবী

**অগ্ৰদূত ব্যুৰ’**
**বঙাইগাঁও, ৩০ মে’ ঃ** বাৰ্মিজ চুপাৰিৰ বিৰুদ্ধে চিৰাং আৰু বঙাইগাঁও জিলাত অভিযান অব্যাহত আছে আৰক্ষীৰ। আজি বঙাইগাঁও জিলাৰ চৌৰাগুৰিত আৰক্ষীয়ে অভিযান চলাই এটা বাসগৃহৰ পৰা ৫১ বস্তা সন্দেহযুক্ত বাৰ্মিজ চুপাৰি জব্দ কৰে। চুপাৰিৰ বস্তাসমূহত থাইলেণ্ড লিখা থকাত আৰক্ষীয়ে বিদেশী বুলি জব্দ কৰে। আনহাতে, জব্দ কৰা চুপাৰিসমূহ দেশীয় চুপাৰি বুলি দাবী কৰিছে নাম প্ৰকাশত অনিচ্ছুক জনৈক হানিয়া উপাধিৰ ব্যৱসায়ীজনে। তেওঁ নিজে ঘৰতে কৰ্মচাৰী লগাই উৎপাদন কৰা চুপাৰিসমূহ সম্পূৰ্ণ থলুৱা বুলি দাবী কৰে। আনহাতে, স্থানীয় লোকসকলৰ লগতে ব্যৱসায়ীসকলে জব্দকৃত চুপাৰিখিনি থলুৱা বুলি দাবী কৰাৰ লগতে সেয়া তেওঁলোকে নিজে বনোৱাৰ প্ৰমাণ আছে বুলি কয়। চুপাৰি ভৰোৱা বস্তাসমূহ বজাৰৰ পৰাই কিনি অনা বুলিও দাবী কৰিছে তেওঁলোকে। অৱশ্যে আৰক্ষীৰ তদন্ততহে ওলাই পৰিব জব্দকৃত চুপাৰিসমূহ প্ৰকৃততে দেশীয় নে বিদেশী। উল্লেখ্য যে যোৱা ২২ মে’ৰ পৰা জিলা দুখনত বিদেশী বাৰ্মিজ চুপাৰিৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# কাজলগাঁৱত বোমা আতংক

### বোমা বিশেষজ্ঞই উদ্ধাৰ কৰিলে বালি

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ৩০ মে’ ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁৱত আজি বোমাতংকৰ সৃষ্টি হয়। জিলা সদৰ কাজলগাঁওস্থিত গাঁওবুঢ়া ভৱন আৰু জিলা ন্যায়িক আদালতৰ সন্মুখত কাজলগাঁও-বেংতল সংযোগী পথত এটা বোমা সদৃশ বস্তু প্ৰত্যক্ষ কৰাৰ পাছতে পুৱাৰে পৰা এই আতংকৰ সৃষ্টি হয়। লগে লগে ঘটনাস্থলীত উপস্থিত হয় জিলা আৰক্ষী অধীক্ষক গৌৰৱ উপাধ্যায়, জিলা সদৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰতাপ দাসসহ সেনাৰ দল। সেনা-আৰক্ষীয়ে প্ৰাথমিক পৰ্যবেক্ষণৰ পাছতে উক্ত বোমা সদৃশ সামগ্ৰীটো বোমা ঢকা ব্লেংকেট দি ঢাকি দিয়ে। বন্ধ কৰি দিয়ে কাজলগাঁও-বেংতল সংযোগী পথ। আৰম্ভ হয় শ্বাসৰুদ্ধকৰ এক আতংকৰ। কাৰণ বিটিআৰ চুক্তি স্বাক্ষৰ হোৱাৰ পাছত এনডিএফবিৰ আটাইকেইটা গোট মূলসুঁতিলৈ ঘূৰি অহাত শান্তি স্থাপন হয় যদিও এনডিএফবিৰ একাংশ সদস্যই আকৌ নতুনকৈ এনএলএফবি নামৰ এক উগ্ৰপন্থী সংগঠনৰ জন্ম দিছে। সংগঠনটোৱে ইতিমধ্যে আত্মপ্ৰকাশৰ পাছতে বিবৃতিযোগে কেইজনমান নেতাক ভাবুকি দিয়াৰ লগতে ঠায়ে ঠায়ে ধনদাবী কৰা পৰিলক্ষিত হয়। কে’বাজনো সদস্য বিভিন্ন ঠাইত গ্ৰেপ্তাৰো হৈছে। সেয়ে এই বোমা আতংকই গুৰুত্ব লাভ কৰে। পুৱা ঘটনাস্থলীত ছয় পৃষ্ঠাত চাওক

### হাতত ছেনিটাইজাৰ যন্ত্ৰ লৈ প্ৰাক্তন মুখ্যমন্ত্ৰী

## মহামাৰী ক’ভিডক জয় কৰাৰ সংকল্প চৰকাৰে ক্ষিপ্ৰতাৰে যুদ্ধ কৰিছে

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৩০ মে’ ঃ** নিৰ্বাচনী ভোট গণনাৰ পাছত প্ৰথমটো কাৰ্যসূচীত ডিব্ৰুগড়ত অংশগ্ৰহণ কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। নিজ গৃহ নগৰত প্ৰথমটো কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালে হাতত ছেনিটাইজাৰ যন্ত্ৰ লৈ ক’ভিড মহামাৰী সময়ত ডিব্ৰুগড়বাসীক সাৱধানে থাকি ক’ভিডক জয় কৰিবলৈ আহ্বান জনায়। গুৱাহাটীৰ পাছতে অত্যধিকভাৱে মহামাৰী ৰূপ ধাৰণ কৰা ডিব্ৰুগড়ত জিলাবাসীক অধিক সচেতন হ’বলৈ আহ্বান জনোৱাৰ লগতে হাতে ছেনিটাইজেছন কৰি মাস্ক বিতৰণ কৰে। বিজেপি অনুসূচিত জনজাতি মৰ্চাৰ উদ্যোগত আজি ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ অন্তৰ্গত চিৰিং ডাইনীজান গাঁও পঞ্চায়তৰ মানকটা হাতীমূড়াত ৰাজহুৱা প্ৰেক্ষাগৃহত কেন্দ্ৰীয় চৰকাৰৰ দ্বিতীয় বৰ্ষপূৰ্তি উপলক্ষে সেৱামূলক কাৰ্যসূচীত উপস্থিত থাকে সোণোৱালে। ক’ভিড বিধি আৰু সামাজিক দূৰত্ব বৰ্তাই ৰাখি আয়োজিত কেন্দ্ৰীয় চৰকাৰৰ সেৱামূলক কাৰ্যসূচী উদ্বোধন কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক’ভিড মহামাৰীৰ সংক্ৰমণৰ ছয় পৃষ্ঠাত চাওক

## চৰকাৰ-প্ৰশাসনৰ গা এৰা দিয়া মনোভাবে সলনি কৰিলে অসমৰ ভৌগোলিক মানচিত্ৰ

### সংবাদ মাধ্যমে উদঙাই দিয়াৰ পাছতহে গা লৰে প্ৰশাসন-আৰক্ষী-বন বিভাগৰ

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৩০ মে’ ঃ** অসম-নগালেণ্ড সীমা সমস্যা সম্প্ৰতি এক জটিল সমস্যালৈ গতি কৰিছে। যোৰহাট জিলাত শেহতীয়াকৈ এই সমস্যা ক্ৰমশঃ অধিক ভয়াবহ হৈ অহা পৰিলক্ষিত হৈছে। যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ অসম আৰু নগালেণ্ডৰ সীমান্তৰ সমগ্ৰ ঠাইতে এতিয়া নগাই উপদ্ৰৱ চলাইছে। প্ৰতিদিনেই অসমৰ মাটিত নগাই আগ্ৰাসন চলাই আহিছে। উচ্চতম ন্যায়ালয়ত সীমা বিবাদক লৈ গোচৰ চলি থকাৰ পৰিপ্ৰেক্ষিতত দুয়োখন ৰাজ্যকে স্থিতাৱস্থা বাহাল ৰাখিবলৈ দিয়া নিৰ্দেশকো অমান্য কৰি নগাই অসমৰ মাটিত চলাইছে ব্যাপক আগ্ৰাসন। অথচ বাধা দিওঁতা কোনো নাই। মৰিয়নিৰ ভবানীপুৰ, বালিজান, নাগাজাংকা, উদয়পুৰ, হোলোংগুৰি, মৰঙীয়াল, নাগিনীজান, মগ্ৰে, গাভৰু, ৰণখাম, আখৈদিছা আদি বহু অঞ্চলত নগাই আগ্ৰাসন চলোৱাৰ উপৰি অসমীয়া লোকৰ স’তে সংঘাতত লিপ্ত হৈ আহিছে। ইয়াৰ পাছতো কাণসাৰ নাই অসম চৰকাৰৰ। অগপ চৰকাৰৰ পাছতে ১৫ বছৰীয়া কংগ্ৰেছৰ শাসন আৰু পাঁচ বছৰীয়া বিজেপিৰ শাসনৰ দিনতো এই জ্বলন্ত সমস্যা সমাধানৰ বাবে কোনো ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা দেখা নগ’ল। অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত দিচৈ, দিচৈ ভেলী আৰু তিৰু হিলছ নামেৰে অসমৰ তিনিখনকৈ সংৰক্ষিত বনাঞ্চল আছে যদিও বৰ্তমান সেইকেইখনৰ অধিকাংশ মাটিয়েই নগালেণ্ডৰ দখলত আছে। নগৰৰ দখলত থকা উক্ত মাটি ভৱিষ্যতে কোনোদিনেই উদ্ধাৰ কৰাৰ সামান্যতম সম্ভাৱনাও নাই। অথচ নগালেণ্ডৰ আগ্ৰাসন ৰোধ কৰাৰ ক্ষেত্ৰতো গ্ৰহণ কৰা নাই কোনো দৃঢ় স্থিতি। আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ’ল সীমান্তৱৰ্তী অঞ্চলসমূহত চলি থকা নগালেণ্ডৰ ব্যাপক বেদখল প্ৰতিবাৰেই সংবাদ মাধ্যমেহে উদঙাই আহিছে। বন বিভাগ অথবা প্ৰশাসনৰ কোনো খবৰেই নাথাকে নগাৰ বেদখলৰ সম্পৰ্কত। প্ৰশ্ন হয় প্ৰকৃততে প্ৰশাসন অথবা বন বিভাগে বেদখলৰ খবৰ নাপায় নে পায়ো মনে মনে থাকে? শেহতীয়াকৈ দিচৈ ভেলী সংৰক্ষিত বনাঞ্চলৰ বালিজান পাহাৰত সংঘটিত মৰিয়নিৰ বিধায়ক তথা অসমৰ এজন জনপ্ৰতিনিধি ৰূপজ্যোতি কুৰ্মীৰ লগতে সংবাদ মাধ্যমৰ ছয় পৃষ্ঠাত চাওক

## অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হৰিচৰণ হালৈৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৩০ মে’ ঃ** নলবাৰী জিলাৰ পূব বালিতাৰা নিবাসী তথা নলবাৰী তথ্য আৰু জনসংযোগৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সহায়ক, সাংস্কৃতিক কৰ্মী, সুদক্ষ ফুটবল খেলুৱৈ তথা সমাজকৰ্মী হৰিচৰণ হালৈ (৬২)ৰ কালি সন্ধিয়া চিকিৎসাধীন অৱস্থাত নলবাৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেওঁৰ মৃত্যুত সমগ্ৰ বালিতাৰা অঞ্চলতে শোকৰ ছাঁ পৰে। হালৈয়ে ক’ভিডত আক্ৰান্ত হৈ যোৱা ১৩ মে’ত ছয় পৃষ্ঠাত চাওক

## সমাজকৰ্মী-অভিনেতা অমৃত চৌধুৰীৰ ক’ভিডত মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৩০ মে’ ঃ** দক্ষিণ কামৰূপৰ এসময়ৰ জনপ্ৰিয় অভিনেতা তথা বিশিষ্ট সমাজকৰ্মী ভি আই পি অঞ্চলৰ যোগীপাৰা নিবাসী অমৃত চৌধুৰী (৮৬)ৰ ক’ভিডত আক্ৰান্ত হৈ আজি জিএমচি হাস্পতালত মৃত্যু হয়। আজি পুৱাৰ ভাগত তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে বাসস্থান কাঁহিকুছি, যোগীপাৰাকে ধৰি বৃহত্তৰ আজাৰা অঞ্চলত শোকৰ ছাঁ বিয়পি পৰে। ভি আই পিৰ শ্যামভূমি হাইস্কুলৰ প্ৰতিষ্ঠাপক সভাপতি চৌধুৰীয়ে দৈৰ যৌতুক তালুকৰ সভাপতি, ৰাণী ভোলাগাঁও গাঁও পঞ্চায়তৰ সভাপতি, ভি আই পি আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতিৰ আসন ছয় পৃষ্ঠাত চাওক

## যমুনামুখত ঘৰৰ ভিতৰত অৰ্ধগলিত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৩০ মে’ ঃ** হোজাই জিলাৰ যমুনামুখ আৰক্ষী থানাৰ অন্তৰ্গত ৰেলৱে ষ্টেছনৰ সমীপৰ পালপাড়াত আজি ঘৰৰ ভিতৰত অৰ্ধগলিত এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। বলাই বাদ্যকৰ নামৰ লোকজন নিজ ঘৰত অকলশৰীয়াকৈ দীৰ্ঘদিনৰ পৰা বসবাস কৰি আহিছিল। যোৱা কেইটামান দিন ধৰি বলাইৰ ঘৰৰ দুৱাৰ বন্ধ থকাত চুবুৰীয়াৰ মনত সন্দেহ ওপজে। চুবুৰীয়াই ঘৰটোৰ ভিতৰফালে দৰ্জা লগাই থকা প্ৰত্যক্ষ কৰাৰ লগতে ঘৰৰ ভিতৰৰ পৰা বিকট গোন্ধ ওলোৱাৰ ছয় পৃষ্ঠাত চাওক

## শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ গাঞ্জাসহ ট্ৰাক জব্দ ঃ ধৃত দুই

**অগ্ৰদূত বাৰ্তা**
**দোতমা/ফকিৰাগ্ৰাম/শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ৩০ মে’ ঃ** ড্ৰাগছৰ বিৰুদ্ধে চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ সময়ত আজি গোসাঁইগাঁও মহকুমাৰ শিমুলটাপু আৰক্ষীয়ে ডামৰাপাৰাৰ সমীপত ৩১ গ ঘাইপথত তালাচী চলাই গাঞ্জা কঢ়িয়াই অনা এন এল-০১ এন-৪১৪৯ নম্বৰৰ এখন ট্ৰাকসহ দুজনক আটক কৰে। শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পল লাল হেমছেঙৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ঘাইপথত অভিযান চলাই ট্ৰাকখনক জব্দ কৰাৰ লগতে চালক মুকলেছুদ্দিন আৰু সহপৰিচালক ৰুহুল আমিনক আটক কৰে। দুয়োৰে ঘৰ হাইলাকান্দিত। পাছত ট্ৰাকখন থানালৈ আনি বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ কৰে। চালকজনে উল্লেখ কৰা মতে, ট্ৰাকখন গুৱাহাটীৰ পৰা বংগৰ শিলিগুৰিলৈ গৈ আছিল। ট্ৰাকখনৰ পৰা ৫১ টা গাঞ্জাৰ পেকেটৰ পৰা মুঠ ৫৭২ কিলোগ্ৰাম গাঞ্জা উদ্ধাৰ হৈছে। জব্দকৃত গাঞ্জাখিনিৰ বজাৰ ৫৭ লাখ ২০ হেজাৰ টকা বুলি আৰক্ষী সূত্ৰত প্ৰকাশ।

## অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিজয় বাহাদুৰ পাণ্ডেৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৩০ মে’ ঃ** তামুলপুৰ মহকুমাৰ কুমাৰীকাটাস্থিত খাদী আৰু গ্ৰামোদ্যোগ প্ৰতিষ্ঠান তামুলপুৰ আঞ্চলিক গ্ৰামদান সংঘৰ বয়োজ্যেষ্ঠ কৰ্মকৰ্তা তথা খাদী আৰু গ্ৰামোদ্যোগ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিজয় বাহাদুৰ পাণ্ডে ওৰফে বিজয় ভাই (৮৫)ৰ আজি মৃত্যু হয়। ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে বৰ্ষীয়ান গান্ধীবাদী নেতাজনৰ। উল্লেখ্য যে বৰ্তমানৰ বাগ্‌সা জিলাৰ অন্তৰ্গত ভূটান সীমান্তৱৰ্তী বৃহত্তৰ তামুলপুৰ ৰাজহ চক্ৰক সামৰি লৈ ১৯৬২ত চীনা যুদ্ধৰ অন্তিম পৰ্বত শান্তি সৈনিকৰ ৰূপত যিসকল গান্ধীবাদী সৰ্বোদয় কৰ্মী অসমলৈ আহিছিল তেওঁলোকৰ মাজৰ এজন আছিল পদ্মশ্ৰী ৰবীন্দ্ৰ নাথ উপাধ্যায় ওৰফে ৰবীন্দ্ৰ ভাই। তেওঁৰ নেতৃত্বত স্থানীয় সচেতন ব্যক্তিৰ সহযোগত ১০ খন গ্ৰামদানী গাঁওক সামৰি লৈ ১৯৬২ত কুমাৰীকাটাত গঠন কৰা হৈছিল ‘তামুলপুৰ আঞ্চলিক গ্ৰামদান সংঘ’। এই সংঘৰ গাণনিকৰূপে পাণ্ডে ওৰফে বিজয় ভাই নামৰ ব্যক্তিজনে বেনাৰসৰ পৰা ১৯৭৪তে আহি প্ৰয়াত ৰবীন্দ্ৰ ভাইৰ স’তে কুমাৰীকাটাত অৱস্থিত গ্ৰামদান সংঘত কাম কৰিবলৈ লৈছিল। পৰৱৰ্তী সময়ত ভাৰত চৰকাৰৰ খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ সহযোগত গ্ৰামদান সংঘৰ অধীনত আৰম্ভ হোৱা খাদী গ্ৰামোদ্যোগ বিদ্যালয়ৰ অধ্যক্ষৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। গান্ধীবাদী কৰ্মীৰূপে দীৰ্ঘকাল ধৰি কৰ্তব্য পালন কৰাৰ অন্তত গ্ৰামদান ছয় পৃষ্ঠাত চাওক

### ২৮ এপ্ৰিলৰ ভূমিকম্পৰ অভিকেন্দ্ৰিক স্থলত আতংক

## তৰাজান বঙালীত শুকাইছে পুখুৰী-কুঁৱা ঃ হাহাকাৰ ৰাইজৰ



**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৩০ মে’ ঃ** 28 এপ্ৰিলৰ ভূমিকম্পৰ অভিকেন্দ্ৰিক স্থল তৰাজান বঙালীত এতিয়া এক অভাৱনীয় পৰিস্থিতি। নৈত নাই পানী, খাল-পুখুৰী গৈছে শুকাই, কুঁৱাৰ পানীও উদং, যি সামান্য আছে সেয়াও হৈ পৰিছে বোকাময়। গভীৰ শংকা আৰু আতংকৰ মাজত জীৱন নিৰ্বাহ কৰিছে ভূমিকম্প অধ্যুষিত স্থলী হৈ পৰা এই তৰাজান বঙালী গাঁৱৰ গঞা। উল্লেখ্য যে ঢেকিয়াজুলি চহৰ নাপাওঁতেই গাধাজুলিস্থ ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা সাত কিলোমিটাৰ সোমাই গ’লে অসম-অৰুণাচল সীমাৰ সমীপত অৱস্থিত এই তৰাজান বঙালী গাঁও। শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত এই তৰাজান বঙালী গাঁওখন আজি কিছুদিনৰ পূৰ্বলৈকে এক অখ্যাত গাঁও হিচাপেই আছিল। আনকি জিলাবাসী জনসাধাৰণৰ মাজতো বিশেষভাৱে পৰিচিত নাছিল তৰাজান বঙালী গাঁও; কিন্তু এতিয়া দেশ-বিদেশৰ ছয় পৃষ্ঠাত চাওক

## অৱসৰপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মীকান্ত ৰায়ৰ মৃত্যু



**অগ্ৰদূত ব্যুৰ’**
**বঙাইগাঁও, ৩০ মে’ ঃ** বঙাইগাঁৱৰ বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ, ক্ৰীড়াবিদ তথা বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মীকান্ত ৰায় (৮৪)ৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি ঘটে। উল্লেখ্য যে যোৱা দেওবাৰে নিশা চহৰখনৰ কনকলতা পথস্থিত নিজ গৃহত ব্ৰেইন ষ্ট্ৰ’কত আক্ৰান্ত হোৱাত লগে লগে তেওঁক উত্তৰ বঙাইগাঁৱৰ এখন ব্যক্তিগত নাৰ্ছিংহোমত ভৰ্তি কৰা হয়। কিন্তু পিছদিনা উন্নত চিকিৎসাৰ বাবে নিশাৰ ভাগত গুৱাহাটীৰ জিএনআৰচিলৈ নিয়ে। ইয়াতে চিকিৎসাধীন অৱস্থাত যোৱা নিশা ছয় পৃষ্ঠাত চাওক

## অক্সিজেনযুক্ত আইচিইউৰ নিৰ্মাণকাৰ্য ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ



### শিৱসাগৰত জিলাৰ অভিভাৱক মন্ত্ৰী শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপায়ুক্তৰ স’তে ক’ভিড চিকিৎসালয় পৰিদৰ্শন

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৩০ মে’ ঃ** অসম চৰকাৰৰ শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি শিৱসাগৰ জিলা ভ্ৰমণ কৰে। ভ্ৰমণকালত শিক্ষামন্ত্ৰীয়ে উপায়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ জিলা উপায়ুক্ত বিষ্ণু কমল বৰাৰ স’তে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় যেনে জিলাখনৰ ক’ভিড-১৯ ব্যৱস্থাপনা, খহনীয়া ৰোধ তথা সাম্ভাব্য বানপানী সন্দৰ্ভত গ্ৰহণ কৰা ব্যৱস্থাৱলী সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। উক্ত আলোচনাত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, থাওৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰী, আৰক্ষী অধীক্ষক ৰাকেশ ৰৌশন, জিলা স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ স্যমন্ত মাধৱ শৰ্মা, বিদ্যালয়সমূহৰ পৰিদৰ্শক কমল জ্যোতি গগৈ আৰু শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰ জ্যোতি মহন্ত উপস্থিত থাকে। শিক্ষা মন্ত্ৰীয়ে ক’ভিড-১৯ ব্যৱস্থাপনা আলোচনা কৰা কালত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত বৰ্তমানে নিৰ্মীয়মান অৱস্থাত থকা অক্সিজেনযুক্ত আইচিইউৰ নিৰ্মাণকাৰ্য ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ চাহ বাগিচা অঞ্চলত চলি থকা ক’ভিড-১৯ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী সম্পৰ্কেও বুজ লয়। তেওঁ ক’ভিড-১৯ পৰীক্ষণ ক্ষীপ্ৰতৰ কৰি তুলিবলৈ আহ্বান জনাই কয়, ‘বহুলভাৱে ক’ভিড পৰীক্ষণ কৰাই ক’ভিড-১৯ত আক্ৰান্ত ৰোগী ছয় পৃষ্ঠাত চাওক

## হাউলীত ড্ৰাগছসহ তিনিজনক আটক



**হাউলী, ৩০ মে’ ঃ** সমগ্ৰ ৰাজ্যত অসম আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ হাতত লৈছে। বৰপেটা জিলাৰ হাউলীত কালি ড্ৰাগছ ব্যৱসায়ৰ বিৰুদ্ধে হাউলী আৰক্ষীয়ে অভিযান চলায়। হাউলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অভিজিৎ বৰুৱাৰ নেতৃত্বত চলা অভিযানত তিনি ড্ৰাগছ ব্যৱসায়ীক আটক কৰে। আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি কালি সন্ধিয়া পাঁচ বজাত হাউলীৰ ‘মানাস কন্যা’ ধাবাৰ সমীপত প্ৰথমে ড্ৰাগছসহ বৰপেটাৰোডৰ ফজল আলী আৰু শ্বহিদুল ইছলামক আটক কৰে। ধৃত দুই ড্ৰাগছ ব্যৱসায়ীৰ স্বীকাৰোক্তিৰ ভিত্তিতে নিশাই বাক্সা ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, সোমবাৰ ১৬ জেঠ ১৪২৮ ভাস্কৰাব্দ ৩১ মে', ২০২১



## অধিনিয়ম কেতিয়া ?

**যোৱা** শুকুৰবাৰে কেন্দ্ৰীয় চৰকাৰে এক ৰাজপত্ৰিত জাননীৰ জৰিয়তে গুজৰাট, ছত্তিছগড়, ৰাজস্থান, হাৰিয়ানা আৰু পঞ্জাবৰ ১৩খন জিলাৰ উপায়ুক্ত তথা জিলাধিকাৰীসকলক পাকিস্তান, আফগানিস্তান আৰু বাংলাদেশৰ পৰা ভাৰতলৈ অহা সংখ্যালঘুসকলক নাগৰিকত্ব প্ৰদানৰ অধিকাৰ দিছে। যোৱা ২০১৮তো ছত্তিছগড়, মধ্যপ্ৰদেশ, গুজৰাট, ৰাজস্থান, উত্তৰ প্ৰদেশ আৰু দিল্লীৰ জিলা উপায়ুক্ত আৰু গৃহ সচিবসকলক একেদৰেই ওপৰত উল্লেখ কৰা সংখ্যালঘু সম্প্ৰদায়ক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ কৰ্তৃত্ব দিয়া হৈছিল। বৰ্তমানৰ অধিনিয়মৰ ভিত্তিতেই এওঁলোকক নাগৰিকত্ব প্ৰদানৰ কথা কোৱা হৈছে।

নাগৰিকত্ব সংশোধনী আইনৰ অধীনত কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় অধিনিয়ম প্ৰস্তুত হৈ নুঠা বাবেই এনেদৰে জাননী জাৰি কৰিবলগীয়া হৈছে। চুবুৰীয়া আফগানিস্তান, পাকিস্তান আৰু বাংলাদেশৰ পৰা আহি ভাৰতীয় নাগৰিকত্ব ল'বলৈ বিচৰা হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চি আৰু খ্ৰীষ্টানসকলক নাগৰিকত্ব প্ৰদানৰ বাবে ৰাজপত্ৰিত জাননীযোগে ওপৰত উল্লেখ কৰা জিলাসমূহৰ উপায়ুক্তক কৰ্তৃত্ব দিয়া হৈছে। এই জাননী নাগৰিকত্ব আইন, ১৯৫৫ৰ ১৬ নম্বৰ অনুচ্ছেদে অৰ্পণ কৰা ক্ষমতা প্ৰয়োগ কৰি দিয়া হৈছে অথবা এই আইনৰ অধীনত পঞ্জীয়নৰ বাবে পাঁচ নম্বৰ অনুচ্ছেদ আৰু নিউট্ৰেলাইজেছনৰ বাবে ছয় নম্বৰ অনুচ্ছেদত ব্যৱস্থা আছে। লক্ষণীয় এয়ে যে এই কেইখন ৰাজ্যক নাগৰিকত্ব সংশোধনী আইন, ২০১৯ আইন প্ৰয়োগ কৰি নাগৰিকত্ব প্ৰদানৰ অধিকাৰ দিয়া হোৱা নাই কাৰণ এই আইনৰ অধীনত কোনো অধিনিয়ম এতিয়ালৈকে প্ৰস্তুতেই কৰা হোৱা নাই। এই মাহটোৰ প্ৰথম ভাগত কেন্দ্ৰীয় চৰকাৰে তৃতীয়বাৰৰ বাবে সংশোধিত নাগৰিকত্ব আইনৰ অধীনত অধিনিয়মসমূহ নিৰ্ণয়ৰ বাবে তৃতীয়বাৰলৈ সময় বিচাৰিছিল সংসদৰ পৰা। ক'ভিড-১৯ৰ বাবেই এই আইনৰ অধীনত অধিনিয়মসমূহ থিৰাং কৰিব পৰা নাই বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বছৰৰ আৰম্ভণিতেই কৈছিল যে দেশৰ সকলোতে প্ৰতিষেধক প্ৰদানৰ পাছতহে সংশোধিত নাগৰিকত্ব আইনৰ বাবে প্ৰয়োজনীয় অধিনিয়মসমূহ চূড়ান্ত কৰা হ'ব।

উল্লেখ্য যে বিতৰ্কিত এই নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৯ৰ ডিচেম্বৰত সংসদত গৃহীত কৰা হৈছিল আৰু ২০২০ৰ জানুৱাৰীত এই আইনৰ জাননী দিয়া হৈছিল। সাধাৰণতে সংসদত এখন বিধেয়ক গৃহীত হোৱাৰ ছমাহৰ ভিতৰত ইয়াৰ অধিনিয়ম বলবৎ কৰা হয়। যাৱতীয় যিকোনো অধিনিয়ম, উপবিধি আদি বিধেয়ক গৃহীত হোৱাৰ ছমাহৰ ভিতৰত জাননী দিয়াটো সংসদীয় হাতপুথিত উল্লেখ আছে। যদিহে চৰকাৰে ছমাহৰ ভিতৰত কোনো অধিনিয়ম, উপবিধি আদি প্ৰকাশ কৰিব নোৱাৰে তেনেহ'লে চৰকাৰে কমিটি অন ছাবৰ্ডিনেট লেজিছ্লেচনৰ পৰা যথাযথ কাৰণ দৰ্শাই সময় বিচাৰিব লাগে।

ক'ভিড মহামাৰীৰ বাবেই চৰকাৰে সংশোধিত নাগৰিকত্ব আইনৰ অধিনিয়ম প্ৰস্তুত কৰিব পৰা নাই বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। আনহাতে, যদিহে নাগৰিকত্ব আইন, ১৯৫৫ৰ অধীনতেই জিলাধিকাৰী অথবা ৰাজ্যৰ গৃহ সচিবসকলে চুবুৰীয়া দেশৰ পৰা অহা সংখ্যালঘু লোকক নাগৰিকত্ব দিব পাৰে তেনেহ'লে এই আইন সংশোধনৰ প্ৰয়োজন কি আছিল প্ৰশ্ন উত্থাপিত হৈছে। এই বিতৰ্কিত আইনখন তেনেহ'লে শাসক দলে ৰাজনৈতিক লাভালাভৰ লক্ষ্যৰে সংসদত গৃহীত কৰিছিল নেকি বুলিও বিৰোধীয়ে প্ৰশ্ন উত্থাপন কৰিছে।

সি যি কি নহওক, কেন্দ্ৰীয় চৰকাৰে সংশোধিত নাগৰিকত্ব আইনৰ অধিনিয়মসমূহ কেতিয়ালৈ প্ৰস্তুত কৰি জাননী জাৰি কৰে সেয়া লক্ষণীয় হ'ব।

# অন্নদাতাৰ কথা ভাবোতা নাই

## অসম চলি থাকে আমদানিৰ ওপৰত



দৃষ্টিপাত



অনন্ত কলিতা

**কেন্দ্ৰীয়** চৰকাৰৰ কৃষক স্বাৰ্থবিৰোধী আইন তিনিখনৰ প্ৰত্যাহাৰৰ দাবীত কৃষকসকলৰ আন্দোলনে যোৱা ২৬ মে'ত ছমাহ সম্পূৰ্ণ কৰিছে। সমগ্ৰ ভাৰততে আন্দোলনকাৰী কৃষকসকলৰ আহ্বানত গণতান্ত্ৰিক জনসাধাৰণে ২৬ মে'ৰ দিনটো 'ক'লা দিন' হিচাপে পালন কৰিলে। এই আইন তিনিখনে দেশৰ কৃষকসকলক শোষণ কৰাৰ বাধাহীন লাইচেঞ্চ দিছে দেশী-বিদেশী বৃহৎ পুঁজিপতিসকলক। বিশেষকৈ কৃষকসকলে ন্যূনতম সহায়ক মূল্যত কৃষি পণ্য বিক্ৰী কৰাৰ যি আইনগত সুৰক্ষা আছিল সেইটোৰো বিলুপ্তি ঘটাই বৃহৎ পুঁজিপতিসকলে নিৰ্ধাৰণ কৰা দামত কৃষিপণ্য বিক্ৰী কৰাৰ বাবে আই) কৰি দিছে। যোৱা ছমাহ ধৰি এই তিনিখন আইন ব্যৱহাৰৰ দাবীত দেশৰ কৃষকসকলে নজিৰবিহীন লাগাতাৰ আন্দোলন চলাই আছে। আন্দোলনকাৰী কৃষকসকলৰ দাবী মানি ল'লে চৰকাৰৰ কোষাগাৰৰ অৰ্থ ব্যয়ৰ কোনো প্ৰশ্ন নাই। ইয়াৰ দ্বাৰা চৰকাৰৰ কান্ধত বিৰাত আৰ্থিক বোজাও নপৰে। তথাপি চৰকাৰে পুঁজিপতিৰ স্বাৰ্থৰ ৰক্ষাৰ্থে দেশৰ কৃষকসকলৰ স্বাৰ্থৰ বিৰুদ্ধে তেওঁলোকৰ ৰোজগাৰৰ পথ বন্ধ কৰিবলৈ স্বাধীনতাৰ ৭৪ বছৰ পাছত এই তিনিখন আইন প্ৰণয়ন কৰিছে। মূল লক্ষ্য হ'ল আদানি আমুলিসকলৰ নিচিনা বৃহৎ কৰ্পৰেটৰ হাতত কৃষি অৰ্থনীতিৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ তুলি দিয়া। কৰ্পৰেট নিয়ন্ত্ৰিত কৃষিত কৃষকসকলৰ যাৱতীয় অধিকাৰ সম্পূৰ্ণৰূপে বাঢ়ি গৈ গৈ তেওঁলোকক কৰ্পৰেটৰ হাতৰ পুতলাত পৰিণত কৰিব। কৃষকৰ স্বাৰ্থ নহয়, আ স্বাৰ্থ নহয়. মোদী চৰকাৰে কৰ্পৰেট স্বাৰ্থক সৰ্বোচ্চ অগ্ৰাধিকাৰ দি দেশৰ অন্নদাতাসকলক ৰাস্তাত বহুৱাই দিছে। কৰ্পৰেট স্বাৰ্থক অগ্ৰাধিকাৰ দিয়ে যোৱা ছমাহে আন্দোলনকাৰী কৃষকসকলৰ দাবী মানি লবলৈ অস্বীকাৰ কৰিছে। দেশৰ সমস্ত কৃষক সংগঠনে ২৬ মে'ৰ দিনটো 'ক'লা দিন' হিচাপে পালন কৰাৰ আহ্বান দিছিল। দেশৰ ১২টা প্ৰধান বিৰোধী দলেও কৃষকসকলৰ এই 'ক'লা দিন' পালনক সমৰ্থন আগবঢ়াইছিল। সমগ্ৰ দেশতে কৃষকসকলে কৰ'নাৰ প্ৰট'কল মানি লৈ ক'লা দিন সাফল্যমণ্ডিতভাৱে পালন কৰিছে। এই ক'লা দিৱসৰ পটভূমিত অসমৰ কৃষকসকলেও তেওঁলোকৰ উৎপাদিত শস্যৰ প্ৰকৃত মূল্য দূৰৰ কথা উৎপাদনৰ খৰচৰ আধা অংশও নাপাই কেনেকৈ নিঃস্ব হৈ পৰিছে সেই বিষয়টো এক আলোচনা আগবঢ়ালো।

অসম বিধানসভাৰ নিৰ্বাচন হৈ গ'ল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে যে ভাৰতৰ পাঁচখন উন্নত ৰাজ্যৰ ভিতৰত অসমো এখন হ'ব। অৰ্থনৈতিকভাৱে কেনে ধৰণৰ নীতি গ্ৰহণ কৰি অসমৰ অৰ্থনৈতিক উন্নয়ন ঘটাই অসমক অতি উন্নত ৰাজ্য কৰে সেয়া চৰকাৰখনে। বৰ্তমান কাগজ কল কেইটাকে ধৰি ৰাজ্যৰ সকলোবোৰ ৰাজহুৱা উদ্যোগ বন্ধ। অসম মুঠতে চলি থাকে আমদানিৰ ওপৰত। সকলো উপভোক্তাৰ সামগ্ৰীৰে আমদানি কৰে। দাইল, চাউলকে ধৰি প্ৰায় কৃষিজাত সামগ্ৰীবোৰো আমদানি কৰে। অসমীয়া মানুহ নিষ্কৰ্মা বা অসমত উৎপাদন কৰাৰ সুবিধা নাই কিবা এটা হ'ব। ৰাজ্যৰ বাহিৰৰ উৎপাদনকাৰীসকলৰ বাবে অসম এখন বৃহৎ বজাৰ। অসম যদি আত্মনিৰ্ভৰ হৈ যায় দেশৰ বিভিন্ন পুঁজিপতিকে ধৰি বিভিন্ন ব্যৱসায়ীৰ ব্যৱসায় বহু শতাংশ হ্ৰাস পাব। পুৱাৰ পৰা আমি দিনটোৰ ভিতৰত যিমানবোৰ সামগ্ৰী কিনো প্ৰায় ৮০ৰ পৰা ৯০ শতাংশ আমদানি কৰি অনা সামগ্ৰী। পুৱাই গৈ গেলামাল দোকানৰ দাইল, চাউল, চেনি, চাবোন, চাৰ্ফ, বিস্কুট কিনো সকলো আমদানিকৃত সামগ্ৰী।

পাচলি বজাৰত উত্তৰ বংগৰ কিছুমান সামগ্ৰী আহে আৰু কিছুমান স্থানীয় অৰ্থাৎ অসমত উৎপাদিত সামগ্ৰী। আলু, পিঁয়াজ অৱশ্যে বিহাৰ মহাৰাষ্ট্ৰ আদি ৰাজ্যৰ পৰা আহে। অসমৰ নদীয়ে ভৰ্তি। বিশ্বৰ ভিতৰতে অসমত হেনো নদী বেছি। গতিকে নদীৰ পলস পৰি অসমৰ গতি সাৰুৱা হয়। কৃষিজাত সামগ্ৰীত আত্মনিৰ্ভৰশীল হ'ব পাৰো। আহোম ৰজাৰ দিনত হেনো অসমত সকলো সামগ্ৰী উৎপাদন কৰিছিল। মাত্ৰ নিমখহে আমদানি কৰি আনিছিল। বনজিৎ হুছেইন এজন উচ্চ শিক্ষিত ল'ৰা। তেওঁ নৰ্থ কোৰীয়া --বিভিন্ন বিদেশৰ ঠাইতো আছিল। কিন্তু হঠাৎ তেওঁ মন মেলিছিল খেতি কৰিবলৈ। বিদেশৰ পৰা গুচি আহিল অসমলৈ। নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ ওচৰত বৰভাগৰ তেওঁৰ গাঁৱৰ পৰিয়ালৰ অনেক খেতিৰ মাটি আছিল। গতিকে তেওঁ তাত ৰাসায়নিক সাৰ ব্যৱহাৰ নকৰাকৈ জৈৱিক সাৰেৰে বিভিন্ন সামগ্ৰীৰ খেতি কৰা আৰম্ভ কৰিলে। কিন্তু তেওঁৰ তিক্ত অভিজ্ঞতা হ'ল উৎপাদিত ফচলৰ প্ৰকৃত মূল্য নাপায়। লোকচান কৰি বা ঘৰৰ পইচা খৰচ কৰিটো কৃষি সামগ্ৰী উৎপাদন কৰি থাকিব নোৱাৰে। অসমৰ গুৱাহাটী বা যিবোৰ ঠাইত কৃষিপণ্য খুচুৰা বিক্ৰী হয় সেইবোৰত কৃষিপণ্যৰ প্ৰকৃত মূল্য বা অতিমাত্ৰা মূল্যতে কৃষি সামগ্ৰী বিক্ৰী হয় বিপৰীতে কৃষকে গুৱাহাটী বা আনঠাইত খুচুৰা বিক্ৰী দৰৰ এক চতুৰ্থাংশও নাপায়। বৰ্তমান গাঁৱত তকমুজৰ কিলো ৮০ পইচাই নহয়। আমি বনজিতৰ লগত ফোনত কথা হৈছিলো যে জিকা, ভেণ্ডি আদি সামগ্ৰী কৃষকে প্ৰতি কিলোগ্ৰাম কিমান দামত বিক্ৰী কৰে। তেওঁ কৈছিল প্ৰতি কিলোগ্ৰাম অতি বেছি পাঁচ টকা। কিন্তু বৰ্তমান গুৱাহাটীত সেই সামগ্ৰীবোৰৰ প্ৰতি কিলোগ্ৰামত ন্যূনতম দাম ৪০ টকা। বনজিতে কৈছিল কৃষকে কৃষিপণ্য উৎপাদক কৰিবলৈ নিৰুৎসাহিত হৈছে, তেওঁলোকে উৎপাদন খৰচে নাপায়। কৃষকে নিজে গুৱাহাটীৰ পাইকাৰী বজাৰলৈ আনিব নোৱাৰে হেনো চিণ্ডিকেট আৰু পুলিচৰ উৎপাতৰ বাবে। পুলিচবোৰ হেনো কৃষকৰ স্বাৰ্থৰ বিৰোধী। নলবাৰীৰ পৰা এখন অট'ভেনেৰে কোনো কৃষকে কৃষিপণ্য গুৱাহাটীলৈ আনিলে ৰাস্তাত চাৰিবাৰমান হেনো পুলিচে ধৰে। পুলিচক সন্মত কৰি গাড়ীখন লৈ আহিবলৈ কেনেদৰে সন্তুষ্ট কৰিব পাৰে সকলোৱে জানে, আমি আৰু বিস্তৃত লিখিব নুখুজিলো। তদুপৰি স্থানীয় দাদাবোৰ বা চিণ্ডিকেট আৰু কৃষক স্বাৰ্থবিৰোধী তেওঁলোকৰ অমানবিক কাৰ্যকলাপ তেওঁলোকে ধন ঘটাৰ বাবে!

অসমৰ ৭০ শতাংশ লোকেই কৃষি অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল। অসমত উদ্যোগ বা সেৱাখণ্ডত কৰ্মসংস্থান তেনেকুৱা ধৰণে সৃষ্টি নহয়। কৰ্মসংস্থাপনৰ বাবে প্ৰব্ৰজনকাৰী শ্ৰমিক হৈ অসমৰ বহিঃৰাজ্যত যাব লাগিব নতুবা কৃষি অৰ্থনীতিৰ ওপৰতে নিৰ্ভৰশীল হ'ব লাগিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমক দেশৰ পাঁচখন উন্নত ৰাজ্যৰ ভিতৰত এখন কৰিব বিচাৰিছে যেতিয়া অসমৰ কৃষি অৰ্থনীতিটো উন্নত কৰিব লাগিব আৰু ইয়াৰ মুখ্য অন্তৰায়বোৰ আঁতৰ কৰিব লাগিব। অসমৰ কৃষিৰ মুখ্য অন্তৰায় হ'ল। কৃষকৰ বাবে বজাৰ আৰু প্ৰকৃত বজাৰ মূল্যৰ সৃষ্টি। প্ৰতিফলিত হৈছে যে ৰাজ্যৰ প্ৰশাসনটোৱে কৃষক স্বাৰ্থ বিৰোধী। প্ৰথমে চৰকাৰে প্ৰশাসনটো কৃষক স্বাৰ্থৰক্ষাকাৰী কৰি পৰিকল্পিতভাৱে কৃষকে কৃষি সামগ্ৰীৰ প্ৰকৃত মূল্য পোৱাৰ ব্যৱস্থা কৰিলে ৰাজ্যখনৰ জনসাধাৰণ কৃষি উৎপাদনত উৎসাহিত হ'ব আৰু কৃষিখণ্ডই ৰাজ্যখনৰ নিবনুৱা সমস্যা সমাধানত সহায় কৰিব পাৰিব। লক্ষ্য ল'ব লাগে প্ৰথমে কৃষি সামগ্ৰী আমদানি বন্ধ কৰাৰ। সকলো কৃষিজাত সামগ্ৰী কিদৰে উৎপাদন কৰা যায় ইয়াৰ পৰিকল্পনা কৰিব লাগে। বৰ্তমান বাতৰি কাকতত প্ৰকাশ পাইছে যে পাঠশালাত গাখীৰ উৎপাদনকাৰীসকল মথা সংকটত তেওঁলোকৰ গাখীৰ বিক্ৰী নহয়। সেয়ে অকল উৎপাদনকাৰীক বা জনসাধাৰণক দোষ দি থাকিলে লাভ নহ'ব। সাধাৰণতে কোৱা হয় জনসাধাৰণ ইচ্ছাকৃত নহয় উৎপাদন কৰিবলৈ। আচলতে চৰকাৰেহে বেছি দায়ী কৃষকৰ বাবে উৎপাদন প্ৰকৃত মূল্য পোৱাৰ বজাৰ সৃষ্টি কৰিব পৰা নাই।

সৰভোগ অঞ্চল পাচলি উৎপাদনত অতি আগবঢ়া। সৰভোগ অঞ্চলত কৃষকে বিভিন্ন ধৰণৰ পাচলি আৰু ফলো উৎপাদন কৰে। কিন্তু দুৰ্ভাগ্যজনক যে যিটো সময়ত সৰভোগৰ কৃষকে বিক্ৰী নহয় বাবে বিলাহী, বেঙেনা, ৰাজপথত পেলাই দিয়ে ট্ৰাকে চেপিবলৈ সেই সময়ত আমি গুৱাহাটীত বিসাহী বেঙেনা প্ৰতি কিলোত ২০ বা ৩০ টকাত কিনি খাওঁ। সৰভোগ এটা উদাহৰণহে। অসমৰ প্ৰায়বোৰ পাচলি উৎপাদন কেন্দ্ৰত এনেকুৱা ঘটনাই ঘটে। এইবাৰ সৰভোগ সমষ্টিৰ পৰা বহু বছৰৰ অন্তৰত বাওঁপন্থী মাৰ্ক্সবাদী কমিউনিষ্ট দলৰ প্ৰাৰ্থীসকলৰ এজন তালুকদাৰক বিধায়কৰূপে নিৰ্বাচিত কৰিছে। চি পি এনে কৃষক সভাৰ মাধ্যমেৰে দীৰ্ঘদিন ধৰি কৃষকৰ স্বাৰ্থৰ দাবী কৰি আহিছে। এই পটভূমিতে আমাৰ মতে মনোৰঞ্জন তালুকদাৰৰ অগ্ৰাধিকাৰৰ দায়িত্ব হ'ব কৃষকে তেওঁলোকৰ উৎপাদনৰ প্ৰকৃত মূল্য পোৱাই দিয়া। কৃষকে তেওঁলোকৰ উৎপাদনৰ প্ৰকৃত মূল্য নোপোৱাৰ ক্ষেত্ৰত স্থানীয় ব্যৱসায়ী কিছুমান যুৱক, পুলিচ প্ৰশাসন আদি বিভিন্ন গোষ্ঠী জড়িত আছে। তালুকদাৰে নিশ্চয় এই সমস্যাবোৰ বুজি পায়। গতিকে যদি কৃষকে কৃষি উৎপাদনৰ প্ৰকৃত মূল্য নোপোৱাৰ সমস্যাটো তালুকদাৰে নিশ্চয় এই সমস্যাবোৰ বুজি পায়। গতিকে যদি কৃষকে কৃষি উৎপাদনৰ প্ৰকৃত মূল্য নোপোৱাৰ সমস্যাটো তালুকদাৰৰ হস্তক্ষেপত বা নেতৃত্বত সমাধান কৰিব পাৰে ৰাজ্যখনৰ কৃষকসকলে তেওঁলোকৰ সমস্যাৰ পৰা বিৰাত সকাহ পাব আৰু কৃষকসকল উৎসাহিত হ'ব কৃষি উৎপাদন কৰিবলৈ আৰু অধিক লোকক কৃষিখণ্ডৰ আকৰ্ষণ কৰিব কৃষি উৎপাদনত জড়িত হ'বলৈ। আমি ভাবো কমিউনিষ্ট নেতা হিচাপে মনোৰঞ্জন তালুকদাৰৰ অগ্ৰাধিকাৰ কাম হ'ব কৃষকে কিয় তেওঁলোকৰ ফচলৰ প্ৰকৃত মুল্য নাপাব। ইয়াৰ প্ৰকৃত অন্তৰায়বোৰ কিয় আঁতৰ নহ'ব। অসমৰ কৃষকৰ মূল সমস্যা এইটোৱে । গতিকে তালুকদাৰৰ প্ৰধান দায়িত্ব কৃষকসকলৰ (সৰভোগ সমষ্টিকে ধৰি) তেওঁলোকৰ উৎপাদনৰ প্ৰকৃত মূল্য নোপোৱাৰ সমস্যাটো সমাধান কৰা। আমি দুবছৰ আগতে মন্দিয়ালৈ গৈ দেখিছিলো কৃষকসকলৰ আলু কিনোতা নাই। কিলোপ্ৰতি তিনি টকাত আলু বিক্ৰী কৰিব খুজিলেও কিনোতা নাই। পৰিয়ালে প্ৰতি এশ বা দুশ কুইণ্টল আলু পচি গৈছে। এই পৰিস্থিতিত চৰকাৰে বিভিন্ন আঁচনি লৈ কৃষি উৎপাদনৰ কথা ক'লে লাভ নাই। অসমৰ কৃষিখণ্ডৰ উন্নতি কৰিবলৈ হ'লে প্ৰথম কাম হ'ল কৃষকসকল তেওঁলোকৰ উৎপাদিত কৃষি সামগ্ৰীৰ প্ৰকৃত মূল্য পোৱাৰ ব্যৱস্থাৰ সৃষ্টি কৰা। এই ক্ষেত্ৰত অসমৰ কৃষকসকলে আশা কৰে বিধায়ক মনোৰঞ্জন তালুকদাৰে এই সমস্যাটো তুলি ধৰিব আৰু অসম চৰকাৰক বাধ্য কৰিব এই সমস্যাটো সমাধান কৰাৰ বাবে। মনোৰঞ্জন তালুকদাৰ যিহেতু সৰভোগ সমষ্টিৰ পৰা নিৰ্বাচিত, তেওঁৰ এই সমস্যাটো গভীৰভাৱে বুজি পায়। 'থলগিৰি' নামৰ স্থানীয় সামগ্ৰীৰ বিপণন কেন্দ্ৰটোৰ পৰিচালক মনোৰম গগৈৰেও অসমৰ কৃষিপণ্যৰ প্ৰকৃত মূল্য পোৱাৰ বাবে বিভিন্ন ব্যৱস্থাৰ পৰামৰ্শ আগবঢ়াইছে। অসমৰ কৃষকৰ সামগ্ৰীৰ বাবে গুৱাহাটীত এখন পাইকাৰী বজাৰৰ প্ৰস্তাৱ কৰিছে। এইখন পাইকাৰী বজাৰত কৃষকসকলে আহি যাতে প্ৰত্যক্ষভাৱে বস্তু বিক্ৰী কৰিব পাৰে। কিন্তু কৃষকসকল গুৱাহাটীলৈ অহা পথটো সুচল কৰিব লাগিব। অহা ৰাস্তাত যাতে পুলিচে বাধা নিদিয়ে বা চিণ্ডিকেটে অসুবিধাৰ সৃষ্টি নকৰে সেইটো নিশ্চয়তা থাকিব লাগিব। আজি ইমান বছৰে চৰকাৰবোৰে কৃষকৰ স্বাৰ্থৰ কথা কৈও কৃষকৰ ফচলৰ মূল্যৰ সমস্যাটো দেখিও নেদেখাৰ ভাও জোৰে। এই পটভূমিতে এইবাৰ মাৰ্ক্সবাদী কমিউনিষ্ট দলৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে কৃষকৰ জীৱন মৰণৰ এই সমস্যা শক্তিশালীৰূপে দাঙি ধৰি সমাধান কৰাৰ প্ৰচেষ্টা চলাব বুলি আশা কৰিলো। আমাৰ বিশ্বাস তালুকদাৰে সমস্যাটো সমাধান কৰিব পাৰিব। উল্লেখ্য যে কৃষকসকলৰ ফচলৰ প্ৰকৃত মূল্য পোৱাৰ ব্যৱস্থাটো কৰোতে চৰকাৰী পুঁজিৰ প্ৰয়োজন নহয় যেনেকৈ বাটপথ নিৰ্মাণ, স্কুল কলেজ নিৰ্মাণ, হাস্পতাল নিৰ্মাণত চৰকাৰী পুঁজিৰ প্ৰয়োজন। অসমৰ কোটি কৃষকৰ সমস্যাটো সমাধান কৰিব পাৰে প্ৰশাসনিক ব্যৱস্থাৰে। কোনো এখন চৰকাৰে এই সমস্যাটো আজিলৈ সমাধান কৰিব খোজা নাই সেয়ে কমিউনিষ্ট নেতা মনোৰঞ্জন তালুকদাৰৰ ওচৰত আস্থা ৰাখিছো অসমৰ সমস্ত কৃষকৰ স্বাৰ্থৰ কামটো কৰিব।

> ৰাজ্যৰ বাহিৰৰ উৎপাদনকাৰীসকলৰ বাবে অসম এখন বৃহৎ বজাৰ। অসম যদি আত্মনিৰ্ভৰ হৈ যায় দেশৰ বিভিন্ন পুঁজিপতিকে ধৰি বিভিন্ন ব্যৱসায়ীৰ ব্যৱসায় বহু শতাংশ হ্ৰাস পাব। পুৱাৰ পৰা আমি দিনটোৰ ভিতৰত যিমানবোৰ সামগ্ৰী কিনো প্ৰায় ৮০ৰ পৰা ৯০ শতাংশ আমদানি কৰি অনা সামগ্ৰী।

*লেখক ষ্টেট বেংক অৱ ইণ্ডিয়াৰ কেন্দ্ৰীয় ব'ৰ্ডৰ প্ৰাক্তন সঞ্চালক*
*ফোন ঃ 9435041203*

## খোলা মঞ্চ

### আলফাৰ কাৰ্য-কলাপে অসমীয়া জাতিক সহায় কৰিছেনে ?



**গণতান্ত্ৰিক** দেশৰ সমস্যাবিলাক গণতান্ত্ৰিকভাৱে সমাধান কৰা দৰকাৰ। দেশৰ শাসন ক্ষমতাত থকা নেতাসকলেও বুজিব পাৰিব লাগিব ক'ত কি সমস্যা আছে। শাসনত থকা নেতাসকলে যদি কোনো এটা অঞ্চলক মাহী আইৰ দৃষ্টিৰে চায় তেন্তে সেই অঞ্চলৰ মানুহ ক্ষোভিত হোৱাটো স্বাভাৱিক; কিন্তু ইয়াৰ সমাধান বন্দুকৰ গুলি নহয়। বন্দুকৰ সহায়ত মানুহক হত্যা কৰিব পাৰি আৰু মানুহক ভয় খুৱাব পাৰি; কিন্তু অন্তৰ জয় কৰিব নোৱাৰি। পৃথিৱীত এনে কোনো দেশ নাই যে অল্পসংখ্যক মানুহে বন্দুক হাতত লৈ বৃহৎসংখ্যক মানুহক বশ কৰাৰ উদাহৰণ। শ্ৰীলংকাৰ এলটিটিৰ মুৰব্বীয়ে সশস্ত্ৰ সংগ্ৰাম কৰি কিছু অঞ্চল নিজৰ দখলত নিবলৈ সক্ষম হৈছিল। শ্ৰীলংকাত প্ৰত্যেক দিন বন্দুকৰ গুলিত মানুহ মৃত্যুমুখত পৰিছিল। সেই এলটিটিৰ মুৰব্বী প্ৰভাকৰণে অৱশেষত সেনা বাহিনীৰ বন্দুকৰ গুলিত ধৰাশায়ী হয়। তদ্ৰূপ জম্মু-কাশ্মীৰৰ কথাও সৰুৰ পৰাই শুনি আহিছিলো। পাকিস্তান মদতপুষ্ট উগ্ৰপন্থী কাশ্মীৰৰ এচাম মুছলমান যুৱকৰ ব্ৰেইন ওৱাছ কৰি উগ্ৰপন্থা কাৰ্যকলাপ চলাই আহিছে। তাত আজিলৈকে এনেকুৱা এটা দিন নাই বা পাৰ হোৱা নাই যে ক'ৰবাত নহয় ক'ৰবাত গুলীয়াগুলি হোৱা নাই।

অসমতো এটা সময়ত প্ৰত্যেকদিন ক'ৰবাত নহয় ক'ৰবাত মৃত্যুৱে হাত বাউলি মাতিছিল।

**আব্দুল হালিম আহমেদ,** *লেখক*

আলফা নামৰ সশস্ত্ৰ সংগঠনটোৱে অসমৰ পৰিৱেশ জয়াল কৰি তুলিছিল। বহুতো তেজাল ডেকা ল'ৰা ভাৰতীয় সেনাবাহিনী বা অসম পুলিচৰ গুলিত প্ৰাণ আহুতি দিবলগীয়া হৈছিল। আলফাই বিভিন্ন বিভাগৰ উচ্চ পদস্থ চৰকাৰী বিষয়া বা আন ধনী মানুহক অপহৰণ কৰিছিল আৰু মোটা অংকৰ ধন লৈ মোকলাই দিছিল। স্বাধীনতা দিৱসৰ দিনা ১৩ টিকৈ নিষ্পাপ শিশু মৃত্যুমুখত পৰিছিল। আলফাই এটা সময়ত মানুহৰ পৰা কোটি কোটি টকা ভয় দেখুৱাই লুটি নিছিল। সেই সময়ত মানুহে নতুন কোনো ঘৰ সাজিব দূৰৰ কথা সাধাৰণতে এখন মটৰ চাইকেল পৰ্যন্ত কিনিবলৈ সাহস কৰা নাছিল আলফাৰ ভয়ত। যাৰ বাবে স্থানীয় বা বাহিৰৰ উদ্যোগপতিসকলে অসমত কোনো ধৰণৰ উদ্যোগ স্থাপন কৰিবলৈ সাহস কৰা নাছিল। যাৰ বাবে অসমখন এশ বছৰ পিছুৱাই গ'ল বুলি ক'লেও বঢ়াই কোৱা নহয়। আজিৰ তাৰিখলৈকে আলফাই অসমীয়া জাতিৰ বাবে কিবা ভাল কাম কৰিছে বুলি চকুত পৰা নাই। ইয়াৰ বিপৰীতে আলফাৰ পৰা ছাৰেণ্ডাৰ কৰি অনেকেই নিজৰ অৱস্থা স্বচ্ছল কৰিলে আৰু তাৰ ভিতৰত দুই-চাৰিজন ৰাজনীতিবিদো হ'ল। এতিয়া কথা হ'ল ভাৰতবৰ্ষৰ দৰে বিশাল ৰাষ্ট্ৰখনত কি উদ্দেশ্য লৈ এচাম ডেকা ল'ৰাক মৃত্যুমুখলৈ ঠেলি দিলে তাৰ হিচাপ কোনে দিব। এতিয়া আকৌ অপহৰণৰ কাম আৰম্ভ কৰিছে; কিন্তু ইয়াৰ পৰা লোকচান হৈছে আমাৰ অসমৰ। আমাৰ অনুৰোধ আপোনালোকে সশস্ত্ৰ সংগ্ৰাম এৰি গণতান্ত্ৰিকভাৱে অসমৰ কথা চিন্তা কৰক। কিয়নো আপোনালোকৰ কাৰ্যকলাপে অসমীয়া জাতিক বহু পিছুৱাই নিয়ে।

> অসমত অৰ্থ-বিনিয়োগ কৰা বন্ধ কৰি দিলে

**ফোন ঃ ৯৪৩৫৭৫৫৩১৩**

# সুস্থ জাতীয়তাবাদী ধাৰাইহে অসমৰ উন্নতিৰ পথ মোকলাব

## 'অৰ্থনৈতিক নিয়ন্ত্ৰণৰ তত্ত্ব' ৰ বাহিৰে মানৱ মুক্তি অসম্ভৱ

দৃষ্টিপাত



শৰৎ দাস

**বিধানসভা** নিৰ্ব্বাচনত বিজেপি মিত্ৰজোঁটে জয় লাভ কৰাৰ পাছত 21 মে'ৰ পৰা বিধানসভা আৰম্ভ হ'ল। আশা কৰা যায় যে নতুন (?) চৰকাৰখনে ৰাইজক আশাহত নকৰিব। পিছে ৰাইজে এইটো পাহৰিলে নচলিব যে এইখন চৰকাৰে দলীয় ৰাজনীতিৰ আধাৰতহে কাম কৰিব। সেয়েহে কিছুমান ৰাজনৈতিক-অৰ্থনৈতিক দিশত ইয়াৰ সীমাবদ্ধতা আছে অথবা জোৰ কৰি হ'লেও তাৰ নীতি বাহাল ৰাখিব। গতিকে ইয়াৰ গণ্ডীৰ ভিতৰতেই ই কাম কৰিব। যদি প্ৰশ্ন কৰা হয় যে ৰাজহুৱা খণ্ডক পুনৰজীৱিত কৰা যাওক— সেয়া মাথোন এক অলিক কল্পনাহে হ'ব। যদি প্ৰশ্ন কৰা হয় যে সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে থিয় হওক— মুখেৰে আওৱালেও কাৰ্যতঃ ই ওলোটাহে হ'ব। সেয়েহে ভাষণত গীতাৰ শ্লোকৰ পৰা আৰম্ভ কৰি শেহলৈ অসমীয়া কবিৰ কবিতাৰ উদ্ধৃতি দিলেও, মূলতঃ ই মনুবাদহে। যদি প্ৰশ্ন কৰা যায় যে অসম চুক্তিৰ 6 নং দফাৰ কাৰ্যকৰীকৰণ কি হ'ল— তাৰ উত্তৰ পোৱাটো কঠিন। এখন কাৰ্যকৰী চৰকাৰে তাৰ বিভিন্ন জিলাৰ উন্নয়নৰ কাম কৰাটো এক প্ৰাথমিক দায়িত্ব। তাৰ লগত সংগতি ৰাখি ৰাস্তা-ঘাটৰ উন্নয়ন কৰাটো এখন চৰকাৰৰ কৰ্তব্য। বিদেশী সমস্যা সমাধান হ'লনে নাই এই প্ৰশ্নটোও কৰা অমূলক। বৰঞ্চ হিন্দু বাংলাদেশীক নাগৰিকত্ব, ৰক্ষণাবেক্ষণ দিয়াটোহে বিজেপি চৰকাৰৰ কৰ্তব্য। সেয়েহে এনেবোৰ ৰাজনৈতিক নেতাই ৰাইজক আঁভুৱা ভঁৰা কথা কৈয়েই ক্ষমতাত বহিল। পিছে দোষটো তেওঁলোকৰ নহয়, ৰাইজৰ অনুধাৱন কৰাৰ অক্ষমতা। আমি উমান কৰিছিলো যে বিভিন্ন চৰকাৰী আঁচনিৰ যোগেদি দিয়া ধনৰ টোপোলাৰ মোহ সাধাৰণ ভোটাৰে এৰিব নোৱাৰে। পৰিণাম সাধাৰণ ৰাইজে ভুগিছে। মাক্সে স্পষ্টভাৱে কৈছে যে ব্যক্তি আৰু শ্ৰেণী মানসৰ ভাৱাদৰ্শই এক অৰ্থনৈতিক ব্যৱস্থাৰ আভ্যন্তৰীণ সংঘাতৰ গঢ় লৈ উঠি পুনৰ সমাজত অৰ্থনৈতিক ব্যৱস্থাৰ আভ্যন্তৰীণ সংঘাতৰ গঢ় লৈ উঠি অৰ্থনৈতিক ভিত্তিৰ ওপৰত প্ৰতিক্ৰিয়া কৰে আৰু সেই ভিত্তিক কাৰ্যকৰীৰূপে পৰিৱৰ্তন কৰাত সহায় কৰে।

ব্যক্তি স্বাৰ্থ আৰু সমূহীয়া জীৱনৰ সংৰক্ষণৰ স্বাৰ্থ— এই দুই শক্তিৰ হেঁচা-ঠেলাৰ পৰিণতি হিচাপে যি ভাৰসাম্য বা সামাজিক স্থিতিস্থাপকতাৰ উদ্ভৱ হয়, সেই ভাৰসাম্যৰ ভিতৰত আলোড়ন তোলে শ্ৰেণী স্বাৰ্থৰ সংঘাতে। ব্যক্তি স্বাৰ্থ আৰু সামাজিক স্বাৰ্থৰ মাজখিনিতে কাম কৰে দলীয় স্বাৰ্থই। এই সুযোগকে পূৰ্ণোদ্দমে গ্ৰহণ কৰি ৰাজনৈতিক দলসমূহে ভোটৰ ৰাজনীতি কৰে। এক শ্ৰেণীৰ বিৰুদ্ধে আন এটা শ্ৰেণীৰ সংঘাত সৃষ্টি কৰে আৰু ৰাজনৈতিক ফয়দা উঠায়। ইয়েই ৰূপ লয় পিছপৰা শ্ৰেণীৰ ওপৰলৈ যোৱাৰ প্ৰৱণতাৰ বিৰুদ্ধে উচ্চ সম্প্ৰদায়ৰ দমন নীতি আৰু ইয়াক ৰাজনৈতিক দল সমূহে উদগণি জনায়। ফলত শ্ৰেণী সংঘাতৰ সৃষ্টি হয় আৰু লাভ হয় দালালমুখী ৰাজনৈতিক দলৰ। এইখিনিতেই যোগসূত্ৰ নোহোৱা হৈছে। কি কাৰণত ক'ব নোৱাৰো বাৰে বাৰে ৰাইজ এই পাশাখেলৰ বলি হয়। দিনে দিনে নিৰাসক্ত আৰু নিষ্প্ৰাণ হয়। দেখা গৈছে যে যিসকল তৰুণ প্ৰজন্মৰ লোক তেওঁলোকৰ মুখতো পৰিৱৰ্তনৰ নামত স্থিতাৱস্থা ৰক্ষা কৰা। ফলত শ্ৰমিক বিৰোধী নীতিৰ বিৰুদ্ধে, অৰ্থনৈতিক পৰিৱৰ্তনৰ বাবে সকলো সংগ্ৰাম বিফল হয়। এয়েই হ'ল বুৰ্জোৱা ৰাজনীতি। যেন কৃষক শ্ৰেণীৰ সংগ্ৰাম, শ্ৰমিক শ্ৰেণীৰ সংগ্ৰামৰ লগত এওঁলোকৰ চিন্তা কৰিবলগীয়া একো নাই।

কোনো জাতিৰ জীৱন স্থবিৰ নহয়। সময়ৰ সোঁতত জাতিৰ জীৱনৰ নানা পৰিৱৰ্তন ঘটি থাকে। কিছুমান ক্ষেত্ৰত এই পৰিৱৰ্তনত জাতিৰ উন্নতি আৰু সমৃদ্ধি হয়। আৰু আন কিছুমান ক্ষেত্ৰত এই পৰিৱৰ্তনত জাতিৰ অধোগতি হয়। গতিকে কি ৰকম পৰিৱৰ্তন জাতিৰ প্ৰগতিৰ পক্ষে, সেইটো বুজিব পাৰিলে সেই প্ৰগতিৰ কি কি সমস্যাৰ নিয়ত সমাধান সেইটো বুজিব পাৰি আৰু সেই জাতিৰ শক্তিক নিয়োজিত কৰি জাতিৰ প্ৰকৃত মংগল সাধন কৰিব পাৰি। আকৌ জাতিৰ প্ৰকৃত প্ৰগতিৰ পথখিনি পাবলৈ হ'লে জাতীয় জীৱনৰ বিৱৰ্তনৰ ইতিহাস জনাৰ প্ৰয়োজন। গতিকে আজি অসমীয়া জাতিৰ সমুখত কিবোৰ প্ৰধান সমস্যা তাৰ নিৰ্ণয় কৰিবলৈ জাতীয় জীৱনৰ বিৱৰ্তনৰ নীতিৰ ওপৰত দৃষ্টি ৰাখিব লাগিব। আজি আমাক এনে এজন দূৰদৰ্শী ৰাজনৈতিক নেতা লাগে যিয়ে তীব্ৰ অসমীয়া জাতীয়তাবাদৰ চেতনা অনুভৱ কৰে। তেতিয়াহে অসমীয়া মানে বৃহত্তৰ অসমীয়া জাতিয়ে মুক্তিৰ গান গাব পাৰিব। অসমীয়া সমাজখনৰ ইমান উদাৰতা, সাংস্কৃতিক ভিন্নতা সত্ত্বেও এক হোৱাৰ মানসিকতা আৰু সকলোকে আপোন কৰি লোৱা মনোভাৱ পৃথিৱীত বিৰল। ইয়াৰ সুযোগো সুযোগ সন্ধানীসকলে লৈছে। কাৰণ বৃহত্তৰ অসমীয়া সমাজখনে জানে যে কৃষক শ্ৰমিকৰ ব্যক্তিগত আৰু শ্ৰেণীগত জীৱন যাত্ৰা, চিন্তাধাৰা, অনুভূতি আৰু কৰ্মপ্ৰেৰণাৰ প্ৰকৃত পৰিচয়ৰ কেৱল বুদ্ধিৰে নহয় হৃদয়েৰে পাব লাগে। হেম বৰুৱাৰ কবিতাতো আছে তীব্ৰ শ্ৰেণী বিদ্বেষ। তাত বঞ্চিতৰ কবুলা আছে, বঞ্চকৰ প্ৰতি ঘৃণা আছে, কিন্তু সমাজ মুক্তিৰ বাস্তৱ ছবিখন নাই। 'অৰ্থনৈতিক নিয়ন্ত্ৰণৰ তত্ত্ব' (Economic determinism) ৰ বাহিৰে মানৱ মুক্তি অসম্ভৱ। যিকোনো সমাজতে কম সংখ্যক হ'লেও এনেধৰণৰ কিছুমান মানুহ থাকে যিসকলে স্বভাৱজাত নিজৰ স্বাৰ্থ সম্বন্ধে অমনোযোগী, যিসকলৰ অন্তৰত এটা মহত্বৰ প্ৰেৰণা থাকে, যিসকল নিৰহংকাৰী, আনৰ প্ৰতি শ্ৰদ্ধাশীল আৰু সৎ কথা জানিবলৈ আৰু শুনিবলৈ আগ্ৰহশীল।

এক সুস্থ জাতীয়তাবাদেহে এনে এক ৰাজনীতি প্ৰচলন কৰিব পাৰে য'ত নিজৰ কোনো স্বাৰ্থ নাই। সাময়িকভাৱে জাতীয়তাবাদক ৰাষ্ট্ৰীয়তাবাদে গ্ৰাস কৰিবলৈ ল'লেও আগৰ দিনত এই ধাৰাটোৱেই সমাজৰ সকলো শ্ৰেণীক আবৰি ল'ব আৰু এক নিৰবিচ্ছিন্ন চিন্তাৰ মাজেৰে আগবাঢ়িলে ই কটকটীয়া হ'ব!

আমাক এনে এক নতুন পন্থাৰ আৱশ্যক। তাৰ বাবে আটায়েই চিন্তা-চৰ্চ্চা কৰা উচিত।

> কোনো জাতিৰ জীৱন স্থবিৰ নহয়। সময়ৰ সোঁতত জাতিৰ জীৱনৰ নানা পৰিৱৰ্তন ঘটি থাকে। কিছুমান ক্ষেত্ৰত এই পৰিৱৰ্তনত জাতিৰ উন্নতি আৰু সমৃদ্ধি হয়। আৰু আন কিছুমান ক্ষেত্ৰত এই পৰিৱৰ্তনত জাতিৰ অধোগতি হয়।

লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা
ফোন ঃ 94357-32955



# অধ্যয়নৰ ফলশ্ৰুতি

অভিমত

**আগতে** শিশুটোৰ পৰা বৃদ্ধজনলৈ সকলোৱে সময়ৰ টিকনিত খামোচ মাৰি ধৰি গ্ৰন্থ অধ্যয়ন কৰিছিল। শিক্ষিত, অশিক্ষিত সকলো শ্ৰেণীৰ লোকৰ গ্ৰন্থ অধ্যয়নেই আছিল আনন্দ লাভ কৰা আৰু আজৰি সময় অতিবাহিত কৰাৰ মাধ্যম। যিসকল মানুহ অশিক্ষিত আছিল, কিন্তু আখৰ চিনিছিল, তেওঁলোকৰ বহুতে কিতাপ পঢ়িব পাৰিছিল। আগৰ অশিক্ষিত মানুহৰ ভিতৰত বহুতেই শাস্ত্ৰ অধ্যয়ন কৰিব পাৰিছিল, শাস্ত্ৰৰ কথা ব্যাখ্যা কৰিব জানিছিল। এই গুণটো এটা ঐশ্বৰিক দখলপ্ৰাপ্ত গুণ বুলি বিশ্বাস কৰিব পাৰি। আজিৰ শিক্ষাৰ্থীৰ ভিতৰত প্ৰায় লোকৰে কিতাপ অধ্যয়নৰ প্ৰতি স্পৃহা হ্ৰাস পাই আহিল। বহুতৰ সংবাদ-পত্ৰৰ লগত সম্পৰ্ক নোহোৱা হ'ল। দুই-এজনে বাতৰিখনত ওপৰে-ওপৰেহে চকু ফুৰায়। আজি শিক্ষিত কিছুমান পৰিয়ালত বাতৰি কাকতৰ ব্যৱহাৰেই নাই। আগতে কিছুমান পৰিয়ালত সন্ধিয়া সময়ত মন্দিৰত চাকি-বন্তি জ্বলাই এটা অধ্যায় হ'লেও শাস্ত্ৰ পাঠ কৰিছিল- ঘৰৰ বৃদ্ধ বা বৃদ্ধাগৰাকীয়ে। ঘৰৰ শিশুসকলেও ওচৰতে বহি শাস্ত্ৰ পাঠ আৰু তাৰ ব্যাখ্যা শুনিছিল। এই পৰিৱেশৰ পৰা ভৱিষ্যৎ প্ৰজন্মৰ বহুতে কিতাপৰ প্ৰতি আকৰ্ষিত হৈছিল। সেইকাৰণে কোৱা হয় ঘৰখনেই শিশুৰ শিক্ষাৰ কঠিয়াতলি বুলি। আজি এই ব্যৱস্থাটোৰ উছন হ'ল। আজি শাস্ত্ৰ অধ্যয়ন কৰাটো এটা আনুষ্ঠানিক ব্যৱস্থাত পৰিণত হ'ল। য'ত শ্ৰোতাৰ উপস্থিতি সেৰেঙা হ'ল। মুমূৰ্ষু অৱস্থাৰ মানুহৰ ওচৰত শাস্ত্ৰ পাঠ কৰি শুনোৱাৰ লগে লগে মৃত্যুৰ পাছতো প্ৰেতকৰ্মৰ শেষৰ দিনটোত শাস্ত্ৰ পাঠ কৰি মৃতকৰ মংগল কামনা কৰা ব্যৱস্থা হিন্দু ধৰ্মৰ এটা অবিচ্ছেদ্য অংগ। আজি প্ৰায়বোৰ ব্যৱস্থা এটা গতানুগতিক প্ৰথাত পৰিণত হ'ল। ভাৰতীয় ধৰ্ম শাস্ত্ৰসমূহে মানুহক আধ্যাত্মিক জীৱন-যাপন কৰাৰ বাবে প্ৰেৰণাৰ উৎস হোৱা সমৰ্থিত। আজি শাস্ত্ৰ অধ্যয়নৰ প্ৰতি প্ৰায় মানুহ আগ্ৰহী নহয়। আগ্ৰহী হোৱাৰ প্ৰেৰণাৰো অভাৱ ঘটিল। বস্তুবাদী চিন্তাৰ প্ৰৱল সোঁতত মানুহ উটি ভাঁহি যোৱাৰ উপক্ৰম হ'ল।

আজি যান্ত্ৰিক সভ্যতাৰ ফচলবোৰে মানুহৰ কিতাপ অধ্যয়ন কৰা স্পৃহাক যেন কাঢ়ি নিলে। ম'বাইল সংস্কৃতিতো এতিয়া অতি শক্তিশালী হৈ উঠিল। ম'বাইলে মানুহক সকলো বা-বাতৰি দিয়া হ'ল। মানুহৰ লগত সংযোগ স্থাপন কৰা সহজ হ'ল। ম'বাইলৰ যোগেদি দূৰ-দূৰণিৰ খবৰ হাততে পোৱা হ'ল। অনলাইন ব্যৱস্থাৰে শিক্ষাদান আৰু গ্ৰহণ কৰিব পৰা হ'ল। মানুহৰ জীৱন-ধাৰণৰ প্ৰয়োজনীয় সকলো কাম মিডিয়াই হাচিল কৰিব পৰা সহজ উপায় হ'ল যেতিয়া, কিতাপ, সংবাদপত্ৰ অধ্যয়ন কৰি বহু সময় অতিবাহিত কৰাৰ প্ৰয়োজনেইবা ক'ত? লাহে লাহে মিডিয়াৰ প্ৰাধান্য বিস্তাৰে আমাৰ সংস্কৃতি, আমাৰ ঐতিহ্যক ম্লান কৰিব যেন লাগে। আজি এশ টকীয়া এখন কিতাপ ক্ৰয় কৰিবলৈ সংকোচবোধ কৰা লোকে, তৎমুহূৰ্তে হেজাৰ-হেজাৰ টকা ব্যয় কৰি যান্ত্ৰিক ফচল এবিধ কিনিবলৈ অধিক আগ্ৰহী হোৱাটোৱে কি অৰ্থ বুজায়? অধ্যয়ন স্পৃহাৰ অভাৱে মানুহক জ্ঞানী হোৱাৰ পৰা আঁতৰালে। জ্ঞানৰ অভাৱত আজিৰ মানুহৰ মাজত বিভিন্ন শ্ৰেণীৰ অশোভনীয়, অপ্ৰীতিকৰ কাৰ্য সংঘটিত কৰাৰ এটা সোঁত প্ৰৱাহিত হ'ল। আজিৰ সভ্য সমাজ বুলি কোৱা সমাজত, যি হাৰত দুষ্কাৰ্যৰ প্ৰসাৰ ঘটিল, তাৰ তুলনাত বৰ্বৰ-যুগ বুলি খ্যাত হোৱা যুগতো তেনেদৰে দুষ্কাৰ্য সংঘটিত হোৱা নাছিল।

**কেশৱ শৰ্মা**
*ফোন ঃ ৯৪০১৮৭৯৪০৮*

## লকডাউনৰ কবিতা

**পুণ্য শইকীয়া**



নিজে গঢ়ি লোৱা বিশ্ব এখনতে আৱদ্ধ ৰাখিছো নিজক
সপ্ৰতিভ দেৱাল ঘড়ীটো মোৰ এতিয়া বিশ্বস্ত সহচৰ শ্বো-কেছৰ বিচিত্ৰ
সামগ্ৰীবোৰৰ একোটাকৈ নাম দি লৈছো
কোনোবাটো সূৰ্য কোনোবাটো চন্দ্ৰ কোনোবাটো নীহাৰিকা
কোনোবা নেবুলা হাতীপটি এনেকৈ।
যি নক্ষত্ৰৰ পোহৰ এতিয়াও পৃথিৱী পোৱাহি নাই
যি গ্ৰহ-গ্ৰহাণু মানুহে আৱিষ্কাৰ কৰিবলৈ এতিয়াও বাকী
তাৰো নাম দি ৰাখিছো কিছুমান দশমিক বিন্দুৰে।
সুমেৰু-কুমেৰু, গোল-গোলাৰ্ধ, সাগৰ-মহাসাগৰ
মৰুভূমি, জলাহভূমি, বৰ্ষাৰণ্য, অৱবাহিকা অঞ্চল
এণ্টাৰ্কটিকাৰ পৰা কাজিৰঙা-মানাহ-ডবকা-কঁহৰালৈকে
সকলোকে ভাগে ভাগে স-সন্মানে সংস্থাপন কৰিছো মোৰ বিশ্বত।
জল-স্থল-অন্তৰীক্ষ, উৰণ-বুৰণ-গজন-গমন
এতিয়া মোৰ চাবেক বিশ্বৰ চাবেক পৰিয়াল।

তাৰকা ৰাজ্যৰ পৰা প্ৰশান্ত মহাসাগৰলৈ এডাল লম্ব টানিছো
মহাবিশ্বৰ পৰা মহাদেশলৈ, মহাদেশৰ পৰা মহাসমমুদ্ৰলৈ
আঁকিছো ৰম্বাছ।
ইনট্ৰিগেল কেলকুলাছ, সম্ভাৱনা তত্ত্ব, পাৰমুটেশ্বন এণ্ড কম্বিনেশ্বন
আৰু থাৰ্মো-ডাইনেমক্সিৰ পোহাৰ মেলিছো।



সৰু অঘাইতং ল'ৰাৰ দৰে প্ৰশ্ন সুধিছো নিজক
মহান দাৰ্শনিকৰ দৰে প্ৰশ্ন সুধিছো নিজক
কেতিয়াবা যাজ্ঞৱল্ক্য কেতিয়াবা ঋষিকা গাৰ্গী
কেতিয়াবা লোপামুদ্ৰা কেতিয়াবা বিশ্ববাৰা।
কেতিয়াবা বকৰূপী যক্ষ হৈ প্ৰশ্ন কৰিছো যুধিষ্ঠিৰক
কেতিয়াবা ছক্ৰেটিছ কেতিয়াবা হোমাৰ-ভাৰ্জিল-ভল্টেয়াৰ
কেতিয়াবা বঢ়াৰ পো মাধৱদেৱ
সেই উত্তৰহীন প্ৰশ্ন— সেই প্ৰশ্নহীন উত্তৰ।

স্বাভিমানী হৈ উঠিছো মই
অহংকাৰী হৈ উঠিছো মই
কাৰণ এই বিশ্ব চৰাচৰত মোৰো আছে অংশীদাৰিত্ব
মোৰ অৱৰ্তমানত চৰাচৰ আধৰুৱা হ'ব।
তুমি যদি দিক্‌বিদিক হেৰুৱাইছা—মই আছো
তুমি যদি ক্লান্ত পথিক চিন্তা নকৰিবা

আলিদোমোজাত তুমি মোক সঠিক সময়মতে লগ পাবা।
মই তোমাক বাটটোও দেখুৱাই দিম, অবাটটোও দেখুৱাই দিম।
নিষিদ্ধ ফলটো মুখত দিব খুজিলে
ময়েই দৌৰ মাৰি গৈ তোমাৰ হাতৰ ফলটো দলিয়াই দিম।



মই য'তেই জোবোৰা মাৰো সেয়াই আকাশী গংগা
মই কথা ক'লেই বৈ যায় প্ৰেম মন্দাকিনী
মই য'ত থিয় দিওঁ তাৰ পৰা আৰম্ভ হয় যাত্ৰা
শেষ হয় অযাত্ৰা—
কাৰণ মই মানুহ। পৰাজয় হ'বৰ বাবে মোৰ জন্ম হোৱা নাই।
কাৰণ মই ধৰিত্ৰীৰ সন্তান—মানুহ।

*সৌজন্য ঃ লকডাউনৰ সৃষ্টিপট*

## কাকডোঙাৰ পাৰে পাৰে

**অৰূপজ্যোতি হাজৰিকা**

তুমি যে কৈছিলা বেঙুনীয়া ৰং ভাল পাওঁ বুলি
ব'লা যাওঁ কাকডোঙাৰ পাৰলৈ আজিয়েই আবেলি
জেঠীয়া আবেলি নাই ধূলি-বালি
প্ৰকৃতিয়ে কেনেকৈ যে সানিছে বেঙুনীয়া আবিৰ আনি।

অহা-যোৱা বাটত যিমান প্ৰেমিক ফুলে
কাকডোঙাৰ বাটত উজুটিত নখ ভাঙে
নাওৰীয়াই মুখ ঢাকি হাঁহে।



কাকডোঙাৰ পাৰে পাৰে পক্ষীবোৰে ভিৰ কৰে
ইটোৰে-সিটোৰে কথা পাতে
কাৰ বা কি ৰং ভাল লাগে।
অজগৰৰ পিঠিত
এজাৰৰ কি যে বিষাদৰ ছবি
গৰখীয়াৰ বাঁহীত হ'লে মায়াৱী নগৰী।

কথাই কথাই গৰম মাত
নগৰত হাঁহিৰ ৰাগ
বানপানী হয় তাত,
কোনে দিব পাৰিছে কাকডোঙাৰ বেঙুনীয়া ফুলি।
কাকডোঙাই কয়,
তুমি ৰোগীয়া হোৱা
মই স্বাস্থ্য দিম
তুমি খঙীয়াল হোৱা
মই মৰম দিম
তুমি অহংকাৰী হোৱা
মই পোহৰৰ পাছত পোহৰ দিম।
আৰু তোমাৰ মনত নতুন সূৰুজৰ ঠাই দিম।
জেঠীয়া আবেলি আহিবাচোন আবেলি
হাতীশিঙীয়া বাটিত দেখিব হেঙুলীয়া বেলি।

## কবিতা

**অৰ্চনা পূজাৰী**

(১)
সকলো বিশ্বাস মুচৰি
আন্ধাৰৰ সুযোগ লৈ গুচি গ'ল ছেগুেলযোৰ
আন এজনৰ ভৰিত খাপখাই সোমায়
শোৱাৰ আগতে বিছনাখনৰ নিচেই কাষতে থৈছিল চেগুেলযোৰ
বিশ্বাসত
উৰহি গছৰ ওৰ পুৱাহে ওলাল
ছেগুেল সলাই ফুৰে গৃহস্থ
আন্ধাৰৰ
সুযোগ বুজি ।।



(২)
গাৰুটোত মূৰ থওঁতে
সপোনবোৰ উঠি বহিল
গাৰু আৰু সপোনৰ টনাআঁজোৰাত
কপাহ ফাঁহ ফাঁহ হ'ল
পুৱতিলৈ চিনিব নোৱৰা
কেৱল কপহুৱা, কেৱল বগা
(৩)
বিছনাচাদৰখনৰ বেশ্যামি অলেখ
পৰিপাটি হোৱাৰ নাম নাই
ভাঁজে ভাঁজে চকুপানীৰ ভিৰ
টানিটুনি থ'লেও
অলপ পাছতে কোঁচ খাই লেতুসেতু
বুকুত ঢেৰ কথা
ওপচমূৰীয়া।।
(৪)
এটা নিৰাপদ ৰাতিৰ বাবে
আঁঠুৱাখনে বাহু মেলি বেহু ৰচিছিল
মহ দাহ পঁইতাচোৰা জেঠীবোৰৰ পৰা
টোপনিবোৰক বচাই
এটা সুখ নিদ্ৰাৰে
সুখ দিয়াৰ পৰিকল্পনা
পিছে গৃহকৰ্তাই ওৰে ৰাতি
পায়চাৰি কৰে মনৰ ভিতৰত
আঁঠুৱাৰ ভিতৰলৈ অহাৰ
নামেই নলয়।।

# অসমীয়াৰ মুখতে বিকৃত হৈছে অসমীয়া ভাষা

**আকবৰ মজুমদাৰ**

> অসমৰ ৰাজ্যভাষা অসমীয়া ভাষাটো যে আমাৰ অসমীয়া মানুহৰ মুখতে বিকৃত ৰূপ লোৱাটো অসম সাহিত্য সভাৰ সভাপতি, বিষয়ববীয়াসকলে দেখিও নেদেখাৰ ভাও লৈছে। যাৰ ফলত চৰম অচলাৱস্থাৰ সৃষ্টি হৈছে অন্যতম জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ।

**অসমীয়া** এটা বৃহৎ জাতি। বিভিন্ন উপজাতি লগ লাগি এই বৃহৎ অসমীয়া জাতিটোৰ জন্ম হয়। প্ৰতিটো উপজাতিৰে নিজা ভাষা-সংস্কৃতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ খাদ্যাভ্যাস বেলেগ বেলেগ। তথাপি এই অনৈক্যৰ মাজতো ঐক্যৰ এনাজৰীডালত বান্ধ খাই আমি আজিও এক বৃহৎ অসমীয়া জাতি ৰূপে উচ্চ শিৰে থিয় হৈ আছো? জগত গুৰু শংকৰ, মাধৱ, আজান ফকীৰৰ এইখন মহামিলন ভূমি। এয়াই আমাৰ গৌৰৱ। নদ-নদী, পাহাৰ-ভৈয়াম, জান-জুৰি, তৰু-তৃণ, জীৱ-জন্তুৰে ভৰপূৰ চিৰসেউজীয়া আই অসমীৰ ৰূপৰ তুলনা নাই। বিভিন্ন ঋতুৰে বিভিন্ন সময়ত অসমৰ ৰূপৰ সলনি কৰে। শস্য আৰু মৎস্যৰে ভৰপূৰ আমাৰ আধুনিক অসমখনত একো অভাৱ নাই।

কিন্তু আমাৰ অসমীয়াসকলেও কথাই কথাই ইংৰাজী ভাষা কৈ কৈ অসমীয়া ভাষা যেন পাহৰি আছে। তাৰ কিছু কিছু বাক্য থূল-মূলকৈ দাঙি ধৰিলো?

ঐ হেৰি, মোৰ অফিচ টাইম হ'ল, ছাৰ্ট-পেণ্ট, গেঞ্জী-আণ্ডাৰপেণ্ট ক'তনো থৈছো? দিয়া উলিয়াই দিয়া। টিফিন ৰেডি হ'লনে? বাইক বা কাৰখন মচি দিবলৈ কোৱা। ছোৱালীবোৰে কয় কুৰ্তি, লেগিঞ্জ, হেণ্ডবেগ, ক্ৰিম, স্কুটী ইত্যাদি। ছাত্ৰ-ছাত্ৰীসকলে কয় বায়'ডাটা, চিভি এডমিচন, পাপা, মামি, আণ্টি, আংকল ইত্যাদি। ঐ অফ কৰ। নহ'লে চেঞ্জ কৰ। এই অসমীয়া চেনেলবোৰ কোনে চায়? ব'ৰ লাগি যায়। ইমান লেজি। আজিৰ দিনত কোনোবাই এইবোৰ চায় নে? অসমীয়া চিনেমা কোনটো হলত এক সপ্তাহতকৈ বেছি দিন চলে?

তোৰ দৰে অসমীয়াৰ কাৰণেই নচলে আক'। ইংৰাজৰ লাট চাহাব; অসমীয়া চিনেমা নাচায়, অসমীয়া কথা নকয়, অসমীয়া গান নুশুনে, অসমীয়া স্কুলত নপঢ়ায়। নিজৰ ভাষাটো এৰি আনৰ ভাষাক ভাল বোলা মানুহবোৰে লোকৰ গোলাম হ'ব পাৰে, মই নহওঁ।

অলপ আৰাম কৰি বহি একাপ চাহ খাওঁ বুলি ভাবিছিলো। নাই, খণ্ড যুদ্ধ আৰম্ভ হলেই ইহঁতৰ। 'ডিবেট বন্ধ কৰ'। মইনা যা, একাপ চাহকে বহাই দেগৈ।

উচিত কথা কিয় নক'ম? 'ৰিয়েল কথা ক'লে কিয় বেয়া পাৰ? ইয়াৰ কথা শুনা নাই। ই বৰ অসমীয়া প্ৰেমীটো ওলাইছে। খাটি অসমীয়াত কেইজন মানুহে কথা কয়? পুৱা শুই উঠাৰ পৰা আকৌ শুবলৈ যোৱালৈ হিচাপ কৰ, কিমান ইংৰাজী কথাকে কৈ আছো। গমেই নাই। 'মাইণ্ড' কৰচোন। অথনি যে হেল্লো হেল্লো কৰিলি, অসমীয়াতে কৈছিল চাগৈ। এই যে কাপ-প্লেট, কেটলি, টুথপেষ্ট, ব্ৰাছ, ৰেডিঅ', টিভি, ৰিম'ট, চেনেল, চিডি, ডিচ, ম'বাইল, নেটৱৰ্ক, কলচাৰ্জ, ৰিচাৰ্জ, আউট গোয়িং, ইনকামিং আদিবোৰ অসমীয়া ভাষাৰ শব্দ নেকি? নামাত যে আন কথাত 'বিজি' হ'ব নালাগেদে। নহ'লে 'চাৰেণ্ডাৰ' কৰ। হাৰিছো বুলি ক আকৌ।

কেলেই 'চাৰেণ্ডাৰ' কৰিম? ভূপেনদাৰ গানৰ অৰ্থ, সুৰ হেজাৰজনে শুনে। তই নুশুনিলে কি হ'ল? জুবিন দিক্ষু, সীমান্ত শেখৰ, অংগৰাগ, বাবুহঁতৰ গানচোন সকলোৰে মুখে মুখে। সিদিনা জুবিনৰ 'ফাংচন' চাবলৈ গৈ দেখা নাই কিমান মানুহৰ হেঁচা-ঠেলা। তইচোন থিয় হয়েই ৰাতিটো কটালি।

কি ক'লি 'ফাংচন'? এইটোচোন ইংৰাজী শব্দই। অসমীয়াত নক'লি কিয়। ল'ৰা এজনক চকী এখন আন বুলি ক'চোন, চাবি সি ঘূৰি আহি ক'ব তাত চকী নাই বুলি। চেয়াৰ বুলি ক'লে সি সাউৎকৈ লৈ আহিব। চকী, মেজ এইবোৰ এতিয়া 'আউট ডেটেড' শব্দ। আৰে.. আমাৰ পৰা গুৱাহাটীখন কিমান দূৰ। ব্ৰহ্মপুত্ৰখনৰ ইপাৰ-সিপাৰ। তোৰ অসমীয়া ভাষা 'ফেৰীতে' থৈ আহ। তাতেই শেষ, হয় হিন্দী, ইংৰাজী নতুবা বাঙালী, কিবা এটা ক'বই লাগিব। নহ'লে চিধাই 'চমজা নেহি'। নতুবা ক'ৰ 'গাঁও কা আদমী', কিছু বুজেনা ইত্যাদি। ঠগাই বেলবুং বনাই পঠাই দিব বাপ্পেকে।

সিহঁতে যি নকওক, আমি নিজৰ ভাষাতো কৈ থাকিলেই হ'ল। আমাৰ চোতালতে নিজৰ ভাষাটো কেলেই নক'ম? নুবুজিলে সিহঁতে শিকি লওক। সেই বুলি সিহঁতৰ তাত আমি বিক্ৰী যামনে?

থ থ। তোৰ কথামতে কোনেও নচলে। অৱশ্যে এটা কাম কৰিব পাৰ, যদি বেঙাৰ ভাও লৰ তেন্তে কিছু সহানুভূতি পাবি। ইয়াতে এইবিলাক ক'ব পাৰিবি। বাহিৰত গৈ চা, তোৰ অসমীয়া ভাষা কোৱা মানুহ এজনো বিচাৰি নাপাবি। 'পাৰ্টিচিপেট' কৰ। যাকে পা তাকে ক, যিহকে পা তাকে খা। কিবাকৈ কথাটো বুজিব পাৰিলেই হ'ল। ইমানটো লাগি থাকিবৰ কি আছে।

কোৱাৰ লগতে খোৱাৰ কথাটো কিয় আনিলি? তই আচলতে বিজতৰীয়া হৈ গৈছ দেই।

অ' গোসাঁই। তই যে খাই আছ, সেইবোৰ কি অসমীয়া খাদ্যই নেকি? ৰুটি, পৰঠা, এগৰোল, চাওমিন, জেলি, বাটাৰ, চিপচ, মিৰিণ্ডা, মেংগ' ফ্ৰুটি, ড্ৰিংকিং ৱাটাৰ, ক'কাকোলা এইবোৰ দোকানত কিনোতে কি বুলি সোধা? ঢেঁকীয়া, পচলা, খাৰলি, পাতত দিয়া টেঙাৰ জাল দিয়া, আলু পিটিকা, এইবোৰ চোন তোৰ ৰান্ধনি ঘৰতেই নাই। অসমীয়াৰ বাবে বাহিৰত বেলেগ এখন হোটেল নাপাৱ। পালেও মাছৰ ফ্ৰাই, চিকেনফ্ৰাই, অমলেট, পিজ্জা, ফ্ৰাইডৰাইচ এইবোৰ পাবি। 'পাৰ প্লেট ছিষ্টেমত খাবি। বিল দিবি, বছ ইমানেই। তাকেই কৈছো।

ঐ ইংলিচ ম্যান। তোৰ মুখখন বন্ধ কৰ, তই আনৰ 'আণ্ডাৰত' চলা মানুহ, চলি থাক। আমাৰ তালৈ নাটানিবি। মই যি অসমীয়া অসমীয়াই। তোৰ দৰে কথাৰ মাজত ইংৰাজী কোৱা মানুহক মই লাইক নকৰো।

তহঁত দুটাৰ তৰ্ক শেষ হ'লনে? ব'ল এতিয়া । অলপ জিৰণি ল'ম বুলি আহিছিলো। তহঁতৰ ফাইটখনে ডিচটাৰ্বহে কৰিলে।

ব'ল বুলি ক'লেই যামনে? তইতো কিবা এটা 'কমেণ্ট' দিব পাৰ।

'গুড, ভেৰি গুড'।

তেতিয়াহ'লে মোৰ ফালে মাইণ্ড কৰ'। বাই দা ৰে, একচুৱেল কথাটো হ'ল 'চান্দ না বদলা, সূৰয না বদলা, না বদলা আচমান; লেকিন কিতনা বদল গয়া ইনচান' বুলি এটা কথা আছে। আজিকালি বহুত 'স্ক'প' হ'ল। গোটেই ৱৰ্ল্ডখন সৰু গৈ গ'ল। সললো প্লেচতে মানুহৰ ভাৱ, ভাষা, সংস্কৃতি 'মিক্‌চাৰ' হৈ গ'ল। তহঁত দুটাই 'ইয়েচ' নক'লেও এইটো কিন্তু 'কাৰেক্ট'।

জৰ্জ ফিল্ডত ইনডিপেনডেণ্ট ডে আছে, কি কি স্কিম ডিকলাৰ কৰে 'চিএম'এ চাই আহো ব'লা।

অসমৰ ৰাজ্যভাষা অসমীয়া ভাষাটো যে আমাৰ অসমীয়া মানুহৰ মুখতে বিকৃত ৰূপ লোৱাটো অসম সাহিত্য সভাৰ সভাপতি, বিষয়ববীয়াসকলে দেখিও নেদেখাৰ ভাও লৈছে। যাৰ ফলত চৰম অচলাৱস্থাৰ সৃষ্টি হৈছে অন্যতম জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ। আমাৰ চিৰ সুন্দৰ অসমীয়া ভাষাটো পুনৰ উদ্ধাৰৰ বাবে অসম সাহিত্য সভাই আগভাগ লৈ চহৰে-নগৰ, গাঁৱে-ভূঞে, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়সমূহত কিছু সজাগতামূলক সভা অনুষ্ঠিত কৰাৰ অতিকৈ প্ৰয়োজন হৈছে বুলি আমাৰ দৃষ্টিগোচৰ হৈছে। লগতে যদি অভিভাৱকসকলে কণ কণ ল'ৰা-ছোৱালী বা ছাত্ৰ-ছাত্ৰীসকলক আৰম্ভণিৰে পৰা অসমীয়া ভাষা কোৱাৰ চৰ্চা কৰালে হয়তো অতি শীঘ্ৰে সকলো মানুহৰ ওপৰত অসমীয়া ভাষাৰ প্ৰভাৱ পৰিব বুলি আমি আশা কৰো।

*ফোন ঃ ৬৯০০৭৪৪৬০১*

# চাকি

**সাহিত্যৰ ৰূপৰেখা**

**ড° নিভাৰাণী ফুকন**



ইংৰাজ গল্পকাৰ, নাট্যকাৰ, ঔপন্যাসিক, ৰম্য ৰচনাৰ লেখক আৰু সৈনিক হেক্তৰ হিউগ' মুনৰোৱে 'চাকি' ছদ্মনামত অনেক হাস্যমধুৰ, শ্লেষাত্মক আৰু কোনো কোনো সময়ত বিভৎস ৰসৰ গল্পও ৰচনা কৰিছিল। পৃথিৱীলৈ 45 বছৰ আয়ুস লৈ অহা এই গৰাকী সৈনিক-সাহিত্যিক-সাংবাদিকে তেওঁৰ ৰচনাত এডৱাৰ্ডীয় ইংলণ্ডৰ সমাজ জীৱনক লক্ষ্য কৰি ব্যঙ্গ-বিদ্ৰূপমূলক গল্প আৰু অন্যান্য ৰচনাত হাত দিছিল। ১৮৭০ৰ ১৮ ডিচেম্বৰত ব্ৰিটিছ বাৰ্মাৰ অন্তৰ্গত আক্য়াব নামৰ ঠাইত হেক্তৰ হিউগ' মুনৰোৰ জন্ম হৈছিল। দেউতাক Indisn Imperial Police বিভাগৰ মহাপৰিদৰ্শক আছিল। তেওঁৰ নাম চাৰ্লচ আগষ্টাচ মুনৰো। হেক্তৰৰ মাতৃ মেৰী ফ্ৰাঞ্চেচ্ মাৰ্চাৰ Rear Admiral চেমুৱেল মাৰ্চাৰৰ কন্যা আছিল। ১৮৭২ত এটা দুৰ্ঘটনাত পতিত হৈ মাক মেৰী মৃত্যুমুখত পৰিছিল। তেতিয়া তেওঁৰ পিতৃয়ে হেক্তৰ সহ তেওঁৰ অন্য কেইজন ভাতৃ-ভগ্নীক ইংলণ্ডলৈ পঠিয়াই দিলে য'ত ইংলণ্ডৰ ডেভনৰ অন্তৰ্গত বাৰ্ণষ্টেপেলত অৱস্থিত পৈত্ৰিক গৃহত দুগৰাকী অবিবাহিত পেহীয়েক চাৰ্লোট আৰু আগষ্টাৰ তত্বাৱধানত কণমানি কেইটিয়ে নিঃসংগ জীৱন কটাবলগীয়া হৈছিল। পেহীয়েক কেইগৰাকীয়ে তেওঁলোকক ইমান কঠোৰ শাসনত ৰাখিছিল যে তেওঁলোকে ওচৰ-চুবুৰীয়া লগ-সমনীয়াৰ লগতো খেলা-ধূলা কৰাৰ অনুমতি নাপাইছিল। পৰৱৰ্তী সময়ত তেওঁ ল'ৰা-ছোৱালীৰ বাবে লিখা ভালেমান গল্পত এই দুই কঠোৰ হৃদয় পেহীয়েকৰ চৰিত্ৰ কেইটা চিত্ৰিত কৰিছিল। তাৰ ভিতৰত উল্লেখযোগ্য গল্প আছিল The Lumber Room আৰু Sredni Vastor। ১৮৮৭ত দেউতাকে চাকৰিৰ পৰা অৱসৰ লৈ ইংলণ্ডলৈ উভতি গৈছিল। তেওঁ তেওঁৰ সন্তানকেইটিক লৈ ইউৰোপ ভ্ৰমণ কৰিছিল। হেক্তৰো Indisn Imperial Policeত যোগদান কৰি বাৰ্মাত থকা কৰ্মস্থলীত যোগদান কৰিছিল। কিন্তু তাৰ জলবায়ুৰে তেওঁক নুখুজাত তেওঁ পুনৰ ইংলণ্ডলৈ উভতি গৈ লেখক হিচাপে তেওঁৰ কৰ্মজীৱন আৰম্ভ কৰিবলৈ স্থিৰ কৰিলে। সেই সূত্ৰে তেওঁ সংবাদসেৱী ৰূপে The Westminister Gazette, Daily Express, The Morning Past আৰু লেখৰ আলোচনী যেনে The Bystander, Outlook আদিত লেখা দিবলৈ ধৰিলে। এডৱাৰ্ডীয় সমাজৰ বাহ্যিক আড়ম্বৰ, অনৈতিক আচৰণ, সামাজিক বৈষম্য ইত্যাদিক শ্লেষ, ব্যংগৰ মাজেৰে কঠোৰভাৱে সমালোচনা কৰা হেক্তৰ হিউগ' মুনৰোৱে 'চাকি' ছদ্মনামেৰে সাহিত্যৰ জগতত পদাৰ্পণ কৰিছিল।

বাল্‌কান যুদ্ধৰ সময়তো তেওঁ The Morning Past ৰ বাবে পৰৰাষ্ট্ৰৰ সংবাদদাতাৰূপে নিয়োজিত আছিল। তেওঁৰ লেখৰ সৃষ্টিসমূহৰ ভিতৰত Reginald (১৯০৪), Reginald in Russia (১৯১০), The Chronicoles of Clovis (১৯১২), Beasts and Super-Beasts (১৯১৪) বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ গল্পবৃষ্টিসমূহ হাস্যৰসাত্মক, শ্লেষপূৰ্ণ আৰু কোনোটো গল্প বিভৎসতাৰ মূৰ্তিমান ৰূপ। সৰল হাস্যৰস প্ৰধান কোনো কোনো গল্পৰ পৰিণতি অভাৱনীয় হয় যে পাঠক আশ্চৰ্য চকিত নোহোৱাকৈ নাথাকে।

তেওঁৰ The Joys of Peace এনে এটা গল্প য'ত ব্যংগৰ মাজেদি যুদ্ধ আৰু হিংসাৰ সৰ্বগ্ৰাসী পৰিণামৰ কথা ব্যক্ত কৰা হৈছে। গল্পটোৰ পৃষ্ঠভূমি হৈছে ১৯১৪ আৰু বিষয়বস্তু হৈছে কেইটামান যুদ্ধবিৰোধী সংগঠনে সৃষ্টি কৰা সমন্বয়ৰক্ষী সমিতি National Peace Council ৰ অসফল প্ৰয়াস। এই সমিতিখনে যুদ্ধ আৰু হিংসাৰ পৰিৱৰ্তে শান্তি আৰু প্ৰেমৰ ভাব বিৰাজ কৰিবলৈ শিশুহঁতে খেলা পুতলাবোৰো পৰিৱৰ্তন কৰিবলৈ প্ৰয়াস কৰিছিল। বিশেষকৈ ল'ৰাই খেলা শৌৰ্য আৰু হিংসা পৰিচায়ক পুতলাবোৰৰ সলনি সিবিলাকক 'শান্তিৰ পুতলা' অৰ্থাৎ অসামৰিক সমাজখনৰ কল্যাণৰ দিশ দৰ্শোৱা পুতলা খেলিবলৈ দিলে ল'ৰাহঁতৰ মনৰ ভাব পৰিৱৰ্তন সম্ভৱ।

সেই ভাবনাৰ বশৱৰ্তী হৈ এলেনোৰ বোপ নামৰ মহিলাগৰাকীয়ে তেওঁৰ ভ্ৰাতৃ হাৰ্ভেক তেওঁৰ দুই এঘাৰ আৰু চাৰে ন বছৰীয়া ভাগিনলৈ 'শান্তিৰ পুতলা' আনিবলৈ আহ্বান জনাইছে। মোমায়েকে তাকেই কৰিছে। প্ৰিয় ভগ্নীৰ পৰমৰ্শ মতে ইষ্টাৰ পালন কৰিবলৈ তেওঁ ভাগিনীয়েক দুটিলৈ 'শান্তিৰ পুতলা' কিনিলে আৰু ইষ্টাৰৰ উপহাৰ হিচাপে তাক দুয়োটি ভাগিনক প্ৰদান কৰিলে। শিশু দুটিৰ মাতৃ অৰ্থাৎ এলেনোৰ উৎফুল্লিত হৈছিল যদিও হাৰ্ভেয়ে কিছু সন্দেহ প্ৰকাশ কৰি ক'লে যে মানুহৰ কিছুমান স্বভাৱজাত প্ৰবৃত্তিৰ সলনি নহয়। সেইদৰে কিছুমান বংশগত দোষ-দুৰ্বলতাও উত্তৰ প্ৰজন্মলৈ প্ৰবাহিত হয়। শিশু দুটিৰ আজো- ককাক কেউজন বীৰ্যবান হোৱাৰ লগতে উগ্ৰ মনোভাৱী আছিল। গতিকে উত্তৰ পুৰুষ শিশু দুটিৰ গাত আজো-ককাহঁতৰ উগ্ৰতাৰ চিন যে নাথাকিব তাৰ মানে নাই।

উপহাৰৰ টোপোলাটো খোলাৰ পাছত দুয়োটি শিশু নিৰাশ হৈছিল। তেওঁলোকে মোমায়েকক জনালে যে তেওঁলোকৰ বুৰঞ্জী বিষয়ৰ কিবা এটা পাঠৰ অনুশীলন কৰিবলগীয়া আছে। পাঠৰ অনুশীলনৰ পিছতহে খেলিব। মোমায়েকে কি পাঠৰ অনুশীলন আছে বুলি সোধাত উত্তৰ আহিল যে তেওঁলোকে ফৰাচী দেশৰ বাৰ্‌বন (Bourbon) শাসনৰ সময়ছোৱাৰ বিষয়ে পঢ়িবলগীয়া আছে। মোমায়েকে কথাটো শুনি বৰ ভাল নাপালে। তেওঁ চিন্তাত পৰিল তেওঁৰ ভাগিনীয়েক দুটিয়ে বুৰঞ্জীৰ বিষয়ে ইমানবোৰ কথা কি দৰে জানিলে - তাকো প্ৰাথমিক বিদ্যালয়ত পঢ়ি থাকোতে?

যেতিয়া আধা ঘণ্টামানৰ পাছত তেওঁ ভাগিনীয়েকহঁতেনো কি কৰিছে তাক চাবলৈ গ'ল তেতিয়া তেওঁ দেখিলে যে তেওঁলোকে চতুৰ্দশ লুইয়ে ৰক্তাক্ত অভিযানত যোৱা আখৰা কৰি এখন ৰক্তাক্ত যুদ্ধৰ পাতনি তৰিছে। মোমায়েকে দিয়া আটাইকেইটা 'শান্তিৰ পুতলা' সেই ৰক্তাক্ত যুদ্ধৰ পাত্ৰ-পাত্ৰী আৰু দুৰ্গ হিচাপে লৈছে। সেই 'ৰক্তাক্ত সংগ্ৰাম'ৰ পৰিণতি অতি 'ভয়ানক' আছিল। হাৰ্ভেয়ে চেপা কণ্ঠেৰে এলেনোৰক ক'লে, "আমি কৰা সম্পৰীক্ষাটোত সফল নহ'ল। আমি আৰম্ভ কৰা বহুত পলম হ'ল।"

মানুহৰ স্বভাৱজাত প্ৰবৃত্তিৰ ভিতৰত হিংসাও এটা। মানুহে নিজৰ আত্মৰক্ষাৰ বাবেও কোনো কোনো সময়ত হিংসাৰ আশ্ৰয় ল'ব লগীয়া হয়। সেইদৰে জীৱনৰ সকলো প্ৰতিকূল পৰিস্থিতিত মানুহে থাকিবলৈ শক্তিৰ প্ৰয়োগ কৰিবলগীয়া হ'ব পাৰে। সেইটো অৱধাৰিত। তদুপৰি হিংসা আৰু অহিংসা - এই দুয়োটা এটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। এই দুই বিপৰীত ক্ৰিয়া-প্ৰতিক্ৰিয়া থাকিবই। তদুপৰি পৰিৱেশ আৰু পাৰিপাৰ্শ্বিক অৱস্থায়ো এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। গল্পটোৰ পশ্চাদপট বিচাৰ কৰিলে তেনে এখন সমাজৰ ছবি প্ৰকট হয় যিখন সমাজ ক্ৰমে ক্ৰমে যুদ্ধৰ অভিমুখে আগবাঢ়িছে। গতিকে তেনে পৰিস্থিতিত 'শান্তিৰ পুতলা' ধাৰণাটো কিমান যুক্তিসংগত আৰু ফলপ্ৰসূ হ'ব সেয়াও এক সন্দেহৰ বিষয়। চাকিৰ এই হাস্যমধুৰ গল্পটোৰ গহীন পৰিণতিয়ে পাঠকৰ মনত তেনে প্ৰশ্ন উদয়ৰ বাট প্ৰশস্ত কৰে।

তেওঁৰ গল্পবোৰৰ আকস্মিক অভাৱনীয় পৰিণতিৰ দৰে তেওঁৰ জীৱন প্ৰদীপ গছিও আকস্মিকভাৱে নিৰ্বাপিত হৈছিল যেতিয়া আংকাৰা যুদ্ধ (Battle of the Ancre)ৰ সময়ত ১৯১৬ৰ নৱেম্বৰৰ ১৪ তাৰিখৰ দিনা শত্ৰু পক্ষীয় জাৰ্মান স্নিপাৰৰ গুলিত মৃত্যু বৰণ কৰিছিল। তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ ভগ্নী এথেলে তেওঁৰ দ্বাৰা লিখিত ব্যক্তিগত নথিসমূহ 'ধ্বংস' কৰি তেওঁ নিজৰ আৰু ভ্ৰাতৃ হেক্তৰৰ ল'ৰালি কালৰ স্মৃতিকথা নতুনকৈ লিখিছিল। *(আগলৈ)*

*ইমেইল- neevarani11@gmail.com*



# ৰূপান্তৰৰ কথা আৰু বাল্মীকিৰ পুনৰ্জন্ম




**পৌৰাণিক** যুগৰ বিচিত্ৰতা আৰু ইতিহাস অধ্যয়ন কৰিলেই ৰামায়ণ-মহাভাৰতৰ আখ্যানযুক্ত অধ্যায়বোৰৰ চিত্ৰ-কাহিনীৰ কথাই সততে লেখক-লেখিকা তথা পঢ়ুৱৈৰ মন-মগজুত দোলা দিয়ে। কিয়নো ভাৰতীয় সংস্কৃতি তথা ইতিহাসত অযোধ্যাৰ বৰ্ণনচিত্ৰ শ্ৰেষ্ঠৰূপে পৰিচিত। এই অযোধ্যাৰে আদৰ্শনীয় স্থানত স্থানাংকিত ৰাম-সীতা। তদুপৰি দস্যু বৃত্তিৰ পৰা ৰূপান্তৰ ঘটি মহাজ্ঞানী আৰু স্ৰষ্টাৰ ৰূপ অলংকৰণ কৰি যি ভাৰতীয় সংস্কৃতি-সাহিত্য দৰ্শনৰ চানেকি চৰালে, সেই ক্ষেত্ৰত বাল্মীকিৰ ইতিহাস প্ৰসিদ্ধ। মূলতঃ পুণ্যাৱতাৰৰ মৌলিক সংস্পৰ্শ। এনে দৃষ্টি-দৰ্শনৰ অভিধাৰে লেখিকা ড° পাৰুল গোস্বামীয়ে 'ৰূপান্তৰ কথা' শীৰ্ষক গ্ৰন্থখন কে'বাটাও কাহিনী-কথাৰে প্ৰকাশ কৰি পঢ়ুৱৈ সমাজলৈ আগবঢ়াইছে। ৰাম অৱতাৰ, ঈশ্বৰতত্ত্ব, ৰামৰ ৰাজনীতি, স্নেহভক্তি, শাপমুক্ত অহল্যা, অগ্নিকন্যাৰ সতীত্ব, ভৱভূতিৰ কবিত্ব, মৌলিকতা আদি লেখাৰে গ্ৰন্থখন পঠনযোগ্য মাপনিলৈ লৈ যোৱাত ড° গোস্বামীৰ শ্ৰম সফল হৈছে।

আনহাতে, একুৰি ১০টা খণ্ড সন্নিৱিষ্ট 'বাল্মীকিৰ পুনৰ্জন্ম' শীৰ্ষক উপন্যাসখন ড° গোস্বামীৰ অসমীয়া উপন্যাস সাহিত্যৰ ভঁৰালত অন্যতম সংযোজন। সাম্প্ৰতিক কালৰ দুৰ্বিষহ জীৱনযাত্ৰা, সামাজিক দুষ্কাৰ্য, ধ্বংসমুখী দস্যুবৃত্তি, উশৃংখল যুৱ মানসিকতা, অন্ধবিশ্বাস আদিয়ে যিদৰে অধঃপতনৰ পথ মুকলি কৰিছে, সেইদৰে এচাম সৎচিন্তকৰ কৰ্ম-ক্ৰিয়াইও তেনে ধ্বংসমুখী কাৰ্যৰ পৰিৱৰ্তন ঘটাই মানৱীয় দৃষ্টিভংগীৰে সমাজ গঢ়াৰ পথ সুগম কৰি তোলে। এনে ক্ষেত্ৰত প্ৰয়োজন আত্মসংযম, আত্মবিশ্বাস, মানৱীয় চিন্তাকৰ্ষক বিশ্বাস আৰু সংস্কৃত মন। উপন্যাসখনত সাংবাদিকতাৰ যি প্ৰকৃত ধৰ্ম, সেই ধৰ্মৰ বিপৰীত মেৰুত থিয় দিয়াসকলৰ মাজতো যে সততা আৰু সত্য থাকে, তাকেই জয়ন্ত বৰুৱা নামৰ চৰিত্ৰটোৰ মাজেৰে উপস্থাপন কৰিছে। ভণ্ডামি আৰু উগ্ৰবাদেৰে অশান্ত পৰিৱেশ সৃষ্টি কৰাৰ বিপৰীতে শান্তিৰ বাতাবৰণ গঢ়ি তোলাই হ'ল মৌলিক দৃষ্টিভংগী। সেয়ে দস্যু ৰত্নাকৰৰ পৰা বাল্মীকি হোৱা আৰু টলষ্টয়, প্লেটো, মহাত্মা গান্ধীৰ মানৱ প্ৰেমৰ চানেকিৰে উপন্যাসৰ কাহিনী কথন লেখিকাই আগবঢ়াই লৈ গৈছে। লেখিকাই সেয়ে কৈছে— 'মানৱ ইতিহাসত খোদিত আছে যুগে যুগে মহামানৱ আৱিৰ্ভাৱ হৈ দুষ্কৃতিক ধ্বংস কৰি শান্তি প্ৰতিষ্ঠা কৰাৰ কথা।' গতিকে শাসন আৰু শোষণ, সংস্কৃত-অসংস্কৃত, নীতি-অনীতি আদিৰ মৌলিকত্বক প্ৰতিষ্ঠা কৰাৰ বাবেই সাংবাদিক বৃত্তিৰে জীৱন মহীয়ান কৰাৰ লগতে সমাজ সংস্কাৰী দিক্ নিৰ্ণায়কৰ ভূমিকা লোৱা জয়ন্তৰ চৰিত্ৰৰ লগতে আন আন চৰিত্ৰৰ সংযোজন ঘটাই লেখিকাই বাল্মীকিৰ পুনৰ্জন্ম কাহিনীৰে উপন্যাসখনিৰে অনন্য মাত্ৰা দিছে। লেখিকাৰ শ্ৰমক পঢ়ুৱৈ সমাজে মৰ্যাদা দি 'ৰূপান্তৰ কথা' আৰু বাল্মীকিৰ পুনৰ্জন্ম'ক আদৰি ল'ব বুলি আশা কৰিলো।

**হেমন্ত কুমাৰ চৌধুৰী**

*ফোন ঃ ৭৫৭৮০৮৬৬৪১*

## লুলু আৰু জুজু
(হাঁহি ধেমালি)

**লুলু ঃ** বাৰু, ক চোন জুজু 'খোৱা' মানে কি কৰা?
জুজু ঃ কিয় চোবাই গিলি দিয়া আক'।
লুলু ঃ এটা অৰ্থত হয় যদিও খোৱা বুলিলে বহুত অৰ্থত প্ৰকাশ কৰিব পাৰি।
জুজু ঃ যেনে ?
লুলু ঃ কি খালে ভাল লাগে, সুখ পায়?
জুজু ঃ চুমা আক'।
লুলু ঃ কি খালে বেয়া লাগে, দুখ পায়?
জুজু ঃ চৰ।
লুলু ঃ কি খালে লাজ পায়?
জুজু ঃ গালি।
লুলু ঃ কি খালে পিঠি উখহে?
জুজু ঃ বেত।
লুলু ঃ কি খালে পৰি যায়?
জুজু ঃ ঃ পিছল।
লুলু ঃ কি খালে চোবাব নালাগে, গিলিবও নালাগে?
জুজু ঃ শপত।
লুলু ঃ কি খালে উখহি পৰে?
জুজু ঃ মোচোকা
লুলু ঃ কি খালে ভয় লাগে?
জুজু ঃ উচাপ।
লুলু ঃ কি খালে খুলিবলৈ টান?
জুজু ঃ পাক।
লুলু ঃ কি খালে গৰু গুচি যায়?
জুজু ঃ খোল।
লুলু ঃ বেয়া কথা, বেয়া কাম কৰিলে কি খায়?
জুজু ঃ গালি।
লুলু ঃ কি খালে মিলি যায়?
জুজু ঃ খাপ।
লুলু ঃ আৰু এশবিধমান আছে পাছত সুধিম বাৰু।

(সু-মো-ম। )

# সাহিত্যৰ সাধনা

**ড° নৰকান্ত বৰদলৈ**

**গোস্তাভ** ফ্লবেয়াৰে হতাশাগ্ৰস্ত লেখকক এই বুলি সান্ত্বনা দিছিল যে Writing is a dog's life, but the only life worth living.

আমাৰ দেশৰ কথা কিন্তু আমাৰ অসমত লেখাকেই জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য কৰি লোৱা লেখক নাই বুলিব পাৰি। কাৰণ আমাৰ অসমত লেখাৰ পৰা যি ধন আহে তাৰে এজন লেখকৰ চাহ চিগাৰেটৰ খৰচেই নোলায়। সেয়ে আমাৰ অসমত লেখাটো এক চখ। অধ্যাপক, ইঞ্জিনীয়াৰ চৰকাৰী বিষয়া, স্কুলৰ শিক্ষকে আজৰি সময়ত Simple Pleasure ৰূপে লেখা-মেলা কৰে, আজৰি সময়ৰ সদ্ব্যৱহাৰ কৰে। লেখাক পেছাৰূপে লোৱাৰ পৰিৱেশ অসমত গঢ় লৈ উঠা নাই। পাঠ্যপুথি ৰচনা কৰিলে (সেই পুথিয়ে যদি বজাৰ পায়) প্ৰচুৰ পৰিমাণৰ ধনৰ ব্যৱস্থা হয়। কিন্তু সেই ধন লেখকৰ হাতলৈ নাহে। প্ৰকাশকে গ্ৰন্থখনৰ বিক্ৰী নাই বুলি লেখকক আভুৱা ভাঁৰি নিজে পেটুৱা হয়। অসমত লেখকক উপযুক্ত মাননি দিওঁ বুলি হাত দাঙিব পৰা প্ৰকাশক ওলালে মই (৪০খন উপন্যাস, পাঁচখন গল্প, দুহেজাৰমুক্ত লেখন) লেখন কাৰ্য সম্পূৰ্ণ বাদ দিম বুলি মই দাবী কৰিছো।

কাকতৰ পিঠিত কলম ঘঁহি খাব পৰা পৰিৱেশ এটা অসমত সৃষ্টি হোৱা নাই। বহু দেশত তেনে পৰিৱেশ আছে, দক্ষিণ ভাৰততো আছে। আমাৰ অসমৰ সাহিত্যিকক কোৱা হয় Free Lancer. পাশ্চাত্যত কলমৰ জোৰত জীৱন নিৰ্বাহ কৰা লোক আছে। লেখাৰ বাবেই হাতত থকা বৃত্তি এৰি দিয়া লেখক আছে।

আনখন জগত—লেখি চমক দিব খোজা লেখকৰ শেষ গতি কেনে দুৰ্বহ হৈ উঠে সেই কথা বহুতেই নাজানে।

বংগৰ মাইকেল মধুসূদন দত্তই এজনী ইংৰাজী গাভৰুক ভাল পাই বিয়া কৰাই খ্ৰীষ্টান হ'ল আৰু ইংৰাজীত লেখি জীৱন নিৰ্বাহ কৰিব বুলি স্থিৰ কৰিলে। তেওঁ মনে বিচৰা খ্ৰীষ্টান ছোৱালীজনীক উদ্দেশ্যি The Captive Lady নামৰ এটা কবিতা ৰচনা কৰি মতামতৰ বাবে এজন ইংৰাজ সাহিত্যিকলৈ পঠাই দিলে। উত্তৰ আহিল We donot want only shelly বা Shakespeare in our language. সেই মাইকেলে জীয়াই থকাৰ তাড়ণাত হাস্পতালৰ মৃত্যু শয্যাতো নাটকৰ পাণ্ডুলিপি প্ৰস্তুত কৰিব লগা হৈছিল।

পাশ্চাত্য সাহিত্যত বিফলতাৰ বহুত আখ্যান আছে। লেখাত বিফল হৈ ঔপন্যাসিক Silvia Plath-এ Belljar নামৰ উপন্যাস লেখাৰ পাছত অৰ্থ সংকটত ভুগি আত্মহত্যা কৰিছিল। একেই পৰিণতি কবি Ann Saxtons যিজনে ১৯৭৪ত মাত্ৰ ৩৬ বছৰ বয়সত আত্মহত্যা কৰে। ফৰাচী লেখক ৰোমেন গেৰীৰ লেখাৰ ক্ষমতা হেৰাই যোৱাৰ পাছত স্বামী-স্ত্ৰী দুয়ো আত্মহত্যা কৰে। ন'বেল বিজয়ী হেমিংৱেৰ অৱস্থা ইমান বেয়া হৈছিল যে বন্ধু-বান্ধৱৰ মাজত প্ৰচাৰ হৈছিল Hemingway is bad man to lend money to D.H hawrena য়ে পৰিবাৰ ফ্ৰিডাক কৈছিল যে I shall Change the world for the next thousand years. কিন্তু বিধিৰ বিধান। সেই অহংকাৰী লেখকজনৰ ৪৫ বছৰ বয়সতে মৃত্যু হ'ল। তেনেকৈ ভাবিছিল ভি এছ নাইপলে। যৌৱনত ভাবিছিলো লেখাৰ মাজেৰে পৃথিৱী ওলট-পালট কৰি দিম বৃদ্ধ বয়সত আহি দেখিছো সেই অভ্যাস বশতঃ লেখা।

**কৰ'না সন্দৰ্ভত আই আই টি দিল্লীৰ গৱেষকৰ সকীয়নি ঃ দৈনিক ৪৫ হেজাৰ হ'ব আক্ৰান্ত**

# দিল্লীত কৰ'নাৰ সম্ভাব্য তৃতীয়টো ঢৌ হ'ব অধিক ভয়ংকৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ মে' ঃ** দিল্লীত কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌ প্ৰায় নিয়ন্ত্ৰিত হোৱাৰ সময়তে কৰ'নাৰ সম্ভাব্য তৃতীয় ঢৌক লৈ সকীয়নি দিলে ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'লজী (আই আই টি) দিল্লীৰ গৱেষকে। এক প্ৰতিবেদনত আই আই টিৰ গৱেষকে কয় যে কৰ'নাৰ তৃতীয়টো সম্ভাব্য ঢৌৰ ক্ষেত্ৰত ৰাজধানী চহৰখনে প্ৰতিদিনে ৪৫,০০০ কৰ'না আক্ৰান্তক চিকিৎসা প্ৰদান কৰিবলৈ সাজু থাকিব লাগিব। তৃতীয় ঢৌত দৈনিক দিল্লীত ৯০০০ লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ প্ৰয়োজন হ'ব পাৰে বুলিও এই প্ৰতিবেদনত প্ৰকাশ। আই আই টিৰ প্ৰতিবেদনৰ তথ্য অনুসৰি, ক'ভিডৰ সম্ভাব্য তৃতীয়টো ঢৌ দেশৰ ৰাজধানী চহৰখনত অতি ভয়ংকৰ হোৱাৰ যথেষ্ট শংকা আছে। প্ৰথম আৰু দ্বিতীয় ঢৌৰ তুলনাত তৃতীয়টো ঢৌ যথেষ্ট প্ৰত্যাহ্বানমূলক হ'ব আৰু ইয়াৰ বাবে এতিয়াৰ পৰাই ৰাজ্যখনৰ সাজু নহ'লে পৰিস্থিতি অতি জটিল হোৱাৰ শংকা আছে বুলি আই আই টি গৱেষকে মত প্ৰকাশ কৰিছে। সম্ভাব্য সংকটৰ প্ৰতি লক্ষ্য ৰাখি দিল্লীয়ে চিকিৎসালয়ত শয্যা বৃদ্ধি, অক্সিজেন যোগান পৰ্যাপ্তকৰণত গুৰুত্ব দিয়া জৰুৰী হৈছে বুলি এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে। তিনিটা পৰ্যায়ত দিল্লীত ক'ভিডৰ তৃতীয়টো ঢৌৰ আগমন ঘটিব পাৰে বুলি আই আই টিৰ গৱেষকে সকীয়নি দি কয় যে প্ৰথমটো পৰিস্থিতিৰ ক্ষেত্ৰত সংক্ৰমণ দ্বিতীয় ঢৌৰ দৰে হোৱাৰ সম্ভাৱনা আছে। দ্বিতীয় পৰিস্থিতিত ৰাজধানী চহৰখনত তৃতীয় ঢৌত আক্ৰান্তৰ সংখ্যা ৩০ শতাংশ বৃদ্ধি পাব পাৰে। আনহাতে, তৃতীয় পৰিস্থিতিত সংক্ৰমিতৰ সংখ্যা ৬০ শতাংশলৈকে বৃদ্ধি পাব পাৰে আৰু এনে পৰ্যায়ত দিল্লীত দৈনিক ৪৫ হেজাৰৰো অধিক লোক ক'ভিডত আক্ৰান্ত হোৱা শংকা আছে। সম্ভাব্য এই সংকটৰ পৰা ৰক্ষা লাভ কৰিবলৈ হ'লে দিল্লীত দৈনিক ৯৪৪ মেট্ৰিক টন অক্সিজেনৰ প্ৰয়োজন হ'ব। অক্সিজেনৰ যাতে বৰ্তমানৰ দৰে নাটনি নহয়, তাক নিশ্চিত কৰিবলৈ চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা সময় থাকোতে ল'ব লাগিব বুলি আই আই টি দিল্লীয়ে প্ৰতিবেদনত পৰামৰ্শ দিছে। উল্লেখ্য যে শুকুৰবাৰে দেশৰ ৰাজধানী চহৰখনত নতুনকৈ ১,১৪১ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল আৰু ১৩৯ জন লোকে এই ভাইৰাছত প্ৰাণ হেৰুৱাইছিল।



## ধূম্ৰপায়ীৰ ক্ষেত্ৰত ক'ভিডত মৃত্যুৰ শংকা ৫০ শতাংশ ঃ বিশ্ব স্বাস্থ্য সংস্থা




**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ মে' ঃ** চিগাৰেট, বিড়ি আদিৰ দৰে ধপাতজাতীয় নিচা সেৱন কৰা ব্যক্তিৰ বাবে ক'ভিড কালত এক দুখবৰ। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ শেহতীয়া এক প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি, ক'ভিড কালত ধূম্ৰপান কৰিলে ইয়াৰ ফলত হোৱা হাওঁফাওঁৰ ক্ষতিৰ পৰিণতিত এনে ব্যক্তি কৰ'নাত আক্ৰান্ত হ'লে অকাল মৃত্যুৰ শংকা ৫০ শতাংশৰো অধিক হয়। হুৰ মুৰব্বী টেড্ৰ'ছ ঘেব্ৰেয়েছেছৰ দ্বাৰা জাৰি কৰা এক বিজ্ঞপ্তিত ধূম্ৰপায়ীসকলক সকীয়নি দি ধূমপানৰ অভ্যাস থাকিলে সেয়া ততালিকে ত্যাগ কৰিবলৈ পৰামৰ্শ দিলে। ধূমপান কৰা ক'ভিড ৰোগীৰ মাজত মৃত্যুৰ হাৰ অধিক হোৱাৰ তথ্য লাভৰ পাছত বিশ্ব স্বাস্থ্য সংস্থাই কৰ'না কালত সকলো লোকক চিগাৰেট-বিড়ি, ভাং আদি সেৱনৰ পৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দি কয় যে ধূমপানৰ নিচাৰ ফলত হাওঁফাওঁ যথেষ্ট ক্ষতিগ্ৰস্ত হয় আৰু কৰ'নায়ো যিহেতু হাওঁফাওঁত আক্ৰমণ কৰে, সেয়েহে ৰোগীৰ প্ৰাণহানিৰ শংকা অধিক হয়।



## পহিলা জুনৰ পৰা দেশত ১৬ শতাংশলৈকে বিমান ভাড়া বৃদ্ধি

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ মে' ঃ** ক'ভিড কালত ঘৰুৱা বিমানসেৱাৰ মূল্য বৃদ্ধি হ'ল। পহিলা জুনৰ পৰা দেশত বৃদ্ধি পাব ঘৰুৱা বিমানৰ টিকটৰ মূল্য। বিমান পৰিবহণ প্ৰতিষ্ঠানসমূহৰ বিত্তীয় ঘাটি পূৰাবলৈ কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰণালয়ে বিমান ভাড়া ১৩ৰ পৰা ১৬ শতাংশলৈকে বৃদ্ধি কৰাৰ অনুমতি দিছে। এই নিৰ্দেশ অনুসৰি, পহিলা জুনৰ পৰা দেশৰ বিমান পৰিবহণ প্ৰতিষ্ঠানসমূহে দেশীয় বিমান ভাড়া ১৩-১৬ শতাংশলৈকে বৃদ্ধি কৰিব। ৪০ মিনিট সময়ৰ বিমান যাত্ৰাৰ ভাড়া ন্যূনতম ২৩০০ টকাৰ পৰিৱৰ্তে ২৬০০ টকালৈ বৃদ্ধি কৰা হৈছে। ৪০ৰ পৰা ৬০ মিনিট সময়ৰ বিমান যাত্ৰাৰ ভাড়া পূৰ্বৰ ২৯০০ টকাৰ পৰিৱৰ্তে ৩৩০০ টকা কৰা হৈছে।

## গোপনে বিবাহ সম্পন্ন ব্ৰিটিছ প্ৰধানমন্ত্ৰী জনছনৰ



**নিউজ ব্যুৰ', লণ্ডন, ৩০ মে' ঃ** অৱশেষত বিবাহপাশত আবদ্ধ হ'ল ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন। দীৰ্ঘদিনীয়া প্ৰেমিকা কেৰী ছাইমণ্ডছৰ স'তে অনাড়ম্বৰভাৱে ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে আনুষ্ঠানিক বিবাহ সম্পন্ন কৰিলে। কালি ৱেষ্টমিনষ্টাৰ কেথিড্ৰালত এই বিবাহ সম্পন্ন হয়। অৱশ্যে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে জনছনৰ বিবাহৰ সন্দৰ্ভত কোনো তথ্য প্ৰকাশ কৰা নাই। ব্ৰিটিছ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি অতি গোপনে গিৰ্জাত প্ৰেমিকা কেৰীৰ স'তে জনছনে তেওঁৰ বিবাহ সম্পন্ন কৰে। এই বিবাহলৈ মাত্ৰ কেইজনমান অতি ঘনিষ্ঠ অতিথিকহে নিমন্ত্ৰণ দিয়া হৈছিল। ক'ভিড বিধি পালনৰে ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে অতি অনাড়ম্বৰভাৱে বিবাহপাশত আবদ্ধ হয়। উল্লেখ্য যে পূৰ্বে জনছনৰ দুবাৰকৈ বিবাহ বিচ্ছেদ হৈছিল। ৫৬ বছৰীয়া জনছন প্ৰধানমন্ত্ৰী হোৱাৰ পাছৰে পৰা কেৰীয়ে তেওঁৰ স'তে ডাউনিং ষ্ট্ৰীটত একেলগে বসবাস কৰি আহিছে।

# গাজাৰ পাছত এইবাৰ ৱেষ্টবেংকত ইজৰাইল-পেলেষ্টাইনৰ সংঘৰ্ষ



**নিউজ ব্যুৰ' গাজা, ৩০ মে' ঃ** পুনৰ বাজি উঠিল যুদ্ধৰ ডংকা। গাজাৰ পাছত এইবাৰ সংঘৰ্ষৰ ইংগিত ৱেষ্টবেংক অঞ্চলত। ইজৰাইলী সেনালৈ শিল নিক্ষেপৰ অভিযোগ উত্থাপিত হ'ল পেলেষ্টাইনী নাগৰিকৰ বিৰুদ্ধে। উন্মত্ত জনতাক ছত্ৰভংগ দিয়াবলৈ ইজৰাইলৰ নিৰাপত্তা বাহিনীয়ে লগে লগে গুলিবৰ্ষণ কৰে। ইজৰাইলী সেনাৰ গুলিত প্ৰাণ হেৰুৱালে এজন পেলেষ্টাইনী যুৱকে। এই ঘটনাত আন দুজন লোকো আহত হৈছে। গাজা ভূখণ্ডত ১১ দিন ধৰি হোৱা ৰক্তক্ষয়ী সংঘৰ্ষৰ পাছত সম্প্ৰতি যুদ্ধবিৰতি বাহাল আছে। কিন্তু এতিয়াও হামাছ আৰু ইজৰাইল উভয় পক্ষই উত্তেজনাতে আছে। এনে পৰিস্থিতিৰ মাজতে হঠাৎ উত্তপ্ত হৈ উঠিল ৱেষ্টবেংক অঞ্চল। ফলত আকৌ এবাৰ বাৰুদৰ গোন্ধ বিয়পি পেলেষ্টাইন-ইজৰাইলৰ বতাহত। পুনৰ এক ৰক্তক্ষয়ী সংঘৰ্ষৰ আশংকাত কঁপি উঠিছে এই অঞ্চলৰ বাসিন্দা। পেলেষ্টাইনৰ অভিযোগ অনুসৰি বেইটা চহৰৰ নিকটৱৰ্তী পাহাৰৰ শৃংগ দখলৰ অপচেষ্টা চলাইছিল ইজৰাইলী সেনাই আৰু এই কাৰ্যত বাধা দিবলৈ শ শ পেলেষ্টাইনী নাগৰিকে ইজৰাইলী সেনালৈ শিলাবৃষ্টি কৰিছিল। লগে লগে ইজৰাইলী সেনাই পেলেষ্টাইনী নাগৰিকলৈ গুলিবৰ্ষণ কৰিছিল। এই ঘটনাৰ পাছতে ৱেষ্টবেংকত পুনৰ সংঘৰ্ষৰ পৰিৱেশ সৃষ্টি হ'ল। অঞ্চলটোত সম্প্ৰতি চেপা উত্তেজনা অব্যাহত আছে।



## কৰ'নাত অনাথ হোৱা শিশুক মাহে ১৫০০ টকা দিব বিহাৰ চৰকাৰে

**নিউজ ব্যুৰ' পাটনা, ৩০ মে' ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণত অনাথ হোৱা শিশুৰ কল্যাণৰ বাবে এখন আঁচনি ঘোষণা কৰিলে বিহাৰৰ নীতিশ কুমাৰ চৰকাৰে। ৰাজ্য চৰকাৰখনে আজি ঘোষণা কৰি কয় যে ক'ভিড সংক্ৰমণত অনাথ হোৱা শিশুক প্ৰতি মাহে ১৫০০ টকাৰ সাহায্য প্ৰদান কৰা হ'ব। উল্লেখ্য যে কৰ'নাৰ দ্বিতীয়টো ঢৌত বিহাৰত যথেষ্টসংখ্যক শিশু অনাথ হৈছে। ক'ভিডত পিতৃ-মাতৃ বা যিকোনো এজনক হেৰুওৱা শিশুক আৰ্থিক সকাহ প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰখনে মাহে ১৫০০ টকা প্ৰদানৰ সিদ্ধান্ত ল'লে। তদুপৰি অনাথ শিশুৰ শিক্ষাৰ ব্যয়ো ৰাজ্য চৰকাৰখনে বহন কৰিব।

## বিশ্বত কৰ'নাত পুনৰ আক্ৰান্ত হ'ল ৪.৮৮ লাখ, ১০,৮১০ জনৰ মৃত্যু



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ মে' ঃ** বিশ্বত ক্ৰমে ক'ভিডৰ সংক্ৰমণ অৱনমিত হ'বলৈ ধৰিছে। যোৱা ২৪ ঘণ্টাত বিশ্বজুৰি নতুনকৈ চাৰি লাখ ৪৪ হেজাৰ ৮৫৯ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। আনহাতে, এদিনত বিশ্বত ১০,৮১০ জন লোকে ক'ভিডত প্ৰাণ হেৰুৱালে। বিশ্বজুৰি বৰ্তমানলৈকে ১৭.০৬ কোটি লোক ক'ভিডত আক্ৰান্ত হ'ল। তদুপৰি ৩৫.৪৮ লাখৰো অধিক লোকে বিশ্বত কৰ'নাত প্ৰাণ হেৰুৱালে। ইফালে, ১৫.৭৫ কোটি লোকে কৰ'নাক পৰাভূত কৰিবলৈ সফল হ'ল। বৰ্তমানে বিশ্বজুৰি ১.৪৩ কোটি লোকে ক'ভিডৰ চিকিৎসা গ্ৰহণ কৰি আছে। এইসকল ৰোগীৰ ভিতৰত ৯২,১০৪ জন ৰোগীৰ অৱস্থা সংকটজনক।

## সংগীতজ্ঞ মেনছনৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ মহিলাৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ মে' ঃ** আমেৰিকাৰ ৱাশ্বিংটন নিবাসী এগৰাকী মহিলাই সংগীতজ্ঞ মেৰিলিন মেনছনৰ বিৰুদ্ধে ধৰ্ষণৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিলে। নিজকে মেনছনৰ প্ৰাক্তন প্ৰেমিকা বুলি দাবী কৰা মহিলাগৰাকীয়ে অভিযোগ কৰি জনোৱা মতে, ২০১১ত তেওঁৰ স'তে মেনছনৰ ৰোমাণ্টিক সম্পৰ্ক গঢ় লৈ উঠিছিল আৰু পাছত তেওঁক মেনছনে ধৰ্ষণ কৰিছিল। উল্লেখ্য যে মাৰ্কিন সংগীতজ্ঞজনৰ বিৰুদ্ধে ইয়াৰ পূৰ্বেও যৌন নিৰ্যাতন চলোৱাৰ একাধিক অভিযোগ উত্থাপিত হৈছিল। শেহতীয়াভাৱে সংগীতজ্ঞজনৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ উত্থাপন কৰা প্ৰাক্তন প্ৰেমিকাই মেনছনক এজন বিকৃত যৌন মানসিকতাৰ পুৰুষ বুলি অভিহিত কৰিছে।

## ভিডিঅ' শ্বেয়াৰ কৰি ৰামদেৱে ক'লে 'মেডিকেল মাফিয়াৰ সাহস থাকিলে আমিৰ খানৰ বিৰুদ্ধে গোচৰ তৰক'



**নিউজ ব্যুৰ', হৰিদ্বাৰ, ৩০ মে' ঃ** এপ'পেথি আৰু আয়ুৰ্বেদক লৈ সৃষ্টি হোৱা বিতৰ্ক অব্যাহত আছে। যোগগুৰু বাবা ৰামদেৱে প্ৰতিদিনে নতুন নতুন মন্তব্য প্ৰকাশ কৰি আহিছে। এইবাৰ যোগগুৰুজনে জনপ্ৰিয় অভিনেতা আমিৰ খানৰ এক ভিডিঅ' সামাজিক মাধ্যমত শ্বেয়াৰ কৰিলে। ৰামদেৱে কয় যে মেডিকেল মাফিয়াসকলৰ সাহস থাকিলে তেওঁলোকে আমিৰ খানৰ বিৰুদ্ধে গোচৰ তৰি দেখুওৱাক। 'ষ্টাৰ প্লাছ'ৰ এটি অনুষ্ঠানত আমিৰে ভাৰতত দৰৱৰ ভিন্ন মূল্যৰ প্ৰসংগত আলোচনা কৰিছিল। ৰামদেৱে আমিৰৰ অনুষ্ঠানৰ এক ভিডিঅ' শ্বেয়াৰ কৰিছে। এই ভিডিঅ'ত ৰাজস্থানৰ এজন ব্যক্তিয়ে ফাৰ্মাচিৰ পৰা ২১৫১ টকা মূল্যত দৰৱ ক্ৰয় কৰিছিল আৰু একেখিনি দৰৱ জেনেৰিক বিপণীত মাত্ৰ ৩৫৪ টকাতে বিক্ৰী কৰা হৈছিল। দৰৱৰ মূল্যৰ এই ব্যৱধানৰ সন্দৰ্ভত ৰামদেৱে প্ৰশ্ন উত্থাপন কৰিলে। ৰামদেৱে লগতে কয় যে ভাৰতৰ প্ৰতি দ্বিতীয়জন ব্যক্তি ইতিমধ্যে কৰ'নাৰ পৰা মুক্ত হ'ল আৰু তেওঁলোকে মূলত যোগাসন আৰু কৰ'নিলৰ জৰিয়তে এইদৰে নিজকে ক'ভিডমুক্ত কৰিবলৈ সক্ষম হ'ল। উল্লেখ্য যে কিছুদিন পূৰ্বে ৰামদেৱে 'এল'পেথি মূৰ্খৰ চিকিৎসা পদ্ধতি' বুলি মন্তব্য কৰিছিল আৰু এই মন্তব্যক লৈ চিকিৎসক সংগঠনসমূহে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে ৰামদেৱক ক্ষমা বিচাৰিবলৈ দাবী জনাইছিল। ৰামদেৱৰ বিৰুদ্ধে চিকিৎসক সংগঠনে আদালতৰো দ্বাৰস্থ হৈছে। সেই সন্দৰ্ভতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি যোগগুৰুজনে কয় যে অভিনেতা আমিৰ খানে বহুদিন পূৰ্বে দৰৱৰ ভিন্ন মূল্যৰ সন্দৰ্ভত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছিল আৰু সাহস থাকিলে এনে প্ৰশ্ন উত্থাপন কৰা অভিনেতাজনৰ বিৰুদ্ধে চিকিৎসা মাফিয়াসকলে আইনী ব্যৱস্থা গ্ৰহণ কৰি দেখুওৱাক।

# উত্তৰ প্ৰদেশত পিপিই পৰিধান কৰি নদীত পেলালে মৃতদেহ ঃ ভিডিঅ' ভাইৰেল



**নিউজ ব্যুৰ', বলৰামপুৰ, ৩০ মে' ঃ** উত্তৰ প্ৰদেশৰ বলৰামপুৰ জিলাত মানৱীয়তাক লজ্জিত কৰা এক ঘটনা সংঘটিত হ'ল। এই অঞ্চলত কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা এজন লোকৰ মৃতদেহ তেওঁৰ ভতিজাকে আন দুজনমান লোকৰ সহায়ত কালি ৰাপ্তি নদীত দলিয়াই দিয়া এক ভিডিঅ' মুহূৰ্ততে সামাজিক মাধ্যমত ভাইৰেল হ'ল। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি এল-টু হাস্পতালত চিকিৎসাধীন অৱস্থাত এজন বয়স্ক লোকৰ শুকুৰবাৰে মৃত্যু হৈছিল। শনিবাৰে দুপৰীয়া ব্যক্তিজনৰ মৃতদেহটো তেওঁৰ ভতিজাকে শেষকৃত্যৰ বাবে নিছিল। কিন্তু মৃতদেহৰ সৎকাৰ কৰাৰ পৰিৱৰ্তে ভতিজাকে আন লোকৰ সহায়ত নদীত উটুৱাই দিছিল। এই ঘটনাৰ এক ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হয়। উক্ত ভিডিঅ'ত ধৰা পৰা দৃশ্য অনুসৰি, পিপিই কিট পৰিধান কৰা এজন ব্যক্তিয়ে আন লোকৰ সহায়ত এখন দলঙৰ পৰা এটা মৃতদেহ নদীলৈ দলিয়াই দিছিল। অনুসন্ধানত লাভ কৰা তথ্য অনুসৰি, মৃত লোকজন হৈছে ৫৮ বছৰীয়া প্ৰেমনাথ মিশ্ৰ আৰু তেওঁৰ ক'ভিডত মৃত্যু হৈছিল। ঘটনা সন্দৰ্ভত ইতিমধ্যে প্ৰশাসনে তদন্তৰ নিৰ্দেশ দিছে। উল্লেখ্য যে উত্তৰ প্ৰদেশসহ আন কে'বাখনো ৰাজ্যত শেহতীয়াভাৱে এইদৰে কৰ'নাত মৃত লোকৰ দেহ গংগা আৰু অন্যান্য নদীত উটুৱাই দিয়া অথবা নদীৰ পাৰৰ বালিত কৱৰস্থ কৰা ঘটনা সংঘটিত হৈ আহিছে।

## বাজেট ভাষণত নতুন আমেৰিকা গঢ়াৰ আহ্বান বাইডেনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ মে' ঃ** ক'ভিডত বিধ্বস্ত আমেৰিকাৰ অৰ্থনীতিক নতুনকৈ গঢ়াৰ কথা ঘোষণা কৰিলে দেশখনৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। নতুন আমেৰিকা গঢ়িবলৈ মাৰ্কিন ৰাষ্ট্ৰপতিয়ে ছয় লাখ কোটি ডলাৰৰ বাজেট প্ৰস্তাৱ দাখিল কৰিলে। ইয়াৰ বাবে আমেৰিকাই অভিলেখ পৰিমাণৰ ঋণ ল'ব লাগিব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। দেশৰ অৰ্থনীতি শক্তিশালী কৰাৰ লগতে চীনৰ স'তে বাণিজ্যিক প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ লক্ষ্যৰে বাইডেনে এই বাজেট প্ৰস্তাৱ আগবঢ়োৱা বুলি ধাৰণা কৰা হৈছে। বিপুল পৰিমাণৰ বাজেট প্ৰস্তাৱৰ ঘোষণাৰ লগে লগে বিৰোধী ৰিপাব্লিকানসকলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে যদিও বাইডেনে স্পষ্টভাৱে কয় যে এই অতিমাৰীৰ পৰিস্থিতিত আমেৰিকাই পূৰ্বৰ পথত কেতিয়াও অগ্ৰসৰ হ'ব নোৱাৰে। নতুন আমেৰিকা গঢ়িবলৈ হ'লে এতিয়া নতুন পথ দেশখনে গ্ৰহণ কৰিব লাগিব বুলি মাৰ্কিন ৰাষ্ট্ৰপতিয়ে মত প্ৰকাশ কৰে। বাইডেনৰ প্ৰস্তাৱ অনুসৰি ২০২২ত আমেৰিকাৰ চৰকাৰী ব্যয়ৰ পৰিমাণ ৬,০১১ লাখ কোটি ডলাৰলৈ বৃদ্ধি পাব।



## তেলেংগানাত বিবাহ অনুষ্ঠানৰ জৰিয়তে কৰ'নাত আক্ৰান্ত শতাধিক, মৃত্যু চাৰিজনৰ

**নিউজ ব্যুৰ', হায়দৰাবাদ, ৩০ মে' ঃ** কৰ'না বিধি উলংঘন কৰি বিবাহ সম্পন্ন কৰাৰ পৰিণতি হ'ল বিষম। তেলেংগানাৰ খম্মম জিলাত এগৰাকী যুৱতীৰ বিবাহ ক'ভিড কালত সম্পন্ন হ'ল। ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা নিয়ম অনুসৰি, ক'ভিড পৰিস্থিতিত বিবাহলৈ মুঠ এশজন অতিথিকহে নিমন্ত্ৰণ জনাব পাৰি। কিন্তু এই বিধি উলংঘন কৰি সম্পন্ন কৰা বিবাহত অংশ ল'লে কমেও ২৫০ জন লোকে। বিবাহত অংশ লোৱা সৰহসংখ্যকে পৰিধান কৰা নাছিল মাস্ক, মানি চলা নাছিল সামাজিক দূৰত্ব বিধি। বিবাহৰ পাছতে কে'বাজনো অতিথি শাৰীৰিকভাৱে অসুস্থ হৈছিল আৰু তেওঁলোকৰ পৰীক্ষণ সম্পন্ন কৰাত শৰীৰত ক'ভিড-১৯ৰ সংক্ৰমণ ধৰা পৰে। প্ৰকাশিত বাতৰি অনুসৰি বিবাহত অংশ লোৱা ২৫০ অতিথিৰ এশজনৰ শৰীৰত ইতিমধ্যে ক'ভিডৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। তদুপৰি চাৰিজন লোকৰ কৰ'নাত মৃত্যুও হৈছে। কইনাৰ পিতৃৰো ইতিমধ্যে ক'ভিডত মৃত্যু হ'ল। বিবাহৰ পাছতে দৰা-কইনাৰ শৰীৰতো কৰ'নাৰ উপস্থিতি ধৰা পৰিছিল আৰু সম্প্ৰতি তেওঁলোক ঘৰতে আছুতীয়াকৈ আছে। উল্লেখ্য যে কিছুদিন পূৰ্বে তেলেংগানাৰ নিজামাবাদতো এক বিবাহ অনুষ্ঠানত অংশ লোৱাৰ পাছত ৮৭ জন অতিথি ক'ভিডত আক্ৰান্ত হৈছিল।

## আমেৰিকাত এছীয় মূলৰ প্ৰতি বৈষম্য ৰোধৰ নিৰ্দেশ বাইডেনৰ ঃ প্ৰতি বিভাগত ১৫ শতাংশ এছীয় লোকক নিয়োগ কৰক



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ মে' ঃ** আমেৰিকাত বৈষম্যৰ সন্মুখীন হৈ অহা এছীয় মূলৰ লোকসকলৰ সমস্যাৰ সমাধানৰ বাবে উদ্যোগ গ্ৰহণ কৰিলে দেশখনৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে এক কাৰ্যকৰী নিৰ্দেশনাৰ জৰিয়তে সকলো বিভাগত কমেও ১৫ শতাংশ এছীয় মাৰ্কিন নাগৰিকক নিয়োগৰ নিৰ্দেশ দিলে। উল্লেখ্য যে বিগত কে'বামাহত আমেৰিকাত এছীয় মূলৰ একাংশ লোকে হিংসা আৰু বৈষম্যৰ সন্মুখীন হৈ আহিছে। যোৱা বছৰত আমেৰিকাত এছীয় মূলৰ নাগৰিকৰ বিৰুদ্ধে এনে বৈষম্যমূলক ঘটনা ৬,৬০০ সংগঠিত হৈছিল। মাৰ্কিন ৰাষ্ট্ৰপতি হিচাপে ক্ষমতা লাভৰ পাছত বাইডেনে দেশখনৰ সকলো ৰাজহুৱা, ব্যক্তিগত আৰু মুনাফাবিহীন খণ্ডক কমেও ১৫ শতাংশ এছীয় মূলৰ মাৰ্কিন নাগৰিকক বিভিন্ন পদত নিয়োগৰ বাবে নিৰ্দেশ দিলে। মাৰ্কিন ৰাষ্ট্ৰপতিৰ মতে এই পদক্ষেপৰ জৰিয়তে আমেৰিকাৰ কৰ্মক্ষেত্ৰত এছীয় মূলৰ লোকৰ প্ৰতি সৃষ্টি হোৱা বৈষম্য আঁতৰ হ'ব। উল্লেখ্য যে আমেৰিকাৰ দুই কোটিৰো অধিক এছীয় মূলৰ লোকে বসবাস কৰি আহিছে। এইসকল এছীয় মূলৰ লোকৰ ৫২ লাখ চীনা মূলৰ আৰু ৪২ লাখ ভাৰতীয় মূলৰ নাগৰিক। ২০০০-২০১৯ সময়ছোৱাত আমেৰিকাত এছীয় মূলৰ নাগৰিকৰ সংখ্যা ৮১ শতাংশ বৃদ্ধি পাইছে।

## বিল গেটছক গ্ৰেপ্তাৰৰ দাবী টুইটাৰত, কিন্তু কিয়?



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ মে' ঃ** গ্ৰেপ্তাৰ কৰা হওক বিল গেটছক। আজি সামাজিক মাধ্যমত একাংশ লোকে উত্থাপন কৰিলে এই দাবী। ইতিমধ্যে টুইটাৰত 'হেশ্বটেগ এৰেষ্ট বিল গেটছ' অভিযান আৰম্ভ হৈছে। কিন্তু কিয় গেটছক এইদৰে গ্ৰেপ্তাৰ কৰাৰ দাবী টুইটাৰত উত্থাপিত হ'ল। পত্নীৰ স'তে বিবাহ বিচ্ছেদ অথবা মাইক্ৰ'ছফটৰ মহিলা কৰ্মীৰ স'তে অবৈধ সম্পৰ্কত জড়িত হোৱাৰ কাৰণত নহয়, দৰাচলতে আন এক কাৰণতহে টুইটাৰত গেটছক গ্ৰেপ্তাৰৰ দাবী উত্থাপিত হৈছে। মাইক্ৰ'ছফটৰ মুৰব্বী গেটছ আৰু তেওঁৰ প্ৰাক্তন পত্নীৰ প্ৰতিষ্ঠানে এটা এনজিঅ'ৰ সহযোগত ভাৰতত কণমানি আদিবাসী কন্যাৰ ওপৰত এবিধ দৰৱৰ প্ৰায়োগিক পৰীক্ষা সম্পন্ন কৰিছে আৰু এয়া সম্পূৰ্ণ অবৈধ বুলি দাবী উত্থাপন কৰি এখন পত্ৰিকাই গেটছক গ্ৰেপ্তাৰৰ দাবী জনাইছে। গেটছৰ বিৰুদ্ধে এই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছে তিনিমহীয়া পত্ৰিকা 'গ্ৰেট গে'ম ইণ্ডিয়া'ই। পত্ৰিকাখনত প্ৰকাশ পোৱা মতে, তেলেংগানাৰ খাম্মামত ১৪ হেজাৰৰো অধিক সংখ্যক আদিবাসী কন্যাৰ ওপৰত ২০০৯ বৰ্ষত দুই ধৰণৰ এইছ পি ভি প্ৰতিষেধকৰ প্ৰায়োগিক পৰীক্ষা সম্পন্ন কৰা হৈছিল। এইসমূহ শিশু কন্যাৰ বয়স আছিল ১০-১৪ বছৰ। এই পৰীক্ষণ সম্পন্ন কৰিছিল ছিয়াটলৰ পেথ নামৰ এটা স্বেচ্ছাসেৱী সংগঠনে আৰু এই সংগঠনৰ স'তে বিল এণ্ড মেলিণ্ডা গেটছ ফাউণ্ডেচন প্ৰত্যক্ষভাৱে জড়িত। অনুমতি অবিহনে ভাৰতীয় আদিবাসী শিশু কন্যাক এইদৰে প্ৰতিষেধকৰ প্ৰায়োগিক পৰীক্ষাত ব্যৱহাৰ কৰাৰ বিৰোধিতা কৰি শেহতীয়াভাৱে টুইটাৰত গেটছক গ্ৰেপ্তাৰৰ দাবী জনোৱা হৈছে। উত্থাপিত অভিযোগ অনুসৰি প্ৰতিষেধকৰ প্ৰায়োগিক পৰীক্ষণৰ পাছত ১২০ আদিবাসী কন্যা অসুস্থ হৈছিল।



# কণ্টেইনমেণ্ট জ'নত থকা লোকক খাদ্য যোগান ধৰিবলৈ স্বাস্থ্যমন্ত্ৰীৰ নিৰ্দেশ

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৩০ মে' ঃ** ক'ভিড নিয়ন্ত্ৰণৰ বাবে অধিক তৎপৰতা গ্ৰহণ কৰিছে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। কালি কলিয়াবৰ মহকুমাধিপতিৰ কাৰ্যালয় সভাগৃহত কলিয়াবৰৰ ১৮টা পঞ্চায়তৰ সকলো পঞ্চায়ত প্ৰতিনিধিক লৈ সমগ্ৰ কলিয়াবৰৰ পৰিস্থিতিৰ বুজ লয় মন্ত্ৰী মহন্তই। ইয়াৰ লগতে সকলোকে এই মহমাৰীৰ সময়ত তৎপৰতা গ্ৰহণৰ বাবে জনায়। ইফালে, নগাঁও জিলাৰ চাহ বাগিচা অঞ্চলত ক'ভিডৰ ভয়াৱহ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি দিনটোতে কলিয়াবৰত স্বাস্থ্যমন্ত্ৰী মহন্তই চাহ বাগিচাৰ কৰ্তৃপক্ষৰে আহ্বান কৰে এক জৰুৰী বৈঠক। সমগ্ৰ নগাঁও জিলাখনতে বিশেষকৈ ক'ভিড-১৯ৰ ভয়াৱহ সংক্ৰমণ চাহ বাগিচাসমূহত বৃদ্ধি পোৱাত এক আতংকময় পৰিস্থিতিত সৃষ্টি হৈছে। নগাঁও জিলাখনৰ চাহ বাগিচা অঞ্চলসমূহত দৈনিক ভয়ানকভাৱে বৃদ্ধি পাইছে কৰ'না আক্ৰান্তৰ সংখ্যা। এই সংক্ৰান্তত জিলাখনৰ মুঠ ২৩ খন চাহ বাগিচাৰ পৰিচালক, নগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, বিষয়া-কৰ্মচাৰী, নগাঁও সদৰ, ৰহা চামগুৰি, কলিয়াবৰৰ স্বাস্থ্য বিভাগ, প্ৰশাসনৰে ক'ভিড পৰ্যালোচনা কৰে স্বাস্থ্যমন্ত্ৰী মহন্তই। জিলাখনত থকা মুঠ ২৩ খন বাগিচাৰ ৫০১ জন আক্ৰান্ত হোৱাৰ বিপৰীতে ২৫৫ জন সুস্থ হৈছে আৰু ২৪৫ জন চিকিৎসাধীন হৈ আছে আৰু এজনৰ মৃত্যু হৈছে। এনে পৰিপ্ৰেক্ষিতত চাহ বাগিচাসমূহত ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধ কৰাৰ উদ্দেশ্যে কালি মিছা প'ল ক্লাবত এই বিশেষ বৈঠকত মিলিত হয় স্বাস্থ্যমন্ত্ৰী মহন্ত। ক'ভিডৰ তৃতীয় ঢৌত যাতে শিশুসকলক সুৰক্ষিতভাৱে ৰাখিব পাৰে তাৰ বাবে শিশু আই চি ইউৰ ব্যৱস্থা কৰা হ'ব বুলি জনায় স্বাস্থ্যমন্ত্ৰীজনে। ইফালে, কলিয়াবৰৰ প্ৰতিখন গাঁৱত ছেনিটাইজিঙকে ধৰি নানা সজাগতামূলক ব্যৱস্থা, কণ্টেইনমেণ্ট জ'নত থকা লোকসকলৰ খাদ্য যোগানকে ধৰি ঔষধ আৰু ধৰি আন আন সকলো ব্যৱস্থা সুচাৰুৰূপে সম্পন্ন কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে স্বাস্থ্যমন্ত্ৰীজনে।

# গোসাইগাঁৱৰ বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ অস্বাভাৱিক মূল্য বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ৩০ মে' ঃ** কৰ'নাৰ দ্বিতীয়টো ঢৌৰ দ্ৰুত সংক্ৰমণৰ সুযোগ গ্ৰহণ কৰি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ বিভিন্ন অঞ্চলত অসাধু ব্যৱসায়ীসকলে অত্যাৱশ্যকীয় সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধি ঘটাই গ্ৰাহক ৰাইজক মাধমাৰ শোধোৱাৰ ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। ৰাইজৰ অভিযোগ অঞ্চলটোৰ একাংশ অসাধু ব্যৱসায়ীয়ে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দাম নিজ খেয়াল-খুচি মতে বৃদ্ধি কৰি গ্ৰাহক ৰাইজৰ মূৰত ৰাম টাঙোন শোধাই অবাধে মুনাফা লুটি আছে। দ্বিতীয় ঢৌৰ দ্ৰুত সংক্ৰমণৰ সুযোগৰ সৎ ব্যৱহাৰ কৰি উক্ত বণিক শ্ৰেণীটোৱে বজাৰত খাদ্য সামগ্ৰীৰ অধিক মূল্য বৃদ্ধি কৰিছে। চাউল, দাইল, মিঠাতেল, কণীকে আদি কৰি সৰহভাগ দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ অনিয়ন্ত্ৰিত মূল্যবৃদ্ধিত ৰাইজ জীয়াতু ভুগিবলগীয়া হৈছে। নিম্ন মধ্যবিত্ত আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালসমূহৰ বাবে ঘৰ চলোৱাটো প্ৰায় অসম্ভৱ হৈ পৰিছে বুলি অভিযোগ উত্থাপন কৰিছে সচেতন নাগৰিক মঞ্চৰ শ্ৰীৰামপুৰ সমিতিৰ সভাপতি চন্দন দাসে। তেওঁ কয় যে এই বিষয়বিলাক নজৰ দিয়াৰ বাবে খাদ্য আৰু অসামৰিক যোগান বিভাগকে আদি কৰি ৰাজ্য চৰকাৰখনৰ অন্যান্য বিয়াগোম বিভাগ আছে যদিও বাস্তৱিকতে উক্ত বিভাগসমূহে প্ৰয়োজনীয় তদাৰক আৰু বাস্তৱসন্মত সিদ্ধান্ত গ্ৰহণ নকৰাৰ ফলত এনেদৰে দুষ্ট চক্ৰটোৱে বজাৰত অস্বাভাৱিকভাৱে মূল্য বৃদ্ধি কৰিবলৈ ছল পাইছে। বিষয়া-কৰ্মচাৰীসকলৰ একাংশই নিজৰ দায়িত্ব-কৰ্তব্য পালন নকৰাকৈ কেৱল মাহে মাহে দৰমহাকেইটা লৈয়েই নিজৰ দায়িত্ব সামৰিছে। ইফালে, গ্ৰামাঞ্চলৰ একাংশ ব্যৱসায়ীয়ে 'দৈনিক অগ্ৰদূত'ৰ আগত নিজৰ মতামত ব্যক্ত কৰি কয় যে চহৰ অঞ্চলত থকা পাইকাৰী দোকানীয়ে সামগ্ৰীৰ কৃত্ৰিম নাটনি দেখুৱাই নিজ খেয়াল-খুচি মতে খাদ্যবস্তুৰ মূল্য বৃদ্ধি কৰাৰ বাবে বজাৰত খাদ্য-সামগ্ৰীৰ এনেদৰে মূল্যবৃদ্ধি হ'বলৈ পাইছে। ইপিনে, গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত বিভিন্ন স্থানত বয়-বস্তুৰ দ্ৰুত মূল্য বৃদ্ধিৰ ফলত সচেতন ৰাইজ উদ্বিগ্ন হৈ পৰিছে।

# ৰাজ্যত ক'ভডত মৃত্যু ৫৫ জনলৈ, আক্ৰান্ত তিনি

*এক পৃষ্ঠাৰ পৰা* ইয়াৰ উপৰি মহানগৰীতো দৈনিক আক্ৰান্তৰ সংখ্যা আশাপ্ৰদভাৱে হ্ৰাস পোৱা বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। আজিৰ দিনটোত মহানগৰীত ৪২২ জন নতুনকৈ আক্ৰান্ত হোৱাৰ বিপৰীতে সাতজন ৰোগীৰ মৃত্যু হয়।

উল্লেখ্য যে বন্ধৰ বাৰ হোৱাৰ বাবেই আজি ৰাজ্যত ক'ভিড পৰীক্ষাৰ সংখ্যাও যথেষ্ট পৰিমাণ হ্ৰাস পায়। আজিৰ দিনটোত ৭১ হেজাৰ ৫৯৮ জনৰ ক'ভিড পৰীক্ষা সম্পন্ন হয়। তৎসত্বেও সংক্ৰমণৰ হাৰ কালিৰ ৪.৮২ৰ পৰা কিছু হ্ৰাস পায়। উল্লেখ্য যে কালি ৰাজ্যত ছহেজাৰ ৬১৩ জন লোক আক্ৰান্ত হোৱাৰ বিপৰীতে ৭৭ জনৰ মৃত্যু হৈছিল। ইয়াৰ তুলনাত আজিৰ সংখ্যাই ৰাজ্যত ক'ভিড পৰিস্থিতিৰ কিছু পৰিমাণ উন্নতি ঘটাৰ সংকেত দিলে। ইফালে, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে সদৰী কৰিছে যে অসমত আজি সক্ৰিয় ৰোগীৰ সংখ্যাও যথেষ্ট পৰিমাণে হ্ৰাস পালে। কালি প্ৰায় ৫৫ হেজাৰ সক্ৰিয় ৰোগী আছিল। সেই সংখ্যা আজি ৫২ হেজাৰ ৪৪৮ জনলৈ হ্ৰাস পালে। ইয়াৰ বিপৰীতে উৎসাহজনকভাৱে বৃদ্ধি পালে দৈনিক ক'ভিডমুক্তৰ সংখ্যা। আজিৰ দিনটোত পাঁচ হেজাৰ ৬৯০ জন ৰোগীক ক'ভিডমুক্ত ঘোষণা কৰা হয়। উল্লেখ্য যে ৰাজ্যত এই পৰ্যন্ত চাৰি লাখ ছহেজাৰ ৮৬৮ জন লোক ক'ভিডত আক্ৰান্ত হৈছে যদিও ইয়াৰে তিনি লাখ ৪৯ হেজাৰ ৭৭৩ জন ইতিমধ্যে সুস্থ হৈ উঠিছে। ৰাজ্যত এই পৰ্যন্ত তিনি হেজাৰ ৩০০ ক'ভিড ৰোগীৰ মৃত্যু হৈছে।

ইপিনে, কামৰূপ মহানগৰ জিলাৰ ক'ভিড পৰিস্থিতি উন্নতিৰ দিশে আগবঢ়াৰ বিপৰীতে তিনিচুকীয়া, ডিব্ৰুগড়, কাছাৰ, নগাঁও আদি জিলাত এতিয়াও পৰিস্থিতি উদ্বেগজনক হৈ আছে। আজিৰ দিনটোত তিনিচুকীয়াত ৩৭৭ জন লোক আক্ৰান্ত হোৱাৰ বিপৰীতে পাঁচজনৰ মৃত্যু হয়। ডিব্ৰুগড়ত ৩৫০ জন আক্ৰান্ত আৰু তিনিজনৰ মৃত্যু হোৱাৰ বিপৰীতে কাছাৰত ২৩৮ জন আক্ৰান্ত আৰু ছজন ৰোগীয়ে প্ৰাণ হেৰুৱায়। ইয়াৰ উপৰি নগাঁৱত ছজন, কামৰূপ গ্ৰাম্যত চাৰিজন, বৰপেটা, বঙাইগাঁও, যোৰহাটত তিনিজনকৈ, ধুবুৰী, হাইলাকান্দি, কোকৰাঝাৰ, লখিমপুৰত দুজনকৈ তথা বিশ্বনাথ, চৰাইদেউ, ডিমা হাছাও, গোৱালপাৰা, গোলাঘাট, কৰিমগঞ্জ আৰু শোণিতপুৰত এজনকৈ ৰোগীৰ মৃত্যু হোৱাৰ তথ্য প্ৰকাশ কৰিছে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে। অৱশ্যে কোনো কোনো জিলাত মৃতকৰ সংখ্যা স্বাস্থ্য বিভাগৰ তথ্যভুক্ত নোহোৱাৰো অভিযোগ আছে।

### ডিব্ৰুগড়ত তিনিজনৰ মৃত্যু ঃ আক্ৰান্ত তিনি শতাধিক

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** ডিব্ৰুগড় জিলাত দৈনিক আক্ৰান্ত আৰু মৃত্যুৰ সংখ্যা কিছু পৰিমাণে হ্ৰাস পোৱা আজি পৰিলক্ষিত হয়। তৎসত্বেও জিলাখনৰ ক'ভিড পৰিস্থিতি এতিয়াও উদ্বেগজনক হৈ আছে। বিগত এসপ্তাহৰ দৈনিক আক্ৰান্ত আৰু মৃত্যুৰ তুলনাত আজি সংখ্যা হ্ৰাস পোৱাত জিলাবাসীয়ে কিছু স্বস্তি অনুভৱ কৰিছে। তথাপি উৎফুল্লিত হোৱাৰ অৱকাশ নাই বুলি সচেতন মহলে মন্তব্য কৰিছে। আজি জিলাখনত ৩০২ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। বিগত এসপ্তাহৰ পাছত দৈনিক আক্ৰান্তৰ সংখ্যা চাৰিশৰ তললৈ নামিল। উল্লেখ্য যে জিলাখনত এই পৰ্যন্ত ১৩ হেজাৰ ৪৫৫ জনলৈ বৃদ্ধি পালে। সম্প্ৰতি জিলাখনত ছহেজাৰ ৩৫০ জন সক্ৰিয় ৰোগী আছে। আজি তিনিজন ক'ভিড ৰোগীৰ মৃত্যুৰ ফলত জিলাখনত প্ৰাণ হেৰুওৱা ৰোগীৰ সংখ্যা হ'লগৈ ১৭৫ জন।

### নগাঁৱত ক'ভিড যোদ্ধাসহ ছজনৰ মৃত্যু ঃ হ্ৰাস পাইছে আক্ৰান্তৰ সংখ্যা

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** নগাঁও জিলাত এজন ক'ভিডযোদ্ধাসহ মুঠ ছজন আক্ৰান্তৰ আজি মৃত্যু হোৱা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে সদৰী কৰিছে। ইয়াৰ বিপৰীতে দীৰ্ঘদিনৰ পাছত জিলাখনত দৈনিক আক্ৰান্তৰ সংখ্যা কিছু পৰিমাণে হ্ৰাস পায়। অৱশ্যে জিলাখনৰ ক'ভিড পৰিস্থিতিৰ উদ্বেগ এতিয়াও কমা নাই। জিলা স্বাস্থ্য বিভাগে সদৰী কৰা অনুসৰি আজিৰ দিনটোত ১৫৪ জন ক'ভিড ৰোগী চিনাক্ত হয়। ফলত ক'ভিডৰ দ্বিতীয় লহৰত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা ১০ হেজাৰ ৩২৭ জনলৈ বৃদ্ধি পালে। উল্লেখ্য যে দীৰ্ঘদিনৰ পাছত জিলাখনত দৈনিক আক্ৰান্তৰ সংখ্যা দুশৰ তললৈ নামিল। আজি আক্ৰান্তসকলৰ ৫২ জনক বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। জিলাখনত সম্প্ৰতি চাৰি হেজাৰ ৮০৩ জন সক্ৰিয় ৰোগ আছে আৰু পাঁচ হেজাৰ ৪৬৩ জন ইতিমধ্যে ক'ভিডমুক্ত হৈছে। ইফালে, আজি মৃত্যু হোৱা লোকসকলৰ ভিতৰত দুজনৰ তথ্য পোহৰলৈ আহিছে। ইয়াৰে অন্যতম হৈছে নগাঁৱৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ আন্তঃবিভাগৰ ৰোগীক কৰ'না পৰীক্ষা কৰাৰ দায়িত্বত থকা লেব'ৰেটৰী টেকনিচিয়ান প্ৰদীপ নাথ (৪৩)। উল্লেখ্য যে জিলাখনৰ হাতীচোং চমুৱাগাঁৱৰ নিবাসী নাথে যোৱা সপ্তাহত নগাঁও অসামৰিক চিকিৎসালয়ৰ কৰ'না পৰীক্ষাৰ দায়িত্বৰ পৰা অব্যাহতি লৈ ৰহাৰ নিজ কৰ্মক্ষেত্ৰত যোগদান কৰিছিল। ইয়াৰ পাছতে তেওঁ ক'ভিডত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত আছিল আৰু আজি চিকিৎসাধীন অৱস্থাতে ক'ভিডযোদ্ধাজনে শেষ নিশ্বাস ত্যাগ কৰে। আনহাতে, আজি মৃত্যু হোৱা আন এগৰাকী কৰ'না ৰোগী হৈছে কামপুৰৰ নিবাসী কিৰণ দেৱী (৬০)। চৰকাৰী সূত্ৰ অনুসৰি জিলাখনত এই পৰ্যন্ত ৬২ জন ৰোগীৰ মৃত্যু হৈছে।

### শোণিতপুৰত পুনৰ দুজনৰ মৃত্যু

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাত আজি পুনৰ দুজন ক'ভিড ৰোগীৰ মৃত্যু হোৱা বুলি জিলা স্বাস্থ্য বিভাগে সদৰী কৰিছে। চৰকাৰী তথ্য অনুসৰি, জিলাখনৰ জহামাৰীৰ উমেশ্বৰী দেৱী (৭৫)ৰ তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। আনহাতে, জহামাৰী এক নম্বৰ বৰপুখুৰীৰ নিবাসী খগেন বড়ো (৩৫)ৰ কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত নিজ গৃহতে মৃত্যু হয়। ইপিনে, জিলাখনত আজি নতুনকৈ ১০২ জন লোকৰ শৰীৰত কৰ'নাৰ উপস্থিতি ধৰা পৰে। ইয়াৰ বিপৰীতে আজি ৩৫৭ জন ৰোগী ক'ভিডমুক্ত হয়। শোণিতপুৰত সম্প্ৰতি সক্ৰিয় ৰোগী আছে দুহেজাৰ ১০২ জন।

### দেৰগাঁৱৰ সাংস্কৃতিক কৰ্মী- খেলুৱৈৰ ক'ভিডত মৃত্যু

**দেৰগাঁও ঃ** ক'ভিড-১৯ত আক্ৰান্ত হৈ প্ৰাণ হেৰুৱালে দেৰগাঁৱৰ এজন সাংস্কৃতিক তথা সমাজকৰ্মীয়ে। সুদক্ষ খেলুৱৈৰূপেও পৰিচিত দেৰগাঁও টেকেলাবৰুৱা গাঁও নিবাসী, গড়কাপ্তানী বিভাগৰ কৰ্মচাৰী তথা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন নেতা দিগন্ত বৰুৱাই যোৱা নিশা যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দেৰগাঁও আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি বৰুৱা খুমটাই গড়কাপ্তানী (পথ) কাৰ্যালয়ত কৰ্মৰত হৈ আছিল। দেৰগাঁও সংগীত শিল্পী সমাজ প্ৰতিষ্ঠাত মূল ভূমিকা লোৱা বৰুৱাই অঞ্চলটোৰ বিভিন্ন সাংস্কৃতিক-সামাজিক আৰু ক্ৰীড়া অনুষ্ঠানৰ স'তে জড়িত হৈ সেৱা আগবঢ়াইছিল। ফুটবল আৰু ভলিবলৰ দক্ষ খেলুৱৈৰূপে পৰিচিত বৰুৱা অসম কাৰিকৰী নিবনুৱা সন্থাৰ প্ৰাক্তন সভাপতি আছিল। ৫৩ বছৰীয়া শিল্পী-খেলুৱৈজনে পত্নীৰ লগতে এজন পুত্ৰক এৰি গৈছে। তেওঁৰ মৃত্যুত বিভিন্নজনে শোক প্ৰকাশ কৰে।

### বৰপথাৰত অশীতিপৰ বৃদ্ধাৰ মৃত্যু

**উৰিয়ামঘাটৰ অগ্ৰদূত বাৰ্তা ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাত পুনৰ এজন ক'ভিড আক্ৰান্তৰ মৃত্যু হৈছে। বৰপথাৰ মৌজাৰ অন্তৰ্গত প্ৰেমহৰা গাঁৱৰ অশীতিপৰ বৃদ্ধা গ্ৰবা চাহু (৮০)ৰ কালি বিয়লি মৃত্যু হয়। জ্বৰত আক্ৰান্ত বৃদ্ধাগৰাকীৰ মৃত্যুৰ পাছত সম্পন্ন কৰা পৰীক্ষাত ফলাফল পজিটিভ আহে। চৰকাৰী তথ্য অনুসৰি মহকুমাটোত এই পৰ্যন্ত নজন ক'ভিড আক্ৰান্তৰ মৃত্যু হৈছে।

### টেঙাখাতত আক্ৰান্ত লোকৰ মৃত্যু

**টেঙাখাতৰ অগ্ৰদূত বাৰ্তা ঃ** টেঙাখাতৰ গন্ধিয়াগাঁৱৰ এজন লোকৰ কালি সন্ধিয়া ক'ভিডত মৃত্যু হয়। গাঁওখনৰ সঞ্জীৱ ৰাজখোৱা (৫৭) কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত যোৱা ২০ মে'ত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি হৈছিল। ২৮ মে'ত তেওঁক চিকিৎসালয়ৰ পৰা মুক্তি দিয়া হয় যদিও কালি সন্ধিয়া শ্বাস-প্ৰশ্বাসত অসুবিধা হোৱাত পৰিয়ালৰ লোকে তেওঁক টেঙাখাত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ নিয়ে। কিন্তু চিকিৎসালয় পোৱাৰ আগতেই লোকজনৰ মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰে।

### মৰাণত এজনৰ মৃত্যু ঃ ৭৭ জন আক্ৰান্ত

**মৰাণৰ অগ্ৰদূত বাৰ্তা ঃ** ডিব্ৰুগড় আৰু চৰাইদেউ জিলাৰ অন্তৰ্গত বৃহত্তৰ মৰাণ অঞ্চলত আজি এজন আক্ৰান্তৰ মৃত্যু হয়। মৃত লোকজন হৈছে চৰাইদেউ জিলাৰ পাটসাঁকো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত মৰাণ নগৰৰ এক নম্বৰ ৱাৰ্ড বিষ্ণুপুৰৰ নিবাসী প্ৰশান্ত বল্লভ গোস্বামী (৬৫)। ফলত বৃহত্তৰ মৰাণ অঞ্চলত মৃত ক'ভিড ৰোগীৰ সংখ্যা ২৪ জনলৈ বৃদ্ধি পালে। ইফালে, বৃহত্তৰ মৰাণ অঞ্চলত আজি নতুনকৈ ৭৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত অঞ্চলটোত আক্ৰান্ত লোকৰ সংখ্যা দুহেজাৰ ৪৫৭ জনলৈ বৃদ্ধি পালে। আজি ডিব্ৰুগড় জিলাৰ খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত ৬৮ জন আৰু চৰাইদেউ জিলাৰ পাটসাঁকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত নজন ক'ভিড ৰোগী চিনাক্ত হয়।

### বিশ্বনাথত পুনৰ ৬৭ জন আক্ৰান্ত ঃ এজনৰ মৃত্যু

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** বিশ্বনাথ জিলাত আজি এজন ক'ভিড আক্ৰান্তৰ মৃত্যু হোৱা বুলি ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে সদৰী কৰিছে। আনহাতে, জিলা স্বাস্থ্য বিভাগে সদৰী কৰা অনুসৰি আজিৰ দিনটোত জিলাখনত ৬৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত বিশ্বনাথত আক্ৰান্ত লোকৰ সংখ্যা দুহেজাৰ ১৯৭ জনলৈ বৃদ্ধি পালে। ইয়াৰে এহেজাৰ ৫৪৩ জন ইতিমধ্যে সুস্থ হৈছে। আনহাতে, জিলাখনত সক্ৰিয় ৰোগী আছে ৬২৪ জন। ইয়াৰে ১৯৩ জন বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

### মৰিগাঁৱত দুজন ক'ভিড আক্ৰান্তৰ মৃত্যু

**মৰিগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** মৰিগাঁও জিলাত বিগত ২৪ ঘণ্টাত দুজন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। জিলা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা জনোৱা মতে, চৰাইবাহী অঞ্চলৰ লুণ্ডামুখ গাঁৱত নিজ গৃহত আছুতীয়াকৈ থকা অৱস্থাতে আজলী বৰদলৈ (৫০) নামৰ মহিলাগৰাকীৰ কালি বিয়লি মৃত্যু হয়। আনহাতে, মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ ক'ভিড সেৱা কেন্দ্ৰত চিকিৎসাধীন হৈ থকা চৰাইবাহীৰ মায়েঙীয়া গাঁৱৰ ফণীধৰ নাথ (৭১)ৰ আজি চিকিৎসাধীন অৱস্থাত মৃত্যু হয়।

### হোজাইত চাৰিজন আক্ৰান্তৰ মৃত্যু ঃ ১১ ৰেল যাত্ৰীৰ শৰীৰত ক'ভিড

**হোজাই/যমুনামুখৰ অগ্ৰদূত বাৰ্তা ঃ** হোজাই জিলাত আজি চাৰিজন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। অৱশ্যে মৃত লোকসকলৰ তথ্য জিলা স্বাস্থ্য বিভাগে এই পৰ্যন্ত সদৰী কৰা নাই। ইফালে জিলাখনত আজি নতুনকৈ ৭১ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা তিনি হেজাৰ ১৫০ জনলৈ বৃদ্ধি পালে। সম্প্ৰতি হোজাইত ৮৫৪ জন সক্ৰিয় ৰোগী আছে আৰু ইয়াৰে ২৮৭ জন বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ইপিনে, বহিঃৰাজ্যৰ পৰা ৰেলযোগে আহি হোজাইত উপস্থিত হোৱা যাত্ৰীসকলৰ ভিতৰত আজি ১১ জনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। বিবেক এক্সপ্ৰেছ আৰু ৰাজেন্দ্ৰ নগৰ এক্সপ্ৰেছত অহা ২৮৬ জন যাত্ৰী আজি হোজাই ৰেল ষ্টেছনত উপস্থিত হয়। ৰেল ষ্টেছনতে যাত্ৰীসকলৰ ক'ভিড পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰে বিবেক এক্সপ্ৰেছত অহা ১৬৮ জন যাত্ৰীৰ ভিতৰত ১১ জনৰ শৰীৰত কৰ'না চিনাক্ত হোৱাত তেওঁলোকক বিভিন্ন ক'ভিড সেৱা কেন্দ্ৰলৈ প্ৰেৰণ কৰা হয়। বাকীসকলক নতুনকৈ স্থাপন কৰা একাংশ নিলগীকৰণ কেন্দ্ৰত ৰখাৰ ব্যৱস্থা কৰে স্বাস্থ্য বিভাগে।

### কোকৰাঝাৰত এজনৰ মৃত্যু ঃ আক্ৰান্ত ৩৯ জন

**গোসাঁইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰ জিলাত বিগত ২৪ ঘণ্টাত এগৰাকী ক'ভিড ৰোগীৰ মৃত্যু হোৱাৰ বিপৰীতে নতুনকৈ ৩৯ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। জিলাখনৰ চালেকাটি বজাৰ নিবাসী মালতী দেৱনাথ (৭৪)ৰ কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত আজি চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উল্লেখ্য যে জিলাখনত সম্প্ৰতি ৪১৮ জন সক্ৰিয় ৰোগী আছে। ইয়াৰে ১৯৭ জন বিভিন্ন ক'ভিড সেৱা কেন্দ্ৰত চিকিৎসাধীন হৈ আছে। আজি জিলাখনৰ ৬৯ জন ৰোগী ক'ভিডমুক্ত হয়।

### গোৱালপাৰাত ১৩৯ জন ক'ভিডমুক্ত

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাত আজি ১৩৯ জন লোক ক'ভিডমুক্ত হয়। ফলত জিলাখনত ক'ভিড পৰিস্থিতি উন্নত হোৱাৰ আশাৰ ৰেঙণি দেখা গৈছে। ইফালে, আজি ১৩ শতাধিক লোকৰ ক'ভিড পৰীক্ষাত ৬৯ জনৰ ফলাফ পজিটিভ আহে। সম্প্ৰতি জিলাখনত ৯৩১ জন সক্ৰিয় ৰোগী আছে। ইয়াৰে ৭৭ জন বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাৰ বিপৰীতে ৮৫৪ জন নিজ গৃহত আছুতীয়াকৈ আছে।

### নলবাৰীত ৫৬ জন আক্ৰান্ত

**নলবাৰী/বৰভাগৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাত আজি নতুনকৈ ৫৬ জন কৰ'না ৰোগী চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা পাঁচ হেজাৰ ১০৯ জনলৈ বৃদ্ধি পালে। আনহাতে, জিলাখনৰ বৰভাগ অঞ্চলত আজি তিনিজন লোক ক'ভিডত আক্ৰান্ত হয়।

### ওদালগুৰিত ৪৭ জন নতুনকৈ আক্ৰান্ত

**ওদালগুৰিৰ বিশেষ সংবাদদাতা ঃ** ওদালগুৰিত ক'ভিড আক্ৰান্তৰ শেহতীয়া হাৰে উদ্বেগৰ সৃষ্টি কৰিছে। জিলা স্বাস্থ্য বিভাগে জনোৱা মতে, আজি ওদালগুৰি জিলাত ২৬০ জন লোকৰ কৰ'না পৰীক্ষা সম্পন্ন হয়। ইয়াৰে ৪৭ জন লোকৰ ফলাফল পজিটিভ আহে। ফলত আজিৰ দিনটোত জিলাখনত সংক্ৰমণৰ হাৰ হৈছে ১৮.০৭ শতাংশ। এই বৰ্ধিত হাৰে স্বাভাৱিকতে শংকাৰ সৃষ্টি কৰিছে। ইফালে, আজিৰ দিনটোত জিলাখনৰ ২৫ জন ৰোগী ক'ভিডমুক্ত হয়।

### দৰঙত পুনৰ শতাধিক আক্ৰান্ত

**মঙলদৈৰ বিশেষ সংবাদদাতা ঃ** দৰং জিলাৰ ক'ভিড পৰিস্থিতি বৰ্তমানেও উদ্বেগজনক অৱস্থাত আছে। আজি জিলাখনত নতুনকৈ ১৩৭ জন লোকৰ শৰীৰত ক'ভিড-১৯ৰ উপস্থিতি ধৰা পৰে। ফলত বিগত জানুৱাৰীৰ পৰা জিলাখনত আক্ৰান্তৰ সংখ্যা পাঁচ হেজাৰ ৪৮২ জনলৈ বৃদ্ধি পালে। সম্প্ৰতি জিলাখনত সক্ৰিয় ৰোগীৰ সংখ্যা হৈছে এহেজাৰ ৩৬৭ জন। ইয়াৰে ১৯৬ জন বিভিন্ন চিকিৎসালয়ত থকাৰ বিপৰীতে এহেজাৰ ১৭১ জন নিজ গৃহত আছুতীয়াকৈ আছে।

### বৰহোলাত নতুনকৈ দুজন আক্ৰান্ত

**বৰহোলাৰ অগ্ৰদূত বাৰ্তা ঃ** বৰহোলাৰ গ্ৰামাঞ্চলতো শেহতীয়াকৈ ক'ভিড-১৯ৰ সংক্ৰমণ বৃদ্ধি পাইছে। আজি বৰহোলাৰ ৰজাবাৰীৰ চেৰেলী অঞ্চলত দুজন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। বিগত তিনিটা দিনত ৰজাবাৰী অঞ্চলত নজন লোক ক'ভিডত আক্ৰান্ত হৈছে।

### আজাৰাত ১৭ জন আক্ৰান্ত

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজি ১১৫ জনৰ ৰেপিড এণ্টিজেন পৰীক্ষা সম্পন্ন হয়। ইয়াৰে ১৭ জনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। আক্ৰান্তসকলৰ নজনক বিভিন্ন ক'ভিড সেৱা কেন্দ্ৰলৈ প্ৰেৰণ কৰা হয়। বাকী আঠজনক নিজ গৃহতে আছুতীয়াকৈ ৰখা হৈছে।

### চিৰাঙত নতুনকৈ ১৭ জনৰ কৰ'না

**গৰুভাষাৰ অগ্ৰদূত বাৰ্তা ঃ** চিৰাং জিলাত আজি ১৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত আক্ৰান্ত লোকৰ সংখ্যা জিলাখনত ৯৭৫ জনলৈ বৃদ্ধি পালে। ইয়াৰে ১১৬ জন কাজলগাঁও জেএছবি অসামৰিক চিকিৎসালয় আৰু কাশিকোত্ৰা আদৰ্শ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। চৰকাৰী তথ্য অনুসৰি জিলাখনত এই পৰ্যন্ত ১৮ জন ৰোগীৰ মৃত্যু হৈছে।

# শুৱালকুছিত শতাধিক বিশেষভাৱে সক্ষম লোকক ক'ভিড টিকাকৰণ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩০ মে' ঃ** মহামাৰী কৰ'নাৰ বিভীষিকাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ নিৰ্দেশ অনুযায়ী কামৰূপ জিলা প্ৰশাসনৰ সৌজন্যত জিলাখনৰ সমাজ কল্যাণ বিভাগ, স্বাস্থ্য বিভাগ আৰু যাদৱ চন্দ্ৰ ভূঞা মেম'ৰিয়েল ট্ৰাষ্ট, উদয়াচলৰ উদ্যোগত শুৱালকুছি অঞ্চলৰ প্ৰায় শতাধিক বিশেষভাৱে সক্ষম ব্যক্তিসকলক যোৱা ২৯ মে'ত শুৱালকুছি প্ৰেক্ষাগৃহত ক'ভিড টিকাকৰণ প্ৰদান কৰা হয়। কামৰূপ জিলাৰ প্ৰায় ছহেজাৰ বিশেষভাৱে সক্ষম লোকক সামৰি আৰম্ভ কৰা ক'ভিড টিকাকৰণ জিলাখনৰ শুৱালকুছিত এই কাৰ্যসূচী মুকলি কৰে জিলাখনৰ অতিৰিক্ত উপায়ুক্ত প্ৰশান্ত প্ৰতীম কাঠকটীয়াই। কাৰ্যসূচীত কামৰূপ জিলা সমাজ কল্যাণ বিষয়া ৰুবুল শৰ্মাই কয় যে বিশেষভাৱে সক্ষম ব্যক্তিসকলে যিহেতু যাতায়াতৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। সেয়েহে সমাজ কল্যাণ বিভাগ, স্বাস্থ্য বিভাগ, যাদৱ চন্দ্ৰ ভূঞা মেম'ৰিয়েল ট্ৰাষ্ট, উদয়াচলে যুটীয়াভাৱে জালুকবাৰী সমষ্টিৰ শুৱালকুছিত তেওঁলোকক যাতায়াতৰ ব্যৱস্থা প্ৰদানৰে প্ৰথমটো টিকাকৰণ কেন্দ্ৰ আৰম্ভ কৰা হৈছে। ইয়াৰ পাছত জিলাখনৰ প্ৰতিটো উন্নয়ন খণ্ডত বিশেষভাৱে সক্ষম লোকসকলক ক'ভিড টিকাকৰণ প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে। কাৰ্যসূচীত উপস্থিত থাকে জিলা সমাজ কল্যাণ বিষয়া ৰুবুল শৰ্মা, অতিৰিক্ত উপায়ুক্ত প্ৰশান্ত প্ৰতীম কাঠকটীয়া, ৰাজ্যিক বিকলাংগ বিষয়া দেৱেশ্বৰ বৰা, শুৱালকুছি মহকুমা স্বাস্থ্য বিষয়া ডাঃ দীপক দাস উপস্থিত থাকে।

# বুদ্ধপূৰ্ণিমাৰ লগত সংগতি ৰাখি বিদ্যালয় প্ৰাংগণত বৃক্ষৰোপণ

**আলোপতি, ৩০ মে' ঃ** বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত ক'ভিড প্ৰট'কল অনুযায়ী এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বুদ্ধপূৰ্ণিমাৰ সংগতি ৰাখি বিদ্যালয় কৰ্তৃপক্ষই অনুষ্ঠিত কৰা কাৰ্যসূচীত ক্ৰমে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি মদন পাঠক, অধ্যক্ষ ধনেশ্বৰ দাস, নগৰবেৰা মৌজা কমিটীৰ সভাপতি উদয় শংকৰ মেধি, সম্পাদক, ভৱেশ তালুকদাৰ, অৱসৰপ্ৰাপ্ত শিক্ষক আনন্দ দাস, দীনেশ কলিতা, দুধনৈ সামাজিক বনানীকৰণৰ ভাৰপ্ৰাপ্ত বন বিষয়া মুকুন্দ ৰয়, নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়া ভূপেন দাস, অৱসৰপ্ৰাপ্ত অধ্যক্ষ দয়ানন্দ দাস, শিক্ষক হেমেন ঠাকুৰীয়া আদি ব্যক্তিসকলে উপস্থিত থাকি বিদ্যালয় প্ৰাংগণত বিভিন্ন ধৰণৰ বৃক্ষৰোপণ কৰে। বিদ্যালয়খনৰ অধ্যক্ষ ধনেশ্বৰ দাস আৰু পৰিচালনা সমিতিৰ সভাপতি মদন পাঠকে সংবাদ মাধ্যমৰ আগত কয় যে বিদ্যালয় প্ৰাংগণৰ পৰিৱেশ সেউজ কৰাৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে যাতে মুক্ত অক্সিজেন গ্ৰহণ কৰিব পাৰে তাৰ প্ৰয়াসেৰে এই বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।



*কঠিয়াতলিত আৰক্ষীৰ জালত পৰিল ড্ৰাগছ সৰবৰাহকাৰী, দেওবাৰে*

# নলবাৰী এছ বি আইৰ সাংবাদিকক ক'ভিড প্ৰতিৰোধী সামগ্ৰী উপহাৰ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩০ মে' ঃ** মহামাৰী কৰ'নাৰ এই সংকট কালত সংবাদ পৰিৱেশনত ব্যস্ত থকা নলবাৰীৰ সাংবাদিকসকলক ভাৰতীয় ষ্টেট বেংকৰ নলবাৰী প্ৰধান শাখাই কালি ক'ভিডৰ পৰা ৰক্ষা পোৱাৰ বাবে উপহাৰ প্ৰদান কৰে। সাংবাদিকসকলক মাস্ক, ছেনিটাইজাৰ আৰু একোটাকৈ ভাপৌৰাইজাৰ প্ৰদান কৰে। এই উপলক্ষে ক'ভিড প্ৰট'কল মানি ভাৰতীয় ষ্টেট বেংকৰ নলবাৰী প্ৰধান শাখাত অনুষ্ঠিত এক অনুষ্ঠানত বেংকটোৰ প্ৰধান পৰিচালক প্ৰশান্ত কুমাৰ দাসে সাংবাদিকসকলক ক'ভিড কালত সজাগ হৈ থাকি নিজৰ কৰ্তব্য পালন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত ষ্টেট বেংকৰ অৱসৰপ্ৰাপ্ত ডি জি এম সন্তোষ দেৱনাথেও সাংবাদিকসকলক উদ্দেশ্যি ভাষণ দিয়ে। অনুষ্ঠানত ষ্টেট বেংকৰ নলবাৰী শাখাৰ মেনেজাৰ আদিল হুছেইন, ডেপুটী মেনেজাৰ জিনহাজ আজিজ, দীপাংকৰ দাস, জ্যোতিৰ্ময় দাস, জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা আদি উপস্থিত থাকে।

# ৰঙিয়াত আৰক্ষীৰ জালত পুনৰ দুই ড্ৰাগছ আসক্ত

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ৩০ মে' ঃ** আজি ৰঙিয়া কৰবা আৰু উদিয়ানাত দুজন ড্ৰাগছ আসক্ত কিশোৰক চিৰিঞ্জ আৰু কণ্টেইনাৰসহ ৰাইজে আটক কৰি ৰঙিয়া আৰক্ষীক গতাই দিয়ে। ধৃত যুৱক দুজন তুলসীবাৰী অঞ্চলৰ অংকুৰ দাস (১৪) আৰু আনজন তেওঁৰেই সহযোগী। লক্ষ্যণীয়ভাৱে ৰঙিয়াত আটকাধীন প্ৰতিজন ড্ৰাগছ আসক্তই কালা মিয়া, ৰাজা আৰু গাগা নামৰ তিনিজন মুখ্য সৰবৰাহকাৰীৰ পৰা ড্ৰাগছ ক্ৰয় কৰা বুলি আৰক্ষীৰ আগত স্বীকাৰোক্তি প্ৰদান কৰে। অথচ কোনো এক ৰহস্যজনক কাৰণত আৰক্ষীয়ে এই অপৰাধীকেইজনক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰিব পৰা নাই। কালি ড্ৰাগছ আসক্ত কিশোৰ দুজনক আটক কৰাৰ পাছতেই ৰঙিয়া ৰেল জংছনৰ সমীপৰ এক নম্বৰ ৱাৰ্ডৰ উদিয়ানা পথত এক উত্তেজনাপূৰ্ণ পৰিৱেশৰ সৃষ্টি হয়। ৰাইজে আৰক্ষীৰ লগতে অবৈধভাৱে চিৰিঞ্জ আৰু কণ্টেইনাৰ বিক্ৰী কৰা একাংশ ফাৰ্মাচীৰ বিৰুদ্ধে সৰৱ হয়।

# নগাঁও জিলাৰ চাহবাগিচাৰ ক'ভিড পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা বৈঠকত স্বাস্থ্যমন্ত্ৰী

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩০ মে' ঃ** নগাঁও জিলাৰ চাহ বাগিচা অঞ্চলসমূহত ক'ভিডৰ ভয়াৱহ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি কলিয়াবৰত কালি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই এক জৰুৰী পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। নগাঁও জিলাৰ ২৩ খন চাহ বাগিচাত এই পৰ্যন্ত ক'ভিডত মৃত্যু হৈছে একাধিক শ্ৰমিকৰ। ইয়াৰ পৰিপ্ৰেক্ষিতত নগাঁও জিলাৰ চাহবাগিচাসমূহত বৃদ্ধি পোৱা ক'ভিড ৰোগীৰ সংখ্যা আৰু ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধ কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিত হয় এই পৰ্যালোচনা সভা। নগাঁও জিলাৰ চাহবাগিচাসমূহৰ বিষয়ববীয়াৰ লগতে চাহজনগোষ্ঠীসমূহক প্ৰতিনিধিত্ব কৰা বিভিন্ন দল-সংগঠনৰ স'তে মহকুমাটোৰ মিছাৰ পল' ক্লাবত অনুষ্ঠিত এই পৰ্যালোচনা বৈঠকত স্বাস্থ্যমন্ত্ৰী মহন্তই ক'ভিড চেণ্টাৰসমূহৰ অভাৱ-অভিযোগৰ লগতে পৰ্যাপ্ত প্ৰতিষেধকৰ ব্যৱস্থা আৰু ক'ভিড সম্পৰ্কীয় বিভিন্ন সমস্যাসমূহৰো বুজ লয়। বৈঠকত কলিয়াবৰৰ মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাস, নগাঁও সদৰ কলিয়াবৰ, চামগুৰি, ৰহা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকল, নগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ অতুল চন্দ্ৰ পাটৰ, কলিয়াবৰৰ শ্ৰম পৰিদৰ্শক, আৰক্ষী প্ৰশাসনকে ধৰি জিলাখনৰ সকলো চাহবাগিচাৰ পৰিচালকসকল উপস্থিত থাকে।

# বজালী জিলাত স্থায়ী কৃষি বিষয়া নিয়োগৰ দাবী

**পাটাছাৰকুছি, ৩০ মে' ঃ** নৱগঠিত বজালী জিলাৰ কৃষি বিভাগত জিলা পৰ্যায়ৰ কৃষি বিষয়া নিয়োগৰ দাবী জনাইছে বজালী অৰ্গেনিক কৃষি গ্ৰুপে। বজালী জিলা গঠনৰ পাছত বৰ্তমানলৈ জিলা কৃষি বিষয়াক নিযুক্তি নিদিয়াৰ ফলত কৃষকসকলে বিভিন্ন দিশত অসুবিধা পোৱাৰ লগতে জিলা পৰ্যায়ত ৰূপায়ণ কৰা আঁচনিৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ কৰিছে সংগঠনটোৱে। আনকি সঠিক সময়ত বীজ যোগানৰ পৰাও জিলাখনৰ কৃষক ৰাইজে বঞ্চিত হ'ব লগা হৈছে। জিলাখনৰ ৯০ শতাংশ লোকে কৃষিৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি কৃষকসকলক উৎপাদিত কৰা স্বাৰ্থত জৰুৰীভাৱে বজালী জিলাত স্থায়ী কৃষি বিষয়া নিযুক্তি দিবলৈ অসম চৰকাৰৰ বিভাগীয় মন্ত্ৰীক আহ্বান জনাইছে। আনকি বিষয়টো জৰুৰী বাবে তৎকালীনভাৱে হ'লেও মহকুমা কৃষি বিষয়াক জিলা পৰ্যায়ৰ দায়িত্ব দি কৃষকে সন্মুখীন হোৱা সমস্যা সমাধান কৰিবলৈ দাবী জনাইছে সংগঠনটোৰ সভাপতি তথা সদৌ অসম কৃষি কৌশল সমন্বয়ৰক্ষী সমিতিৰ সভাপতি আদৰ্শ কৃষক মহেন্দ্ৰ দাস আৰু বজালী অৰ্গেনিক গ্ৰুপৰ সম্পাদক দেৱজিৎ দাসে। উল্লেখ্য যে দাসৰ নেতৃত্বত অসমৰ ১০খন জিলাৰ ২০ জন কৃষকে ২০২০ত মুম্বাইত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় এক্সপ'ত অংশগ্ৰহণ কৰি প্ৰথম পুৰস্কাৰ লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। বজালী অৰ্গেনিক গ্ৰুপৰ তৰফৰ পৰা অঞ্চলটোত বিভিন্ন ধৰণৰ কৃষি কাৰ্য কৰি থকা হৈছে। অঞ্চলটোৰ সাতখন ৰাজহ গাঁৱত তিনি কৃষকে জৈৱিক পদ্ধতিৰে খেতি কৰি আহিছে। সেয়ে বজালীৰ কৃষকৰ স্বাৰ্থ পূৰণত অগ্ৰাধিকাৰ দিয়াৰ বাবে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছে অনুষ্ঠানটোৱে।

# কালদিয়াৰ বিপদাপন্ন মথাউৰি পৰিদৰ্শন উপায়ুক্তৰ ঃ শীঘ্ৰে কাম কৰাৰ নিৰ্দেশ

**পাঠশালা, ৩০ মে' ঃ** বাৰিষাৰ আগমনৰ প্ৰাক্‌ক্ষণত বজালী জিলাৰ অন্তৰ্গত সকলো ভগ্ন মথাউৰি আৰু খহনীয়া পুনৰ্নিৰ্মাণ আৰু মেৰামতি কৰাৰ ওপৰত জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই গুৰুত্ব আৰোপ কৰিছে। বাৰিষাৰ বানে নৈত খহনীয়াৰ সৃষ্টি কৰি, মথাউৰি ভাঙি কৃষিভূমিৰ লগতে পথ-ঘাটৰ যাতে ক্ষতিসাধন কৰিব নোৱাৰে তাৰ বাবে আগতীয়াকৈ উপায়ুক্তই তৎপৰ হোৱা পৰিলক্ষিত হৈছে। যোৱা ২৯ মে'ত উপায়ুক্তই জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা আৰু সহকাৰী অভিযন্তাক লগত লৈ কালদিয়া নৈৰ সমীপৰ দেওজৰাৰ ভগ্ন মথাউৰিৰ নিৰ্মীয়মান কাৰ্য পৰিদৰ্শন কৰাৰ লগতে কালদিয়া নৈৰ পাটাছাৰকুছিৰ সমীপৰ বিপদাপন্ন স্থান পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত উক্ত স্থানত কিদৰে প্ৰতিৰোধ ব্যৱস্থা সুদৃঢ় ৰূপত ল'ব পৰা যায় সেই বিষয়েও উপায়ুক্তই জলসম্পদৰ বিষয়াবৰ্গৰ স'তে পৰ্যালোচনা কৰে। উল্লেখ্য যে বাৰিষাৰ সময়ত জলসাধাৰণ যাতে বানৰ ফলত ক্ষতিগ্ৰস্ত নহয় সেই কথাত গুৰুত্ব প্ৰদান কৰি বিভাগক তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ উপায়ুক্ত বৰুৱাই নিৰ্দেশ দিয়ে। উপায়ুক্তৰ স'তে দণ্ডাধীশ মিথিংগা দৈমাৰীও উপস্থিত থাকে।

## টীয়কত অৱসৰপ্ৰাপ্ত শিক্ষক পুতুল শইকীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**জাঁজী, ৩০ মে' ঃ** যোৰহাট জিলাৰ টীয়ক এজাৰগুৰিৰ নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক পুতুল শইকীয়া (৭০)ৰ আজি পুৱা নিজা বাসগৃহত মৃত্যু হয়। দীৰ্ঘদিন মধুমেহ ৰোগত আক্ৰান্ত শইকীয়া যোৰহাট মিছন হাস্পতালত চিকিৎসাধীন হৈ আছিল যদিও কেইদিনমানৰ পূৰ্বে হঠাৎ উচ্চ ৰক্ত চাপত আক্ৰান্ত হোৱাত শইকীয়াক এক জটিল অস্ত্ৰোপ্ৰচাৰ কৰিবলগীয়া হয়। পৰৱৰ্তী সময়ত শইকীয়াৰ স্বাস্থ্যৰ উন্নতিৰ বিপৰীতে দিনক-দিনে অৱনতি ঘটাত আজি ঘৰলৈ লৈ অহাত কিছুসময়ৰ পাছতেই মৃত্যু হয়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ বিৰাজ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰক ইহসংসাৰত এৰি যায়।

# নদুৱাৰৰ টেঙাবস্তিত বিঘাই বিঘাই খেতি পথাৰৰ শস্য নষ্ট



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩০ মে' ঃ** কৃষকসকলে বিঘাই বিঘাই বিভিন্ন খেতি কৰাৰ পাছত উক্ত উৎপাদিত খেতিৰ যি প্ৰকৃত মূল্য পাব লাগিছিল সেই সপোন বৰ্তমান দেশৰ কৰ'না ভাইৰাছৰ ভিভিষিকাত ধূলিস্যাত হৈ পৰিছে। সম্প্ৰতি উৎপাদিত খেতিৰ পাচলিসমূহ প্ৰখৰ ৰ'দ আৰু বৰষুণত বিঘাই বিঘাই বিনষ্ট হোৱাত কৃষকসকলৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। অবিভক্ত শোণিতপুৰ জিলাৰ নাগশংকৰ মৌজাৰ টেঙাবস্তি

**মূৰে-কপালে হাত দিছে খেতিয়কে**

গাঁৱত এতিয়া বিঘাই বিঘাই নষ্ট হৈছে খেতি শস্য। গাঁওখনৰ বহুকেইজন কৃষকে বিঘাই বিঘাই জলকীয়া, ভেন্দি, বডিমাহ কৰাৰ পাছত সম্প্ৰতি খেতিসমূহ পথাৰতে গেলি-পচি যোৱাৰ উপক্ৰম হৈছে। প্ৰতি বিঘা মাটিত প্ৰায় ৩০-৪০ হেজাৰ টকা খৰচৰে উন্নত মানৰ খেতি সমূহ কৰাৰ পাছত এতিয়া ক'ভিডৰ বাবেই বিক্ৰী কৰিব নোৱাৰাৰ বাবে উক্ত খেতিসমূহ প্ৰখৰ ৰ'দ, বৰষুণত গেলি-পচি যোৱাত কৃষকসকলে মূৰে-কপালে হাত দিছে। টেঙাবস্তি গাঁৱৰ কৃষক বাবুলি আলী, হাইদৰ আলী আৰু উৰেদ আলীয়ে এই ক্ষেত্ৰত জিলা প্ৰশাসনক উৎপাদিত পাচলিসমূহ বিক্ৰী কৰাৰ বাবে এক সু-ব্যৱস্থা কৰিবলৈ আহ্বান জনোৱাৰ লগতে কৃষকসকলক উপযুক্ত ক্ষতি পূৰণৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# পাঠশালাৰ তপোবনৰ দিব্যাংগ শিশুৰে মন্ত্ৰী ৰঞ্জিত দাসৰ মত বিনিময়

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**পাঠশালা, ৩০ মে' ঃ** বজালী জিলাৰ সদৰ পাঠশালাৰ দিব্যাংগ শিশুসকলৰ আৱাসিক প্ৰতিষ্ঠান 'তপোবন'ৰ দিব্যাংগ শিশুসকলৰ স'তে আজি মত বিনিময় কৰে পাটাছাৰকুছি সমষ্টিৰ বিধায়ক, মন্ত্ৰী তথা বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এনডিএ চৰকাৰৰ সপ্তম বৰ্ষপূৰ্তিৰ ক্ষণত আজি অসম ৰাজ্যিক বিজেপিৰ তৰফৰ পৰা সমগ্ৰ অসমৰ ১০ হেজাৰখন গাঁৱত সেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সাম্প্ৰতিক ক'ভিড কালৰ পৰিপ্ৰেক্ষিতত পূৰ্বৰ দৰে কোনো উলহ-মালহ অনুষ্ঠানৰ আয়োজন নকৰি কেৱল সেৱাৰ মনোবৃত্তিৰে এইবেলি চৰকাৰৰ সপ্তম বৰ্ষপূৰ্তি কাৰ্যসূচীৰ লগত সংগতি ৰাখি মন্ত্ৰী দাসে আজি পাঠশালাস্থিত নামনি অসমৰ অন্যতম অনাথ শিশুগৃহ তপোবনত উপস্থিত হৈ বিশেষভাৱে



সক্ষম শিশুসকলৰ মাজত মত বিনিময় কৰাৰ উপৰি কিছু খাদ্য সামগ্ৰী বিতৰণ কৰে। ইয়াৰ লগতে তপোবনৰ অধ্যক্ষ কুমুদ কলিতাৰ হাতত সভাপতি দাসে পূৰ্বৰ প্ৰতিশ্ৰুতি অনুসৰি তপোবনৰ শিশুসকলৰ পৰিচৰ্যাৰ বাবদ মাহিলি ২৫ হেজাৰ টকাকৈ আবণ্টন দিয়াৰ কিছু অংশ টকাও আজি অৰ্পণ কৰে। ইপিনে, কেন্দ্ৰীয় চৰকাৰৰ দ্বিতীয় কাৰ্যকালৰ দ্বিতীয় বৰ্ষপূৰ্তি উপলক্ষে 'সেৱা হি সংগঠন'ৰ লগত সংগতি ৰাখি বিজেপি বজালী জিলা সংবাদ কোষৰ জিলা সহকাৰী আহ্বায়ক ৰাহুল পাটগিৰীৰ প্ৰচেষ্টাত পাটাছাৰকুছি সমষ্টিৰ অন্তৰ্গত পাঠশালা নগৰৰ প্ৰায়বোৰ এটিএম ছেনিটাইজ কৰে। এই স্বেচ্ছামূলক কাৰ্যসূচীত তেওঁক সংগ দিয়ে মাহৰ্ষী কাশ্যপ, অৰ্ণব চৌধুৰী, ৰক্তিম কলিতা, জয়ন্ত শৰ্মাকে ধৰি কে'বাগৰাকীও বিজেপি কৰ্মীয়ে।

# পানেৰীত নাবালিকাক যৌন নিৰ্যাতনৰ অভিযোগ ঃ গ্ৰেপ্তাৰ



অগ্ৰদূত বাৰ্তা

**টংলা, ৩০ মে' ঃ** অসমৰ বিভিন্ন প্ৰান্তত অতিসম্প্ৰতি ধাৰাবাহিকভাৱে সংঘটিত কন্যা শিশু তথা কিশোৰীৰ ওপৰত যৌন নিৰ্যাতনৰ ঘটনাই সমগ্ৰ ৰাইজকে জোঁকাৰি গৈছে। ওদালগুৰি জিলাৰ পানেৰী থানাৰ অন্তৰ্গত ফুলকুছি গাঁৱৰ ১০ বছৰীয়া এগৰাকী নাবালিকাক যোৱা ২৮ মে'ত ৰূপেন দৈমাৰী (৪০) নামৰ এজন লোকে যৌন নিৰ্যাতন চলোৱাৰ এটি ঘটনা পোহৰলৈ আহিছে। শিশু নিৰ্যাতনকাৰী দৈমাৰীয়ে সকলো কথা গোপনে ৰখাৰ ভয় আৰু মৃত্যুৰ ভাবুকি প্ৰদান কৰি নিজৰ সম্পৰ্কীয় এগৰাকী নাবালিকাক যৌন নিৰ্যাতন চলাই অহাৰ অভিযোগ উত্থাপিত হৈছে। কালি যৌন উৎপীড়ণৰ বলি হোৱা নাবালিকাই সম্বন্ধীয় বাইদেউক এনে অপকাণ্ডৰ কথা জনোৱাত বাইদেউকে কালিয়ে পানেৰী আৰক্ষী থানাত ৰূপেনৰ বিৰুদ্ধে শিশু কন্যাক যৌন নিৰ্যাতন কৰা সম্পৰ্কত এখন এজাহাৰ দাখিল কৰে। পানেৰী থানাই ভাৰতীয় দণ্ড বিধিৰ ৩৭৬ (এবি) আৰু পস্ক' আইনৰ অধীনত ৪৮/২০২১ নম্বৰত এটি গোচৰ ৰুজু কৰি অভিযুক্ত ৰূপেনক গ্ৰেপ্তাৰ কৰাৰ উপৰি নাবালিকাৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰে। আনহাতে, স্থানীয় ৰাইজ, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতি আৰু জিলা সমিতিৰ সাংগঠনিক সম্পাদক সঞ্জুক চবৰ, আছাৰ পানেৰী আঞ্চলিক সমিতিৰ লগতে ওদালগুৰি জিলা আটছাই যৌন নিৰ্যাতনকাৰীক কঠোৰ শাস্তি বিহিবলৈ প্ৰশাসনক অনুৰোধ জনাইছে।

# জীয়াভৰলী নদী খন্দাৰ আশ্বাস মন্ত্ৰী হাজৰিকাৰ

## জামুগুৰিহাটত জীয়াভৰলী নদীৰ খহনীয়া পৰিদৰ্শন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩০ মে' ঃ** চতিয়া সমষ্টিৰ জামুগুৰিহাটৰ জীয়াভৰলী নদীৰ খহনীয়া আজি পৰিদৰ্শন কৰে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই। বিয়লি জামুগুৰিহাটৰ চামধৰাৰ লগতে 'কন্যকা' কৃষি পামৰ সমীপত জীয়াভৰলীৰ খহনীয়া পৰিদৰ্শন কৰাৰ লগতে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জীয়াভৰলী নদীৰ দলঙৰ ওপৰৰ পৰাও পৰিদৰ্শন কৰে মন্ত্ৰী হাজৰিকাই। চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ লগতে তেজপুৰৰ সাংসদ পল্লৱলোচন দাসক লগত লৈ খহনীয়া পৰিদৰ্শন কৰি শীঘ্ৰেই জীয়াভৰলীৰ খহনীয়া প্ৰতিৰোধৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। লগতে জীয়াভৰলী নদীৰ দলঙৰ সমীপত



নদীখনৰ গভীৰতা কমি অহাৰ কথা উল্লেখ কৰি গভীৰতা কমি যোৱা স্থানত নদীখন খন্দাৰ পোষকতা কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন নৱগঠিত বিজেপি চৰকাৰখনৰ জলসম্পদ বিভাগৰ মন্ত্ৰিত্ব লাভ কৰাৰ পাছতে সমগ্ৰ অসমতে নদীৰ খহনীয়া পৰিদৰ্শন কৰি থকা মন্ত্ৰীজনে আজি বিয়লিৰ ভাগত চতিয়া সমষ্টিৰ জামুগুৰিহাটত সৃষ্টি হোৱা জীয়াভৰলী নদীৰ খহনীয়া পৰিদৰ্শন কৰে।

# লাহৰীঘাটত ড্ৰাগছ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ৩০ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষীয়ে আজি বৃহৎ পৰিমাণৰ ড্ৰাগছ উদ্ধাৰ কৰে। বিশেষ সূত্ৰৰ পম খেদি লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অদিত বড়োৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দলে থানাৰ অন্তৰ্গত বৰখাবল গাঁৱৰ পৰা ড্ৰাগছখিনি উদ্ধাৰ কৰে। আৰক্ষীয়ে গাঁওখনৰ আব্দুল ৰছিদ নামৰ লোকজনৰ ঘৰত অভিযান চলাই ড্ৰাগছ ভৰ্তি ৩৯টা কণ্টেইনাৰ আৰু ২৩টা খালি কণ্টেইনাৰ উদ্ধাৰ কৰে। আৰক্ষী যোৱাৰ উমান পোৱা মাত্ৰকে আব্দুল ৰছিদৰ লগতে ঘৰৰ সকলো লোকে পলায়ন কৰে।

# দক্ষিণ শালমাৰাত খহনীয়াগ্ৰস্তৰ ৰোষত বিধায়ক ৱাজেদ

**ধুবুৰী, ৩০ মে' ঃ** দক্ষিণ শালমাৰাত পঞ্চমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত ৱাজেদ আলী চৌধুৰী কালি সমষ্টিটোৰ ৰাইজৰ ৰোষৰ বলি হ'বলগীয়া হয়। সহস্ৰাধিক পুৰুষ-মহিলাই বিধায়কজনক ঘেৰাও কৰি বিভিন্ন দাবী উত্থাপন কৰে। চাৰিদশক ধৰি ব্ৰহ্মপুত্ৰৰ খহনীয়াত দক্ষিণ শালমাৰাৰ বহু গাঁও আৰু শ শ হেক্টৰ কৃষিভূমি লুইতৰ বুকুত জাহ গৈছে। প্ৰতিবছৰে গৃহহাৰা হৈছে হেজাৰ হেজাৰ পৰিয়াল। ৱাজেদৰ কাৰ্যকালত খহনীয়া প্ৰতিৰোধৰ নামত চৰকাৰী আঁচনিৰ কোটি কোটি খৰচ কৰা হৈছে যদিও দৰাচলতে আঁচনিবোৰ ৱাজেদৰ ছত্ৰছায়াত চলি আহিছে লুণ্ঠনৰাজ। ফলত কোনো এটা অঞ্চল লুইতৰ খহনীয়াৰ পৰা ৰক্ষা পৰা নাই। আনহাতে, প্ৰতিটো নিৰ্বাচনৰ সময়ছোৱাত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি দি আহিছে বিধায়ক ৱাজেদে। অৱশ্যে তেওঁৰ সেই প্ৰতিশ্ৰুতি আজিও বাস্তৱ ৰূপ দিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে যোৱা এটা পষেকৰ খহনীয়াত ফকিৰাগঞ্জৰ চতলাৰ পাৰ গাঁৱৰ শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ নদীত জাহ গৈছে। সামাজিক মাধ্যমত খহনীয়াৰ বাতৰি প্ৰকাশৰ পাছত কালি অঞ্চলটো পৰিদৰ্শন কৰিবলৈ যোৱাত এনে পৰিস্থিতিৰ সন্মুখীন হৈছে।

# কলগাছিয়াত মাস্ক, ছেনিটাইজাৰ, খাদ্য সামগ্ৰী বিতৰণ বিজেপিৰ



**কলগাছিয়া, ৩০ মে' ঃ** বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ দ্বিতীয় বৰ্ষপূৰ্তি উপলক্ষে আজি জনীয়া সমষ্টি বিজেপিয়ে 'সেৱাই সংগঠন'ৰ জৰিয়তে এক জনকল্যাণমূলক কাৰ্যসূচী হাতত লয়। বিগত বিধানসভা নিৰ্বাচনত বিজেপিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা কবি, ঔপন্যাসিক তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা স্বহিদুল ইছলামৰ নেতৃত্বত আজি জনীয়া সমষ্টিৰ অন্তৰ্গত কুৰিখন গাঁৱত মাস্ক, ছেনিটাইজাৰ লগতে কৰ'না ৰোগীক ফলমূল বিতৰণ কৰে। কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰা তিতাপানী আৰু মাদুলিঝাৰৰ কে'বাটাও পৰিয়ালক চাউল, দাইল, মিঠাতেল, নিমখ বিতৰণ কৰে।

# ৰংজুলিত দুটা অবৈধ কাঠফলা কল উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ৩০ মে' ঃ** সমগ্ৰ ৰাজ্যত মহামাৰী কৰ'নাৰ আতংক চলি থকাৰ মাজতে একাংশ অসাধু চক্ৰই চলাই আছে বন ধ্বংস যজ্ঞ। কৰ'না মহামাৰীৰ বাবে চৰকাৰে জাৰি কৰি আংশিক তলাবন্ধ আৰু সান্ধ্য আইনৰ ভয়ত মানুহে ঘৰত সোমাই থকাৰ সুযোগ গ্ৰহণ কৰিছে চোৰাং কাঠ ব্যৱসায়ীসকলে। আজি ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া চেলিম আহমেদৰ নেতৃত্বত বনকৰ্মীৰ দলে চোৰাং কাঠ ব্যৱসায়ীৰ বিৰুদ্ধে চলায় অভিযান। অভিযানত দুটাকৈ অবৈধ কাঠফলা কল উৎখাত কৰাৰ লগতে বৃহৎ পৰিমাণৰ চেগুন গছৰ কুণ্ডা জব্দ কৰে। এক বিশেষ সূত্ৰৰ পম খেদি বন বিভাগৰ দলটোৱে দলগোমা আৰু অসম-মেঘালয় সীমান্তৰ হাবাংগিৰিত দুটাকৈ অবৈধ কাঠফলা কল উৎখাত কৰি কাঠফলা কলৰ মেচিনসমূহ উঠাই আনে। লগতে ফালিবৰ বাবে মজুত কৰি ৰখা চেগুন গছৰ কুণ্ডাসমূহ জব্দ কৰি উঠাই লৈ আনে। বন বিষয়া চেলিম আহমেদে জানিবলৈ দিয়া মতে জব্দকৃত চেগুন গছৰ কুণ্ডাসমূহৰ আনুমানিক বজাৰ মূল্য ৫০-৬০ হেজাৰ টকা হ'ব। জব্দকৃত কাঠফলা মেচিন আৰু গছৰ কুণ্ডাসমূহ ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ধূপধৰাৰ কাঠ ভঁৰালত ৰখা হয়।

# কাছমাৰী গাঁও পঞ্চায়তৰ শতাধিকক ক'ভিড পৰীক্ষা-মাস্ক বিতৰণ

বিশেষ সংবাদদাতা

**নগাঁও, ৩০ মে' ঃ** সম্প্ৰতি সমগ্ৰ বিশ্বৰ লগতে দেশ তথা ৰাজ্যৰ উপৰি নগাঁৱৰ গ্ৰামাঞ্চলসমূহত ত্ৰাসৰ সৃষ্টি কৰা মহামাৰী কৰ'না ভাইৰাছৰ দ্বিতীয় জোৱাৰৰ ভয়াৱহতাই সকলোৰে লগতে নগাঁৱৰ কাছমাৰী অঞ্চলৰ আৱাসীসকলক আতংকগ্ৰস্ত কৰি তুলিছে। তাৰ মাজতে গাঁও পঞ্চায়তৰ বিশেষ তৎপৰতাত আৰু নগাঁও স্বাস্থ্য বিভাগৰ উদ্যোগত আজি কাছমাৰী বৰাগাঁও ৰাজহুৱা ভৱনত স্থানীয় দুইশতাধিক গাঁওবাসীৰ মাজত ক'ভিড টেষ্ট আৰু মাস্ক বিতৰণৰ এক সজাগতা অনুষ্ঠান সম্পন্ন হয়। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ আজি সাতটা বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিজেপিৰ তৰফৰ পৰা 'সেৱাই ধৰ্ম' শীৰ্ষক এক অনুষ্ঠানৰ জৰিয়তে এই সজাগতা অনুষ্ঠান আয়োজন কৰে। অনুষ্ঠানত উপস্থিত থাকে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, সদৰ ৰাজহ চক্ৰ বিষয়া যুৱৰাজ বৰঠাকুৰ, নগাঁও স্বাস্থ্য সেৱা বিভাগৰ কৰ্মচাৰী, এ এন এম নাৰ্ছ, আশাকৰ্মীসকলৰ লগতে স্থানীয় বিজেপি নেতাকৰ্মীসকল পুৱা ১১-৩০ বজাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানৰ আৰম্ভণিতে উপস্থিত সন্মানীয় ব্যক্তিসকলৰ লগতে স্বাস্থ্য বিভাগৰ কৰ্মচাৰীসকলক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। দেশব্যাপী ত্ৰাসৰ সৃষ্টিকাৰী কৰ'না ভাইৰাছৰ দ্বিতীয় জোৱাৰৰ ভয়াৱহ কৰ'না বীজাণু যাতে বৃহত্তৰ কাছমাৰী গ্ৰামাঞ্চলৰ সাধাৰণ লোকসকললৈ বিয়পিব নোৱাৰে লগতে গ্ৰামাঞ্চলৰ সাধাৰণ লোকসকলক সাম্প্ৰতিক পৰিস্থিতিত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি সজাগ কৰাৰ উদ্দেশ্যেই কাছমাৰী গাঁও পঞ্চায়তৰ প্ৰচেষ্টাত যৎকিঞ্চিৎ প্ৰয়াস কৰা হয়। ক'ভিড সজাগতা অনুষ্ঠানত শতাধিক লোকৰ ক'ভিড পৰীক্ষাত কেৱল তিনিজনৰ দেহত ক'ভিড পজিটিভ ধৰা পৰে।

### ক'ভিড প্ৰতিষেধক প্ৰদান

জিলা আইন সেৱা প্ৰাধিকাৰী নগাঁও আৰু মাৰোৱাৰী পঞ্চায়ত মঞ্চৰ উদ্যোগত তথা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ সহযোগত মাৰোৱাৰী পঞ্চায়ত ভৱনত আজি পুৱা ১০ বজাৰ পৰা নগাঁও জিলা আইন সেৱা প্ৰাধিকৰণৰ অধীনস্থ ১৫ জনকৈ অৰ্ধআইনী স্বেচ্ছাসেৱীৰ লগতে মাৰুৱাৰী পঞ্চায়ত মঞ্চৰ প্ৰায় ২৮০ গৰাকী পুৰুষ-মহিলা-যুৱক-যুৱতীক ক'ভিড প্ৰতিষেধকৰ প্ৰথম ড'জ প্ৰদান কৰা হয়। ক'ভিড প্ৰট'কলৰ সম্পূৰ্ণ নীতি-নিৰ্দেশনা মানি চলি ক'ভিড প্ৰতিষেধক লোৱাৰ প্ৰাকমুহূৰ্তত প্ৰতিজন লোকক ক'ভিড পৰীক্ষা কৰা হয়।

# ক্ষুদ্ৰ ব্যৱসায়ী পংকজ নাথৰ অকাল বিয়োগ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৩০ মে' ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ টোকোৰাবাহী গাঁৱৰ নিবাসী ক্ষুদ্ৰ ব্যৱসায়ী পংকজ নাথ (৩৮)ৰ যকৃতজনিত ৰোগত আক্ৰান্ত হৈ জি এম চি হাস্পতালত চিকিৎসাধীন অৱস্থাত আজি মৃত্যু হয়। পত্নীসহ দুই কণমানি পুত্ৰ-কন্যাৰ লগতে পিতৃ-মাতৃক এৰি যায়। অমায়িক স্বভাৱৰ, মৃদুভাষী পংকজৰ আকস্মিক বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# ঝাৰখণ্ডৰ জগনাথ সিঙৰ বিহালীত আত্মহত্যা

অগ্ৰদূত বাৰ্তা

**বিহালী, ৩০ মে' ঃ** কালি সন্ধিয়া প্ৰায় ছয় বজাত বিশ্বনাথ জিলাৰ বিহালী আৰক্ষী থানাৰ অন্তৰ্গত নাচবৰস্থিত 'টি কে' ইঞ্জিনীয়াৰিং প্ৰতিষ্ঠান'ৰ শ্ৰমিক থকা আৱাসত এটি মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো জগনাথ সিং (৩৫)ৰ বুলি চিনাক্ত কৰা হৈছে। সিঙৰ ঘৰ ঝাৰখণ্ডত। স্থানীয় সূত্ৰই জানিব দিয়া মতে টি কে ইঞ্জিনীয়াৰিং প্ৰতিষ্ঠানৰ কৰ্মৰত ঠিকাদাৰ চাবউদ্দিন আনচাৰীৰ অধীনত চাৰিসৰিয়া পথৰ কাম কৰিবৰ বাবে ছজনীয়া এটি দল ঝাৰখণ্ডৰ পৰা আহিছিল। তাৰে পাঁচজন ঝাৰখণ্ডলৈ যায় যদিও সিং ইয়াতে থাকি যায়। কালি সিঙৰ মৃতদেহ ৰূমৰ ভিতৰত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হোৱা ঘটনাৰ অন্তৰালত কি ৰহস্য অন্তৰ্নিহিত হৈ আছে বৰ্তমান সময়লৈকে উদ্ধাৰ হোৱা নাই। আজি মৃতদেহ বিহালী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত মৰণোত্তৰ পৰীক্ষা সম্পাদন কৰি মৃতদেহ ঝাৰখণ্ডলৈ প্ৰেৰণ কৰে।

# কলিয়াবৰত মটৰ চাইকেলসহ আটক চাৰিজনকৈ জুৱাৰী



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৩০ মে' ঃ** কলিয়াবৰৰ উলুৱনী আৰক্ষীৰ জুৱা খেলৰ বিৰুদ্ধে অভিযান চলাই পাঁচজন জুৱাৰী আটক কৰে। যোৱা নিশা আৰক্ষীয়ে বিশেষ অভিযান চলাই আটক কৰে জুৱাৰীকেইজনক। কলিয়াবৰৰ বৰঘুলিত নিশা অভিযান চলাই উলুৱনী আৰক্ষীয়ে এক নম্বৰ বৰঘুলিৰ ইন্দাদুল ইছলাম আৰু নজৰুল ইছলাম, ভগামুখৰ নজমুল হক, ভকুৱামাৰীৰ আতিকুৰ ৰহমান আৰু চাৰি নম্বৰ বৰঘুলিৰ আইনুল হকক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন যুৱককেইজনৰ পৰা নগদ পাঁচ হেজাৰ টকা, এটা ম'বাইল ফোন উদ্ধাৰ কৰাৰ লগতে এ এছ-০২ এক্স-২৬৯২, টি এন-৭২ কিউ-৪৫৪২, এ এছ-০২ এ ই-৫৫৬২ নম্বৰৰ মটৰ চাইকেলকেইখনৰ লগতে এখন নম্বৰপ্লেটবিহীন দুচকীয়া বাহন উদ্ধাৰ কৰে।



*তেজপুৰত মাস্ক-ছেনিটাইজাৰ বিতৰণ বিজেপি কৰ্মীৰ, দেওবাৰে।*

# চামগুৰিৰ কেছেট নিৰ্মাতাৰ মৃত্যু ক'ভিডত

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ৩০ মে' ঃ** নগাঁও জিলাৰ বিশিষ্ট কেছেট নিৰ্মাতা চামগুৰি হেমাৰবৰীৰ নিবাসী বিৰেণ বৰা (৭৮)ৰ ক'ভিড আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত আজি পুৱা ১০-২০ বজাত মৃত্যু হয়। যোৱা ১৬ মে'ত তেওঁৰ দেহত ক'ভিডৰ উপস্থিতি ধৰা পৰাৰ পাছত নগাঁৱৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড কেয়াৰ চিকিৎসালয়ত ভৰ্তি হৈছিল। পাছত উন্নত চিকিৎসাৰ বাবে ২১ মে'ৰ পৰা তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। '৮০ আৰু '৯০ৰ দশকত হিট বিহু গীতৰ কেছেট 'কলিজা'ৰ উপৰি 'ৰূপালী', 'ৰহেদৈ', লোকগীতৰ কেছেট 'কানাই', টোকাৰী গীতৰ 'ঘুনুচা' কেছেট আদিৰ লগত ২০ খনৰো অধিক কেছেটৰ নিৰ্মাতা তথা মামী ছাউণ্ড এণ্ড ছাৰ্ভিচৰ স্বত্বাধিকাৰী বৰাৰ মৃত্যুত বৃহত্তৰ চামগুৰি অঞ্চলত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃতদেহ আজি গুৱাহাটীৰ উলুবাৰী শ্মশানত অন্তিম সৎকাৰ কৰা হয়।

# ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত হঠাতে শুকাই গ'ল খোৱাপানীৰ উৎস ঃ হাহাকাৰ ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৩০ মে' ঃ** উজনি অসমৰ কেতবোৰ অঞ্চলৰ লেখীয়া নামনি অসমতো হঠাৎ পানী শুকাই যোৱাৰ দৰে ৰহস্যজনক ঘটনা সংঘটিত হ'বলৈ ধৰিছে। কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ ঝাৰবাৰীত আজি এই ঘটনা সংঘটিত হৈছে। ঝাৰবাৰী বৃহত্তৰ অঞ্চলৰ পুৰণি ঔগুৰী, খালাচী নেপালী বস্তি আৰু খালাচী আদিবাসী গাঁৱত হঠাতে শুকাই গৈছে গভীৰ নলীনাদ, তাৰাপাম্প আৰু কুঁৱাৰ পানী শুকাই যোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনা সংক্ৰান্তত বুজ ল'বলৈ আতংকিত জনতাক সান্ত্বনা দিবলৈ পৰিদৰ্শন কৰে কোকৰাঝাৰ পূব সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে। ইতিমধ্যে গাঁওখনত খোৱাপানীৰ উৎসসমূহ শুকাই যোৱাত খোৱাপানীৰ তীব্ৰ সংকটৰ প্ৰতি লক্ষ্য ৰাখি বিধায়ক ইছলাৰীয়ে বিটিচিৰ জনস্বাস্থ্য কাৰিকৰী বিভাগক খোৱাপানী যোগান ধৰাৰ নিৰ্দেশনা প্ৰদান কৰে। সম্প্ৰতি এই ঘটনাই হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰিছে।

# টীয়কত ধুমুহাই থান-বান কৰিলে এখন বিদ্যালয় ঃ মেৰামতিৰ দাবী আছুৰ

অগ্ৰদূত বাৰ্তা

**টীয়ক, ৩০ মে' ঃ** যোৱা ২০ মে'ত বিধ্বংসী ধুমুহাই বিধ্বস্ত কৰিলে যোৰহাট জিলাৰ টীয়কৰ মধ্য যোৰহাট শিক্ষা খণ্ডৰ অধীনৰ উত্তৰ-দুলিয়া নগাঁও মধ্য ইংৰাজী বিদ্যালয়। যোৱা পাঁচ ফেব্ৰুৱাৰীত অসম চৰকাৰে প্ৰাদেশিকীৰণ নোহোৱা বিদ্যালয়খন প্ৰাদেশিকৰণ কৰিছিল যদিও উন্নত নহ'ল আন্তঃগাঁথনি। ১৯৯৫তে স্থাপিত বৃহত্তৰ বগৰীগুৰি অঞ্চলৰ একমাত্ৰ শিক্ষাৰ সম্বল উত্তৰ দুলিয়া নগাঁও মধ্য ইংৰাজী বিদ্যালয়ত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক ৰন্টু ভূএগ্রাৰ স'তে



টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ এটি সঁজাতীদলে বানে গৰকা অঞ্চলটোৰ বিদ্যালয়খনত উপস্থিত হয়। এক বিবৃতিত আছু নেতা ভূএগ্রাই সংবাদ মাধ্যমৰ আগত তাৎক্ষণিকভাৱে অসম চৰকাৰে বিদ্যালয়খন মেৰামতিৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। যিহেতু বৃহত্তৰ এই উত্তৰ-দুলিয়া অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় গৃহৰ অভাৱত শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা নহয় সেই ক্ষেত্ৰত অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। একেটা বিবৃতিতে টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰীতমজ্যোতি শইকীয়া, প্ৰশান্ত দোলাকাষৰীয়া, সভাপতি পাপু কলিতা আৰু সম্পাদক প্ৰাঞ্জল দত্তই অসম চৰকাৰে বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে খুব সোনকালে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

## শ্ৰদ্ধাঞ্জলি — চক্ৰধৰ হালৈ



নলবাৰী চহৰৰ নিকটৱৰ্তী মুগকুছি গাঁও নিবাসী বিশিষ্ট শিল্পী চক্ৰধৰ হালৈ (৬৯) যোৱা ২০ মে'ত হৃদৰোগত আক্ৰান্ত হৈ নিজগৃহতে মৃত্যু হয়। জিলাখনৰ ঐতিহাসিক শিল্প প্ৰধান গাঁওৰূপে পৰিচিত গাঁওখনত কাঁহ-পিতল মেৰামতি ব্যৱসায়ত জড়িত পিতৃৰ বৃত্তিকেই অনুসৰণ কৰি চক্ৰধৰ হালৈ লাগি পৰিছিল একেটা কৰ্মত মনোযোগ সহকাৰে। পিছলৈ চামতাৰ মঞ্চসূৰ্য ধৰণী বৰ্মন প্ৰযোজিত সুৰদেৱী থিয়েটাৰত নৃত্য শিল্পীৰূপে যোগাদন কৰি নিজৰ শিল্প প্ৰতিভাৰ পৰিচয় দিয়ে। ৮০ৰ দশকত মঞ্চৰ পৰা বিদায় লৈ পুনৰ কাঁহ-পিতলৰ শিল্পত জড়িত হৈ পৰে। ৯০ৰ দশকৰ শেষৰ ফালে গাঁওখনৰ উদ্যোগী যুৱক শৰৎ হালৈকে ধৰি ছজনীয়া দলটোত চক্ৰধৰ হালৈ জিলা উদ্যোগ কেন্দ্ৰৰ জৰিয়তে কাঁহ-পিতল শিল্পৰ শিক্ষামূলক ভ্ৰমণ লৈ এপষেকৰ বাবে যাত্ৰা কৰে মুৰাদাবাদ আৰু বেনাৰসলৈ। তাত প্ৰশিক্ষণ সমাপ্ত কৰি আহি হালৈয়ে মাতৃৰ নামকৰণেৰে নিজৰ গৃহতেই জন্ম দিয়ে 'ভাগ্য লক্ষ্মী পিতল উদ্যোগ'। উদ্যোগটোৰ জৰিয়তে চাকি, কলচী, জাপি আদি বিভিন্ন সামগ্ৰী উৎপাদন কৰি বজাৰ দখল কৰিব সমৰ্থ হোৱাৰ লগতে ভালেসংখ্যক চৰকাৰী প্ৰদৰ্শনীত অংশগ্ৰহণ কৰি পুৰস্কৃত হয় শিল্পীজন। তদুপৰি চৰকাৰীভাৱে পুৰস্কৃত

বৃত্তিমূলক প্ৰশিক্ষণ দিয়ে, কাঁহ-পিতল শিল্পটোত। কৰ্ম-সংস্কৃতিৰ প্ৰবক্তা স্বৰূপ সদালাপী, কৰ্মযোগী এইজন স্বভাৱ-শিল্পী গাঁওখনৰ মুগকুছি গাঁও উন্নয়ন সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত থাকি দায়বদ্ধ সমাজকৰ্মীৰ পৰিচয় দিয়ে। মৃত্যুৰ সময়ত তেওঁ পত্নী, চাৰিগৰাকী পুত্ৰ-কন্যাক এৰি যায়। এইজন সদা হাস্যময়ী শিল্পীলৈ যাচিলো মোৰ অশ্ৰু অঞ্জলি।

**ধনেশ্বৰ শৰ্মা**



### দ্বিতীয়বাৰলৈ ইউৰোপৰ শ্ৰেষ্ঠ ঃ ফাইনেলত পৰাস্ত ই পি এলৰ চেম্পিয়ন চিটী

# চেম্পিয়নছ লীগৰ খিতাপ চেলছিৰ




**লিছবন, ৩০ মে' ঃ** চেলছিয়ে দ্বিতীয়বাৰৰ বাবে চেম্পিয়নছ লীগৰ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ যোৱানিশা পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হোৱা ফাইনেল মেচখনত চেলছিয়ে একমাত্ৰ গ'লত ইংলণ্ডৰে আন এটা ক্লাব মানচেষ্টাৰ চিটীক পৰাস্ত কৰি চেম্পিয়ন ট্ৰফী হাতত লয়। খেলৰ 42 মিনিটত চেলছিৰ গৈ বিজয়সুচক গ'লটো দিয়ে হাভাৰ্টজে। উল্লেখ্য যে এইবাৰৰ চেম্পিয়নছ লীগত এইটোৱে হাভাৰ্টজে দিয়া একমাত্ৰ গ'ল আৰু ফাইনেল মেচতে এই সফলতা লাভ কৰি দলক গৌৰৱ দিয়ে হাভাৰ্টজে। ইয়াৰপূৰ্বে 2012 তো চেম্পিয়নছ লীগ ফুটবলৰ চেম্পিয়ন হৈছিল চেলছি। আনহাতে, 2008 আৰু 2012 ৰ পাছত তৃতীয়বাৰৰ বাবে এইবাৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল খেলিলে চেলছিয়ে। বিপৰীতে মানচেষ্টাৰ চিটীয়ে এইবাৰ পোন প্ৰথমবাৰৰ বাবে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল খেলিলে। ই পি এলত খিতাপ লাভ কৰা চিটীয়ে ইউৰোপৰ শ্ৰেষ্ঠ হোৱাৰ সপোন পূৰ্ণ কৰিব নোৱাৰিলে। উল্লেখ্য যে ইয়াৰপূৰ্বে দুবাৰ দুটা ইংলণ্ডৰ দলে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে খেলিছিল। 2008 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত চেলছিয়ে খেলিছিল মানচেষ্টাৰ ইউনাইটেডৰ বিৰুদ্ধে। আনহাতে, 2012 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত লিভাৰপুলে খেলিছিল ট'টেনহামৰ বিৰুদ্ধে। উল্লেখ্য যে ইয়াৰপূৰ্বে ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটী মুখামুখি হয় পি এছ জিৰ। মেচখনত মানচেষ্টাৰ চিটীয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ফ্ৰান্সৰ ক্লাব পি এছ জিক। অৱশ্যে মানচেষ্টাৰ চিটীৰ সামগ্ৰিক জয়ৰ ব্যৱধান আছিল 4-1। প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল পি এছ জিক। আনহাতে, আনখন ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মুখামুখি হয় চেলছি আৰু স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ। মেচখনত চেলছি 2-0 গ'লৰ ব্যৱধানত জয়লাভ কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে চেলছিয়ে সামগ্ৰিকভাবে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ। ইয়াৰপূৰ্বে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচখনত উভয় দলে 1-1 গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল। এফ এ কাপৰ ফাইনেলৰ ব্যৰ্থতাৰ পাছত এয়া চেলছিৰ অনন্য সফলতা।

**ফ্ৰেন্স অপেন আৰম্ভ**

## অ'ছাকাৰ জয়লাভ বিদায় ল'লে কাৰ্বাৰে

**পেৰিছ ৩০ মে' ঃ** গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত প্ৰত্যাশিতভাৱে জয়ৰে অভিযান আৰম্ভ কৰিছে জাপানৰ নাওমি অ'ছাকাই। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ মেচত অ'ছাকাই পোনপটীয়া ছেটত পৰাস্ত কৰে ৰোমানিয়াৰ পাট্ৰিচিয়া মাৰিয়াক। ব্যৱধান হ'ল 6-4, 7-6¼ এতিয়া দ্বিতীয় ৰাউণ্ডত 23 বছৰীয়া জাপানৰ তাৰকা নাওমি অ'ছাকা মুখামুখি হ'ব ৰোমানিয়াৰে আন এগৰাকী খেলুৱৈ এনা ব'গানৰ। উল্লেখ্য যে চাৰিটা গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ লাভ কৰা অ'ছাকা এইবাৰ ফ্ৰেন্স অপেনৰ দাবীদাৰ। ইফালে, প্ৰাক্তন শীৰ্ষ বাচনিৰ জাৰ্মানীৰ মহিলা তাৰকা এঞ্জেলিক কাৰ্বাৰ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ প্ৰথম ৰাউণ্ডৰ পৰাই বিদায় লৈছে। ইউক্ৰেইনৰ কালিনিনাই পৰাস্ত কৰে কাৰ্বাৰক।

## ক্ৰমাগত তিনিখন মেচত চেলছিৰ বিৰুদ্ধে পৰাস্ত মানচেষ্টাৰ চিটী



**লিছবন, ৩০ মে' ঃ** ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীয়ে ইতিহাস গঢ়ি পোন প্ৰথমবাৰৰ বাবে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছিল যদিও দলে খিতাপ জয়ৰ সপোন পূৰ্ণ কৰিব নোৱাৰিলে। উল্লেখ্য যে এইবাৰ লীগ সমাপ্তিৰ পূৰ্বেই ই পি এলৰ খিতাপ লাভ কৰিছিল মানচেষ্টাৰ চিটীয়ে। দলে চেম্পিয়নছ লীগতো চমক দিয়াৰ বাবে আত্মবিশ্বাসী হৈ আছিল যদিও ফলাফল বিচৰা ধৰণে নহ'ল। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ যোৱানিশা পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হোৱা ফাইনেল মেচখনত চেলছিয়ে একমাত্ৰ গ'লত মানচেষ্টাৰ চিটীক পৰাস্ত কৰি চেম্পিয়ন ট্ৰফী হাতত লয়। খেলৰ 42 মিনিটত চেলছিৰ গৈ বিজয়সুচক গ'লটো দিয়ে হাভাৰ্টজে। চলিত ছিজনত চেলছিৰ বিৰুদ্ধে ক্ৰমাগত তিনিবাৰ পৰাস্ত হ'ল মানচেষ্টাৰ চিটী। ইয়াৰপূৰ্বে ই পি এলৰ মেচত আৰু এফ এ কাপৰ ছেমিফাইনেলতো চিটী পৰাস্ত হৈছিল চেলছিৰ বিৰুদ্ধে। কিন্তু চেম্পিয়নছ লীগৰ ছেমিফাইনেলত পি এছ জিক পৰাস্ত কৰা তথা ইংলিছ প্ৰিমিয়াৰ লীগত অদমনীয় প্ৰদৰ্শন কৰা মানচেষ্টাৰ চিটীয়ে শ্ৰেষ্ঠ মেচখনত চাপৰ সন্মুখীন হয়। উল্লেখ্য যে 2008 আৰু 2012 ৰ পাছত তৃতীয়বাৰৰ বাবে এইবাৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল খেলিলে চেলছিয়ে।

**লিভাৰপুল-মানচেষ্টাৰ ইউনাইটেডৰ অভিলেখ স্পৰ্শ**

## এফ এ কাপৰ ব্যৰ্থতাৰ পাছত চেলছিৰ চমক



**লিছবন, ৩০ মে' ঃ** 2008 আৰু 2012 ৰ পাছত এইবাৰ তৃতীয়বাৰৰ বাবে পুনৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰা চেলছিয়ে দ্বিতীয়বাৰৰ বাবে চেম্পিয়নছ লীগৰ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ যোৱানিশা পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হোৱা ফাইনেল মেচখনত চেলছিয়ে একমাত্ৰ গ'লত ইংলণ্ডৰে আন এটা ক্লাব মানচেষ্টাৰ চিটীক পৰাস্ত কৰি চেম্পিয়ন ট্ৰফী হাতত লয়। ইয়াৰপূৰ্বে 2012 তো চেম্পিয়নছ লীগ ফুটবলৰ চেম্পিয়ন হৈছিল চেলছি। লিভাৰপুল আৰু মানচেষ্টাৰ ইউনাইটেডৰ পাছত চেলছি ইংলণ্ডৰ তৃতীয়টো ক্লাব যিয়ে দুবাৰ চেম্পিয়নছ লীগৰ খিতাপ লাভ কৰিলে। উল্লেখ্য যে চেম্পিয়নছ লীগৰ খিতাপ লাভ কৰা চেলছিয়ে এফ এ কাপৰ খিতাপৰ যুঁজলৈও অগ্ৰসৰ হৈছিল। কিন্তু চেম্পিয়ন ট্ৰফী হাতত ল'ব নোৱাৰিলে। উল্লেখ্য যে এফ এ কাপৰ ছেমিফাইনেলত মানচেষ্টাৰ চিটীক হৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছিল চেলছি। কিন্তু ফাইনেলত চেলছিক পৰাস্ত কৰে লেইচেষ্টাৰ চিটীয়ে। দুসপ্তাহ পাছত এইবাৰ পৃথক ৰণনীতিৰে খেলি চেম্পিয়নছ লীগৰ খিতাপ ল'লে চেলছিয়ে। দলৰ যাত্ৰা আছিল নাটকীয়। কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত পৰ্তুগালৰ ক্লাব এফ চি প'ৰ্টো বিৰুদ্ধে একমাত্ৰ গ'ল পৰাস্ত হয় চেলছি। কিন্তু ইয়াৰপূৰ্বে হোৱা কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত চেলছিয়ে জয়লাভ কৰিছিল। একপক্ষীয় মেচখনত এফ চি প'ৰ্টোক ইংলণ্ডৰ ক্লাব চেলছিয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল। সেয়ে চেলছিয়ে সামগ্ৰিকভাবে 2-1 গ'লৰ ব্যৱধানত অগ্ৰগতি লাভ কৰি চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ সফলতা লাভ কৰে। আনহাতে, ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদৰ বিৰুদ্ধে চেলছি 2-0 গ'লৰ ব্যৱধানত জয়লাভ কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে চেলছিয়ে সামগ্ৰিকভাবে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ। ইয়াৰপূৰ্বে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচখনত উভয় দলে 1-1 গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল। কিন্তু দ্বিতীয় লেগৰ মেচত চমক দিয়ে ইংলিছ ক্লাব চেলছিয়ে।

**এছিয়ান বক্সিং প্ৰতিযোগিতা**

## আজি অসমৰ শিৱৰ স্বৰ্ণৰ যুঁজ



**গুৱাহাটী ৩০ মে' ঃ** চলিত এছিয়ান বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰা অসমৰ শিৱ থাপাৰ লগতে অমিত পাংগল আৰু সঞ্জীতে কাইলৈ সোণৰ পদকৰ বাবে পুনৰ ৰিঙত নামিব। উল্লেখ্য যে পুৰুষ শাখাত ভাৰতৰ শিৱ থাপা (64 কেজি), সঞ্জীত (91 কেজি), অমিত পাংগল (52 কেজি), বৰীন্দৰ (60 কেজি) আৰু বিকাশ কিষানে ((69 কেজি) প্ৰতিযোগিতাৰ ছেমিফাইনেল খেলিছিল। কিন্তু বৰীন্দৰ (60 কেজি) আৰু বিকাশ কিষান ((69 কেজি) ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকে। উল্লেখ্য যে ছেমিফাইনেলত শিৱৰ প্ৰতিদ্বন্দ্বী আছিল তাজাকিস্তানৰ বাখ'দুৰ উছম'ন'ভ। বিগত বৰ্ষৰ 64 কেজি শাখাৰ চেম্পিয়নজনক শিৱই বিধ্বস্ত কৰি 4-0 ব্যৱধানত পৰাস্ত কৰে। শিৱৰ পইণ্টৰ ব্যৱধান হ'ল 30-27, 28-28, 29-28, 29-28, 30-27¼ এতিয়া কাইলৈ মংগোলিয়াৰ বাটাৰ্ছুখৰ বিৰুদ্ধে ফাইনেল খেলিব শিৱই। উল্লেখ্য যে শিৱই কোৱাৰ্টাৰ ফাইনেলত মুখামুখি হৈছিল কুৱেটৰ নাডিৰ অ'ডাহৰ বিৰুদ্ধে। মেচখনত 5-0 ব্যৱধানত জয়ী হৈ পদক নিশ্চিত কৰে শিৱই। শিৱৰ পইণ্টৰ ব্যৱধান আছিল 30-26, 30-27, 30-27, 30-27, 30-26¼ আনহাতে, প্ৰতিযোগিতাৰ প্ৰথমদিনা অনুষ্ঠিত হোৱা প্ৰথম ৰাউণ্ডৰ মেচত শিৱ থাপাই 5-0 ব্যৱধানত পৰাস্ত কৰিছিল কাজাখস্তানৰ ডমিইৰি পুচিনক। এই জয়ৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল শিৱ। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা বক্সাৰ শিৱ থাপাই এছিয়ান বক্সিঙত 2013 ত সোণসহ এতিয়ালৈকে চাৰিটা পদক লাভ কৰিছিল। এইবাৰ পঞ্চমটো পদক জয় নিশ্চিত কৰিলে শিৱই। ইয়াৰপূৰ্বে শিৱই 2013 ত সোণ, 2017 ত ৰূপ আৰু 2015 তথা 2019 ত ব্ৰঞ্জ লাভ কৰিছিল। চলিত প্ৰতিযোগিতাত শিৱই ৰূপ পোৱাটো নিশ্চিত হৈছে যদিও লক্ষ্য সোণ। ইফালে, ছেমিফাইনেলত 5-0 ত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰা অমিতে উজবেকিস্তানৰ ছাখ'বিদিনৰ বিৰুদ্ধে ফাইনেলত মুখামুখি হ'ব। আনহাতে, সঞ্জীতে সোণৰ পদকৰ মেচত মুখামুখি হ'ব ৰিঅ' অলিম্পিকৰ ৰূপ জয়ী লেভিটৰ। এউ তিনি পুৰুষ বক্সাৰে দেশক সোণ দিব বুলি আশাবাদী প্ৰশিক্ষকো।

## ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিল ভাৰতৰ এম চি মেৰী কম



**নতুন দিল্লী, ৩০ মে' ঃ** ভাৰতৰ এম চি মেৰীকমে ডুবাইত চলি থকা এছিয়ান বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিল। আজি হোৱা ফাইনেলত মেৰীকম মুখামুখি হয় কাজাখস্তানৰ নাজিম কিজাইবিৰ বিৰুদ্ধে। 3-2 ৰ ব্যৱধানত পৰাস্ত হয় মেৰী। ইয়াৰপূৰ্বে প্ৰতিযোগিতাত ছেমিফাইনেল খেলি অভিযান আৰম্ভ কৰা মেকীকমে মেচখনত 4-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল মংগোলিয়াৰ লুটছাইখানক। উল্লেখ্য যে মেৰীৰ লগতে ফাইনেলত প্ৰৱেশ কৰা অন্য তিনিগৰাকী মহিলা বক্সাৰ হ'ল লালবুৰাটছাইহি (64 কেজি), পূজা ৰাণী (75 কেজি), আৰু অনুপমা (81 কেজি উৰ্দ্ধ)। নিশা লালবুৰাটছাইহিয়ে ফাইনেল খেলিব কাজাখস্তানৰ মিলানাৰ বিৰুদ্ধে। ইফালে, পূজাৰ ফাইনেলত প্ৰতিদ্বন্দ্বী হ'ল উজবেকিস্তানৰ মাভলুডা। আনহাতে, অনুপমাই ফাইনেল খেলিব কাজাখস্তানৰ লাজাটৰ বিৰুদ্ধে। উল্লেখ্য যে চলিত এছিয়ান বক্সিং প্ৰতিযোগিতাত অংশ লোৱা ভাৰতৰ মহিলা দলৰ প্ৰতিগৰাকী সদস্যাই পদক জয় কৰাটো পূৰ্বেই নিশ্চিত হৈছিল। কাৰণ ভাৰতৰ 10 গৰাকী মহিলা বক্সাৰে প্ৰতিযোগিতাৰ ছেমিফাইনেল খেলি পদক নিশ্চিত কৰে। অৱশ্যে ছেমিফাইনেলত এম চি মেৰীকম (51 কেজি), লালবুৰাটছাইহি (64 কেজি), পূজা ৰাণী (75 কেজি), আৰু অনুপমা (81 কেজি উৰ্দ্ধ) ই জয়লাভ কৰাৰ বিপৰীতে পৰাস্ত হয় ম'নিকা (48 কেজি), সাক্ষী (54 কেজি), জেছমিন (57 কেজি), সিমৰণজিত কৌড় (60 কেজি), লাভলীনা বৰগোহাই (69 কেজি), আৰু স্বতি (81 কেজি)। এই ছয় বক্সাৰে ব্ৰঞ্জ লাভ কৰিছে। উল্লেখ্য যে ডুবাই চলি থকা প্ৰতিযোগিতাখনত ভাৰতীয় দলে মুঠ 15 টা পদক লাভ কৰাটো নিশ্চিত হৈছে। ইয়াৰে 10 বক্সাৰ মহিলা আৰু পাঁচ বক্সাৰ পুৰুষ। ইতিমধ্যে মহিলা শাখাত ছয়গৰাকী আৰু পুৰুষ শাখাত দুজনে ব্ৰঞ্জত সন্তুষ্ট থাকে। স্মৰ্তব্য যে এছিয়ান বক্সিং প্ৰতিযোগিতাত পদক জয়ৰ দৃষ্টিৰে এয়াই ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰপূৰ্বে ভাৰতে 2019 ত থাইলেণ্ডত হোৱা এছিয়ান বক্সিং প্ৰতিযোগিতাত 13 টা পদক লাভ কৰিছিল।


অ'ছাকা

## ব্যক্তিগত সমস্যা গুৰুত্বহীন ঃ মিতালী

**মুম্বাই, ৩০ মে' ঃ** 'যেতিয়া দেশৰ হৈ খেলা যায় তেতিয়া ব্যক্তিগত সমস্যা মূল্যহীন। সকলোৰে লক্ষ্য দেশৰ হৈ মেচ জয় কৰা।' এই মন্তব্য ভাৰতীয় মহিলা টেষ্ট দলৰ অধিনায়িকা মিতালী ৰাজৰ। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত অহা 16 জুনত ভাৰতীয় মহিলা ক্ৰিকেট দলে একমাত্ৰ টেষ্ট খেলিব ইংলণ্ডৰ বিৰুদ্ধে। মিতালীয়ে ভাৰতক নেতৃত্ব দিব। এই ভ্ৰমণত ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন সদস্য শিৱ শংকৰ দাস ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বেটিং প্ৰশিক্ষক হ'ব। ইফালে, ভাৰতীয় মহিলা ক্ৰিকেট দলৰ নতুন প্ৰশিক্ষক হ'ব ৰমেশ পাৱাৰ। ইতিমধ্যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে এই বিষয়ে সিদ্ধান্ত লৈছে। উল্লেখ্য যে ইয়াৰপূৰ্বেও ৰমেশ পাৱাৰ 2018 ত ভাৰতীয় মহিলা ক্ৰিকেট দলৰ প্ৰশিক্ষক পদত আছিল। কিন্তু মিতালীৰ লগত হোৱা দ্বন্দ্বৰ বাবেই পদ হেৰুৱাইছিল। পুনৰ তেনেই সমস্যা আহিব বুলি মিতালীক প্ৰশ্ন কৰাত অভিজ্ঞ ক্ৰিকেটাৰগৰাকীয়ে বিষয়টো এৰাই চলে। উল্লেখ্য যে ইংলণ্ডত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলাৰ লগতে তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচ খেলিব। ইফালে, ভাৰতীয় মহিলা ক্ৰিকেট দলে পোন প্ৰথমবাৰৰ বাবে চলিত বৰ্ষতে দিবা-নৈশ টেষ্ট খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যাব লগা ভাৰতীয় মহিলা ক্ৰিকেট দলে পাৰ্থত অহা 30 ছেপ্টেম্বৰৰ পৰা তিনি অক্টোবৰলৈ ঘৰুৱা দলৰ বিৰুদ্ধে দিবা-নৈশ টেষ্টখন খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় মহিলা ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু টি-20 মেচো খেলিব। উল্লেখ্য যে ইংলণ্ড ভ্ৰমণ কৰাৰ পাছতে অষ্ট্ৰেলিয়ালৈ যাব ভাৰতীয় মহিলা ক্ৰিকেট দল। অহা দুই জুনত ভাৰতৰ পুৰুষ আৰু মহিলা ক্ৰিকেট দল একেলগে যাব ইংলণ্ডলৈ।

## টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচক লৈ ৰোমাঞ্চিত ৱাগনাৰ

**লণ্ডন, ৩০ মে' ঃ** নিউজিলেণ্ডৰ পেচাৰ নেইল ৱাগনাৰে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন বিশ্বকাপ কাপৰ ফাইনেলৰ দৰেই বুলি ব্যক্ত কৰিছে। উল্লেখ্য যে দুবছৰ পূৰ্বে নিউজিলেণ্ডে লৰ্ডছত বিশ্বকাপৰ ফাইনেল খেলিছিল ইংলণ্ডৰ বিৰুদ্ধে। কিন্তু সেই দলত নাছিল ৱাগনাৰ। সেয়ে এইবাৰৰ ভাৰতৰ বিৰুদ্ধে খেলিব লগা আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনক লৈ উৎসাহি তথা ৰোমাঞ্চিত পেচাৰগৰাকী। উল্লেখ্য যে ভাৰতৰ বিৰুদ্ধে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন খেলাৰ লগতে ইংলণ্ডৰ বিৰুদ্ধে দুখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইতিমধ্যে ইংলণ্ডত উপস্থিত হৈছে নিউজিলেণ্ড দল। আসন্ন ইংলণ্ড ভ্ৰমণত নিউজিলেণ্ডে এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ লগতে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনো খেলিব। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন অহা 18 জুনৰ পৰা আৰম্ভ হ'ব।



### ইংলণ্ডৰ হৈ সৰ্বাধিক টেষ্ট মেচ খেলা ক্ৰিকেটাৰ হোৱাৰ গৌৰৱ

## কুকক স্পৰ্শ কৰিব পেচাৰ জেমছ এণ্ডাৰছনে



**লণ্ডন, ৩০ মে' ঃ** ইংলণ্ডৰ অভিজ্ঞ পেচ বলাৰ জেমছ এণ্ডাৰছনে যদি নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচত মূল একাদশত স্থান লাভ কৰে তেন্তে এক অভিলেখৰ গৰাকী হ'ব। ইংলণ্ডৰ হৈ সৰ্বাধিক টেষ্ট খেলা প্ৰাক্তন অধিনায়ক এলাষ্টায়াৰ কুকক স্পৰ্শ কৰিব এণ্ডাৰছনে। উল্লেখ্য যে কুকে 161 খন টেষ্ট খেলিছে। ইফালে, এণ্ডাৰছনে টেষ্টত লাভ কৰিছে 614 টা উইকেট। উল্লেখ্য যে ইংলণ্ডে ভ্ৰমণকাৰী নিউজিলেণ্ডৰ লগত এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ ল'ব। নিউজিলেণ্ডে ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাটো আৰম্ভ হ'ব অহা দুই জুনৰ পৰা। প্ৰথমখন টেষ্ট দুইৰ পৰা ছয় জুনলৈ। আনহাতে, দ্বিতীয়খন টেষ্ট 10 ৰ পৰা 14 জুনলৈ আৰম্ভ হ'ব। উল্লেখ্য যে ভাৰতৰ বিৰুদ্ধে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন খেলাৰ লগতে ইংলণ্ডৰ বিৰুদ্ধে দুখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইতিমধ্যে ইংলণ্ডলৈ ৰাওনা হৈছে নিউজিলেণ্ড দল। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন অহা 18 জুনৰ পৰা আৰম্ভ হ'ব। তাৰপাছত ইংলণ্ডে পাঁচখনীয়া টেষ্ট শংখলা খেলিব ভাৰতৰ বিৰুদ্ধে। ইফালে, নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা টেষ্ট শৃংখলাৰ বাবে ইংলণ্ড দলক নেতৃত্ব দিব জ' ৰুটে। দলত আছে অভিজ্ঞ পেচাৰদ্বয় জেমছ এণ্ডাৰছন আৰু ষ্টুৱাৰ্ট ব্ৰড। কিন্তু আই পি এলত খেলা ইংলণ্ডৰ ক্ৰিকেটাৰক টেষ্ট দলত লোৱা হোৱা নাই। যাৰবাবে বাটলাৰ, মঈন আলী, বেয়াৰষ্ট্ৰৱ, কুৰান দলত নাই। আঘাতৰ বাবে নিৰ্বাচিত নহ'ল ফকছ, বেন ষ্টকছ আৰু আৰ্চাৰো।





মুখ্যমন্ত্ৰীক সাক্ষাৎ ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৰজ্যোতি গোস্বমী, ছেপাকটাক্ৰ' সন্থাৰ সম্পাদক বিষ্ণুৰাম নুনিছাৰ

